
বিলাসীপাৰা মহকুমা ৰাজহুৱা গ্ৰন্থাগাৰৰ দ্বাৰা প্ৰকাশিত

দ্বাদশ বছৰ, মে, ২০২২
অষ্টাদশ সংখ্যা

ISSN -2249 3018
Valume XVIII, May, 2022

# চিত্ৰলেখা

# Chitralekha



মুখ্য সম্পাদক
ড০ হৰিচৰণ দাস

সম্পাদক
অবিনাশ শীল

Chitralekha, a journal published by Bilasipara Sub-divisional public library, edited by Dr. Hari Charan Das, Volume XVIII, 'May, 2022, ISSN 2249 3018

## বিলাসীপাৰা মহকুমা ৰাজহুৱা গ্ৰন্থাগাৰ পৰিচালনা সমিতি




| | | |
|---|---|---|
| ুখ্য পৃষ্ঠপোষক | ঃ- | মহকুমাধিপতি, বিলাসীপাৰা |
| পৃষ্ঠপোষক | ঃ- | অধ্যক্ষ, বিলাসীপাৰা পৌৰ সভা |
| সভাপতি | ঃ- | আব্দুল কৰিম খান |
| উপ সভাপতি | ঃ- | দয়াল পাল |
| | | মনোৱাৰ হুছেইন |
| সম্পাদক তথা গ্ৰন্থাগাৰিক | ঃ- | ড° হৰিচৰণ দাস |
| সহকাৰী সম্পাদক | ঃ- | আলতাপ হুছেইন আহমেদ |
| | | ৰঞ্জিত অধিকাৰী |
| সাংস্কৃতিক সম্পাদক | ঃ- | প্ৰাণজিৎ চক্ৰবৰ্তী |
| প্ৰচাৰ সম্পাদক | ঃ- | ধনঞ্জয় সিন্হা |
| কোষাধ্যক্ষ | ঃ- | বীৰেন কৰ্মকাৰ |
| কাৰ্য নিৰ্বাহক সদস্য/সদস্যা | ঃ- | ড° মুজাম্মিল হক |
| | | বিজুলী দেৱী |
| | | কল্যাণ চক্ৰবৰ্তী |
| | | মুকুল কুমাৰ নাথ |
| | | ইমদাদ হুছেইন |



## বিলাসীপাৰা মহকুমা ৰাজহুৱা গ্ৰন্থাগাৰত বিগত ২০২০-২১ বৰ্ষত আয়োজিত অনুষ্ঠান

| | | |
|---|---|---|
| ২৮ নভেম্বৰ, ২০১৯ | ঃ- | চিত্ৰলেখা উন্মোচনী সভা। |
| ৩১ ডিচেম্বৰ, ২০১৯ | ঃ- | সুলেখক ৰত্ন ওজা স্মৃতিচাৰণ সভা |
| ২ জানুৱাৰী, ২০২০ | ঃ- | গ্ৰন্থাগাৰ প্ৰতিষ্ঠা দিৱস। |
| ২৭ ফেব্ৰুৱাৰী, ২০২০ | ঃ- | সাহিত্য বৈঠক। |
| ৩ ডিচেম্বৰ, ২০২০ | ঃ- | বিলাসীপাৰাৰ সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্য্যালায়ত ড০ ভূপেন হাজিৰকা আৰু বিষ্ণু ৰাভাৰ প্ৰতিকৃতিত দুৰ্বৃত্তই অপমান কৰাৰ বিৰুদ্ধে প্ৰতিবাদী সভা। |
| ২ জানুৱাৰী, ২০২১ | ঃ- | গ্ৰন্থাগাৰৰ প্ৰতিষ্ঠা দিৱস। |
| জানুৱাৰী, ২০২১ | ঃ- | ভোটাৰ সজাগতা সভা। |
| মাৰ্চ, ২০২১ | ঃ- | প্ৰাক্তন বিধায়ক ইউছুফ আলী স্মৃতিচাৰণ সভা। |
| ১১ অক্টোবৰ,২০২১ | ঃ- | শিল্পী প্ৰনৱ দাস স্মৃতিচাৰণ সভা। |
| ২ জানুৱাৰী, ২০২২ | ঃ- | প্ৰতিষ্ঠা দিৱস। |
| ১৭ জানুৱাৰী, ২০২২ | ঃ- | শিল্পী দিৱস। |




অষ্টাদশ সংখ্যা

চিত্ৰলেখা

প্ৰকাশক

বিলাসীপাৰা মহকুমা ৰাজহুৱা গ্ৰন্থাগাৰ

বেটুপাত ঃ শ্ৰেয়া গাৰ্গ

ডি.টি.পি ঃ ৰমানাথ বিদ্যালঙ্কাৰ ডি.টি.পি চেন্টাৰ

উপদেষ্টা মণ্ডলী ঃ

বিশ্বজিৎ গোস্বামী

আব্দুল কৰিম খান

দয়াল পাল

ড০ মুজাম্মিল হক

আলতাপ হুছেইন আহমেদ

মুখ্য সম্পাদক

ড০ হৰিচৰণ দাস

সম্পাদক

অবিনাশ শীল

বছৰ ঃ মে', ২০২২

বৰঙণি ঃ ৫০/-

# সূচীপত্ৰ

সম্পাদকৰ কলম

প্ৰবন্ধ

বহাগ বিহুৰ অংগৰাগ কপৌফুল আৰু জেতুকা - কণিকা বৰকাকতি চৰকাৰ

ৰঙালী বিহুৰ তাৎপৰ্য্য - দয়াল পাল

সমাজ শিল্পী জ্যোতি প্ৰসাদ আৰু প্ৰমথেশ বৰুৱা - প্ৰণতি দাস

গল্প

ফুলবানু - আলতাপ হুচেইন আহমেদ

নিগনিয়ে খোৱা চুৰিয়া - ৰঞ্জিত অধিকাৰী

'নাই' যে ইমান নিষ্ঠুৰ - উৎপল শৰ্মা

মৰম এনেকৈয়ে - লোপামুদ্ৰা ভূঞা দাস

ভ্ৰমণ

সাগৰমাথা মূল শিবিৰলৈ অভিযান - সুভাষ চৌধুৰী

সোঁৱৰণী

গৰু গাড়ী - মানব দাস

পৰিত্যক্ত ঘৰবোৰ - বিভামনি দাস

নাৰী শক্তি - বিপ্লৱ বৰুৱা

গৱেষণা

অসমৰ নৃকুল গ্ৰন্থাগাৰৰ সম্পদ ৰাজি - ড০ হৰিচৰণ দাস

টেট শিক্ষক হোৱাৰ অভিজ্ঞতা - প্ৰাণজিৎ চক্ৰৱৰ্ত্তী

কবিতা

ৰঙালী আদৰি - শুভ বিভাস বিশ্বাস

উজাগৰি নিশাৰ কবিতা - পল্লৱী মধুকল্য

নৈপৰীয়াৰ সোণসেৰীয়া সাপোন - গীতাঞ্জলী নিয়োগী

মই ধুবুৰী - বিজুলী দেৱী

নাৰী - জুনুমনি দাস

ব'হাগ - জিন্টি মেধী

বহাগৰ সুবাস - মিনতি সৰকাৰ

মহঙা দিনৰ কবিতা - দীপজ্যোতি চহৰীয়া

শব্দ - ৰাছেল সৰকাৰ

মধ্যবিত্তৰ সপোনবোৰ - বাবুল

প্ৰতাৰণাৰ পদ্য - ছালমা জামান

প্ৰেম হেনো আহে এই বাটেদিয়েই - ধনঞ্জয় সিনহা

সভ্যতা - আঞ্জুমা বেগম

নলা - হজৰত আলী

দুখ আৰু দোষ - আমিনুৰ ইছলাম

নিবন্ধ

ৰঙালীৰ ৰেঙণি - মুকুল কুমাৰ নাথ

বিহুগীতত লোক বিশ্বাস - হৰিনাৰায়ণ কলিতা

মুখ্য সম্পাদকৰ কলম

## সম্পাদকৰ কলম

### বসন্তৰ আগমন

বসন্তৰ আগমন কি অপূৰ্ব। শীতৰ ঠেটুৰৈ ধৰা জাৰ যোৱাৰ লগে লগে প্ৰকৃতিৰ বুকুত বসন্ত ঋতুৰ আগমন হয়। তাঁহি আহে প্ৰেম আৰু আস্থাৰ বাণী। প্ৰকৃতিৰ বুকুত ছয় ঋতুৰ আগমন হয়। এই ছয় ঋতুৰ শেষৰ ঋতুটোৱে বসন্ত ঋতু। বসন্ত ঋতুতে বহাগৰ আগমন। যি বহাগক প্ৰকৃতিৰ ৰাণী বুলি কোৱা য়। বসন্ত ৰজা আৰু বহাগী ৰাণীৰ যি মিলনতে যেন বসন্ত উৎসৱ বা বহাগ বিহু।

চ'ত মাহ আৰু বহাগ মাহৰ শেষ পৰ্যায়লৈকে বসন্ত ঋতু বুলি ধৰা হয়। এই ঋতুতে শান্ত মলয়া বতাহ বলিবলৈ আৰম্ভ কৰে। আনফালে বৰদৈচিলাৰ দৰে ধ্বংসৰূপী বতাহৰো আগমন হয়। বসন্তৰ আগমনতে গছত ফুল ফুলে, বতাহ বলে, ছত ওলায় কুঁহিপাত, এনেকৈয়ে জাতিস্কাৰ হৈ পৰে প্ৰকৃতি। ই সময়তে প্ৰকৃতি ব্যস্ত হৈ পৰাত কুলি-কেতেকীৰ সুললিত ণ্ঠ শুনিবলৈ পোৱা যায়। কাঞ্চন, মদাৰ, শিমলু, পলাশ, নাহৰ, গৰ, কপৌ আদি বিভিন্ন প্ৰজাতিৰ ফুল ফুলি প্ৰকৃতি শোভিত ৰে। এই সময়ছোৱাত আমাৰ ৰাজ্যত বহাগ বিহু বা ৰঙালী হু পালিত হয়।

বসন্ত ঋতুৰ সময়ত অনুষ্ঠিত হোৱা কিছু উৎসৱ ঃ-

কুৱা ঃ- হিন্দু ধৰ্মৰ প্ৰতিজন মানুহৰ বাবে এই ফাকুৱা উৎসৱ তি প্ৰাচীন আৰু আনন্দদায়ক। হিন্দুৰ উপাস্য দেৱতা ভগৱান কৃষ্ণ আৰু ভক্তসকলক লৈ পালিত এই উৎসৱ। ফাকুৱা ৎসৱক কোনো কোনো ঠাইত হোলী উৎসৱ নামেৰেও জনা য়।

সন্তী পূজা ঃ- বসন্ত কালৰ চ'ত মাহৰ শুক্ল পক্ষত এই বাসন্তী জা অনুষ্ঠিত হয়। বাসন্তী পূজাও এক প্ৰকাৰ দুৰ্গা পূজা বুলি ব পাৰি। চ'ত মাহৰ শুক্ল পক্ষৰ ষষ্ঠীৰ দিনৰ পৰা আৰম্ভ কৰি দশমীৰ দিনালৈকে এই পূজা পালন কৰা হয়। কথিত আছে যে অযোধ্যাৰ ৰজা দশৰথৰ জেষ্ঠ্য পুত্ৰ ৰজা ৰামচন্দ্ৰই লংকাৰ ৰজা ৰাৱণৰ হাতত তেওঁৰ পত্নী সীতা বন্দী হৈ থকা সময়ত ৰামচন্দ্ৰই ৰাৱণক বধ কৰাৰ আগ মূহুৰ্তত নদীৰ পাৰত দেৱী দুৰ্গাক আৱাহন কৰিছিল। ৰামৰ আৰাধনাত সন্তুষ্ট হৈ দেৱী দুৰ্গাই দেখা দিছিল। বসন্ত কালত হোৱা বাবে এই দুৰ্গা পূজাক বাসন্তী পূজা ৰূপে জনা যায়।

বহাগ বিহু ঃ- অসম তথা অসমীয়াৰ জাতীয় উৎসৱ - বিহু। বসন্ত ঋতুৰ আগমনতে বহাগ বিহুৰ আভাস পোৱা যায়। কৃষি প্ৰধান ৰাজ্যবোৰৰ লগত এই বহাগ বিহুৰ গভীৰ সম্বন্ধ আছে। এই বিহু একাধাৰে সাত দিনলৈ পালিত হয় বাবে ইয়াক সাত বিহু বুলিও ক'ব পাৰি। চ'ত মাহৰ সংক্ৰান্তিৰ দিনৰ পৰা বহাগ মাহৰ প্ৰথম ছয় দিনলৈ এই বহাগ বিহু পালন কৰা হয়। বহাগ বিহুৰ সাতদিনৰ সাতটা নাম ক্ৰমে - গৰু বিহু, মানুহ বিহু, গোঁসাই বিহু, চেনেহী বিহু, মাইকী বিহু, ৰঙালী বিহু আৰু শেষৰ ছয় তাৰিখটোত চেৰা বিহুৰে বহাগ বিহুৰ সামৰণী ঘটে। বৰ্তমান সময়ত বহাগ মাহৰ প্ৰতিটো দিনতে বিহু পালিত হয়।

ইষ্টাৰ ঃ- ইষ্টাৰ দিৱস খ্ৰীষ্টান ধৰ্মৰ লোকসকলে বসন্ত কালতে পালন কৰে।

আলি আঃ য়েঃ লৃগাং ঃ- অসমৰ জনজাতীয় জনগোষ্ঠী মিচিং লোকসকলে বসন্ত ঋতুৰ সময়তে আলি আঃ য়েঃ লৃগাং উৎসৱ পালন কৰে। প্ৰতি বছৰে ফাগুন মাহৰ প্ৰথম বুধবাৰৰ দিনটোত এই উৎসৱ পালন কৰা হয়। এই উৎসৱ শস্য সিঁচাৰ আৰম্ভণিৰ উৎসৱ বুলিও কোৱা হয়।

এই বসন্ত ঋতুৰ আগমনত প্ৰতিটো মূহুৰ্তই উৎসৱৰ অফুৰন্ত আনন্দ কঢ়িয়াই আনে। বসন্তৰ আগমনত ভাঁহি আনন্দ। এই আনন্দ যুগমীয়া হওক তাকে কামনা কৰিলোঁ।

---

*অবিনাশ শীল।*

ভ্ৰাম্যভাষ — ৮৭২১৮৩৬৪৩৫

# বহাগ বিহুৰ অংগৰাগ – কপৌফুল আৰু জেতুকা

*কণিকা বৰকাকতি চৰকাৰ*

কপৌ পাহি তোৰে খোপাত
ইমান ধুনীয়া দেখি
জেতুকাৰ বোল তোৰে হাতত
ইমান ধুনীয়া দেখি চেনাই
ও মইহে বুজি পাওঁ
তৌলৈ বাৰে বাৰে চাওঁ ......।

সঁচাকৈয়ে ঈশ্বৰৰ যে কি অপূৰ্ব সৃষ্টি, কিযে সাজোনমতী এই প্ৰকৃতি। প্ৰকৃতিলৈ বসন্ত নামি অহাৰ লগে লগে চৌদিশ হেন্দোলিত কৰি তোলে নতুন সৃষ্টিৰ মাদকতা পূৰ্ণ প্ৰাচুৰ্যৰে ভৰা হেঁপাহৰ তৰংগই। বসন্ত ঋতুতে ডাৱৰৰ দেশত লুকাই থকা বৰষুণ জাকক হাত বাউলী মাতে বহাগীয়ে। বহাগীৰ নিমন্ত্ৰণতে বৰষুণ জাকে ধুৱাই তোলে প্ৰকৃতি ৰাণীক। সজাই তোলে নতুনৰ সৃষ্টিৰ বাবে। এই নান্দনিক পৰিৱেশতে প্ৰকৃতিত ফুলি উঠে নাহৰ, তগৰ, কেতেকী, কপৌ আদি বিভিন্ন ফুল।

কপৌফুল বুলিলে মনলৈ আহে এক মিঠা মিঠা শিহঁৰণ। কপৌৰ পাহে পাহে যেন লুকা-ভাকু খেলে বগা আৰু বেঙুনীয়া ৰঙে। য'ত নাই কেনো ৰঙৰ তীব্ৰতা, নাই উন্মাদনা, নাই চঞ্চলতা, নাই কোনো উগ্ৰতা; আছে মাথোঁ কোমল, গভীৰ, সমাহিত প্ৰেমৰ বতৰা। এধানি এধানি অজস্ৰ পাপৰিৰ আখৰেৰে যেন লেখা আছে ময়ে বসন্ত, ময়ে বসন্ত, ময়ে বসন্ত। ৰঙীন ঋতুৰ জীৱন্ত প্ৰতিশ্ৰুতি এই ফুলপাহত সংপৃক্ত হৈ আছে বাপতি সাহোন ৰঙালী বিহুটিৰ অনেক মিঠা স্মৃতি।

সৌন্দৰ্য্য চৰ্চা হ'ল মানুহৰ সহজাত প্ৰবৃত্তি। পৃথিৱীৰ প্ৰতিগৰাকী মানুহে নিজকে আনতকৈ ধুনীয়া দেখাওক বুলি মনে মনে এটি ধাৰণা পুহি ৰাখে। প্ৰকৃতিৰ জীৱজগত জড়জগতত দেখা পোৱা বাৰেৰহনীয়া ৰঙৰ মেলা আৰু সেই ৰঙেৰে নিজকে ধুনীয়া কৰি তোলাৰ গোপন বাসনা ফাগুনেই জগাই তোলে প্ৰতি গৰাকী যৌৱন প্ৰাপ্ত ডেকা-গাভৰুৰ প্ৰাণত।

প্ৰাচীন ভাৰতত অংগ সজ্জাক এক সুক্ষ্ম কলা বুলি বিবেচনা কৰা হৈছিল। বাৎসায়নে তেখেতৰ কামসূত্ৰ গ্ৰন্থতো বিভিন্ন পদ্ধতিৰে কেনেকৈ দেহ সজ্জা কৰিব পাৰি তাৰ কৌশল লিপিবদ্ধ কৰি থৈ গৈছে। বিভিন্ন অলংকাৰেৰে নিজকে সজোৱাৰ উপৰিও টেটুইঙৰ জড়িয়তে সমগ্ৰ দেহত ছবি আঁকি নিজকে ধুনীয়া কৰি সজোৱাৰ আদিম বাসনা আদিম সমাজখনতো পোৱা যায়। এই ক্ষেত্ৰত প্ৰকৃতিৰ গছ, পাত, ফুল আদিৰেও নিজকে সজাই তোলাত ব্যস্ত হৈ পৰিছিল প্ৰাচীন মানৱ। সেইবোৰৰ ভিতৰত জেতুকা আৰু কপৌফুলো আছিল অন্যতম।

বহাগ বিহুৰ বতৰত বিভিন্ন ফুলৰ ভিতৰত কপৌ প নাচনীৰ অন্তৰত এক সুকীয়া আসন গ্ৰহণ কৰি আছে। অস প্ৰকৃতিৰ কোলাত বিভিন্ন গাওঁ-ভুঁইৰ হাবি বননিৰ গছৰ ডা আলফুলে আলাসতে কপৌ ফুলপাহ ফুলি থাকে। কপৌ আৰু জেতুকা অবিহনে যেন আমাৰ বিহুটি আধৰুৱা হৈ ৰ বসন্ত উৎসৱ ৰঙালী বিহুৰ অন্যতম বিহু নাচত কপৌ অপৰিহাৰ্য্য। বহাগৰ মন ৰাইজাই কৰা বতৰত নাচনীয়ে দীঘল খোপা বান্ধি বাটচাই ৰয় চেনাইৰ কপৌ ফুললৈ। ক কপৌফুলৰ বাহিৰে আন কোনো ফুলৰ নাই আলফুলীয়া ব কপৌফুল খোপাত গুজিবলৈ নাপালে নাচনীয়ে ঠেহ পা তাকে বিহু গীতত গাইছে–

"পাহাৰে ভৈয়ামে ঘূৰিছো ফুৰিছো
কপৌফুল এপাহিৰ বাবে
কপৌফুল নাপালে বিহুকে নানাচে
প্ৰতিজ্ঞা কৰিছে ধনে।"

কপৌফুলৰ মাজতে নিহিত হৈ আছে নাচনীৰ মনৰ আশা

"চেনাই তই আনিবি কপৌফুল এপাহি
খোপাত গুজি ল'ম মই
আঁহতৰ তলতে মই হ'ম নাচনী
ঢুলীয়া হবি গৈ তই।"

বৈদিক যুগৰ পৰাই বিভিন্ন পূজা পাতলৰ ল প্ৰসাধন সামগ্ৰীৰ উপৰিও বনৌষধি হিচাপেও এইফুল পাহ ব হৈ আছে। আজিৰ বিশ্বায়নৰ যুগতো কপৌফুলৰ চাহিদা নাই। ই অসমীয়াৰ চেনেহৰ প্ৰতীক, প্ৰণয়ৰ প্ৰতীক। অস সমাজ সংস্কৃতি আৰু পৰম্পৰাৰ লগত জড়িত কপৌ অতীতৰ পথাৰৰ বিহুৰ পৰা বৰ্তমানৰ মঞ্চ বিহুলৈকে এ পাহৰ আদৰৰ অকনো হীন দেৰী হোৱা নাই।

জেতুকা এনে এবিধ উদ্ভিদ যাক চিনি নোপোৱা বোধকৰোঁ অসমত নাই। খ্ৰীষ্টপূৰ্ব প্ৰায় দুহেজাৰ বছৰৰ পৰাই পৃথিৱীৰ বিভিন্ন অঞ্চলত বিভিন্ন সাংস্কৃতিক সাম গছ হিচাপে জেতুকাৰ ব্যৱহাৰ হৈ আহিছে। জেতুকাই ম দেহমন পুলকিত কৰি আনন্দ আৰু সৌন্দৰ্য বৰ্দ্ধন কৰি আ বহাগ বিহুত নাচনীৰ হাতত জেতুকাৰ বোল নহ'লে ন সৌন্দৰ্যই ফুটি নুঠে। জেতুকা হৈছে নাৰী মনৰ সেন্দুৰীয়া স বহাগ বিহুত নাচনীৰ হাতত জেতুকাৰ বোল নহ'লে সৌ ফুটি নুঠে।

"জেতুকা জেতুকা দুহাতত জেতুকা
পমোৱা তুলা যেন মন

## ৰঙালী বিহুৰ তাৎপৰ্য্য

*দয়াল পাল।*

বিহু অসমৰ জাতীয় উৎসৱ। বিহু তিনি প্ৰকাৰৰ - ৰঙালী বিহু বা বহাগ বিহু, ভোগালী বিহু আৰু কঙালী বিহু। এই তিনি প্ৰকাৰ বিহুৰ মাজত ৰঙালী বিহু আটাইতকৈ শ্ৰেষ্ঠ বিহু। এই ৰঙালী বিহু ঠাই বিশেষে সাতদিনীয়াকৈ উদযাপন কৰা হয়। ৰঙালী বিহু বহাগ বিহু হিচাপেও পৰিচিত। বহাগ বিহু বা সাত বিহুক বিভিন্ন জনে বিভিন্ন ভাৱে নিম্নলিখিত ভাৱে নামাকৰণ কৰিছে -

গৰু বিহু, মানুহ বিহু, গোঁসাই বিহু, তাতৰ বিহু, ফাট বিহু, জেং বিহু, মুকলি বিহু।

চ'ত মাহৰ সংক্ৰান্তিৰ দিনা অসমত গৰু বিহু পালন কৰা হয়। গৰু বিহুৰ দিনা ৰাতিপুৱা লাউ, বেঙেনা, হালধী, তিতা কেৰেলা আদিৰে চাক বনাই মাহ হালধী সানি গৰুক গা ধুওৱা হয় আৰু নতুন পঘাৰে বন্ধা হয়। তাৰ পিছত গৰুক পিঠাগুৰি আৰু মিঠাই খুওৱা হয়।

অসমৰ সংস্কৃতি প্ৰধানকৈ কৃষিমুখী গ্ৰাম্য সংস্কৃতি। লোক বিশ্বাস অনুসৰি অসমীয়া মানুহে খেতি আৰম্ভ কৰাৰ পূৰ্বে পৃথিৱীক উৰ্বৰা কৰাৰ কাৰণে বিহুত নাচে, গীত গায়। অসমীয়া মানুহৰ বিশ্বাস ঢোলৰ মাতত বৰষুণ আহে, নাচনীৰ ভৰিৰ ধোপধোপনীত পৃথিৱী উৰ্বৰা হয়।

এই উৎসৱ বেলেগ বেলেগ নামত মিথিলা, পশ্চিমবঙ্গ, মণিপুৰ, নেপাল, উৰিষ্যা, পাঞ্জাৱ, কেৰেলা, তামিলনাডু আদি ৰাজ্যতো পালন কৰা হয়।

আধুনিকতাৰ পৰশত বিহুৰ স্বকীয়তা বহু পৰিমাণে ম্লান হৈ পৰিছে। বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠানে লাখ লাখ টকা খৰচ কৰি তেওঁলোকৰ উৎপাদিত সামগ্ৰী বিক্ৰী কৰাৰ মাধ্যম হিচাপে বিহুক ব্যৱহাৰ কৰাৰ ফলত বিহুৰ স্বকীয়তা ম্লান হোৱা যেন লাগে। বাদ্য যন্ত্ৰৰ ক্ষেত্ৰতো পশ্চিমীয়া প্ৰভাৱ পৰিছে। থলুৱা বাদ্য যন্ত্ৰ যেনে ঢোল, পেঁপা, শিঙ্গাৰ, বাঁহীৰ ঠাইত পশ্চিমীয়া বাদযন্ত্ৰ প্ৰৱেশ কৰিছে। অৱশ্যে কিছুমান সংগঠনে বিহুৰ ঐতিহ্য ৰক্ষাৰ হকেও চেষ্টা কৰিছে। "বিহু সুৰক্ষা সমিতি"ও গঠন কৰিছে। বিহুৰ নিজস্ব বৈশিষ্ট্য অটুট ৰাখিবলৈ আমি সকলোৰে যত্নপৰ হ'ব লাগিব।

------

লেখকৰ ভ্ৰাম্যভাষ - ৯৯৫৪০০৮০২৯

## কপৌফুল আৰু জেতুকা


হিয়াৰে দলিচা মৰমৰ গামোচা
দুগালত নধৰে ৰং।"

মত জেতুকা পিন্ধাৰ ৰীতি কিমান পুৰণি তাক বিহুগীতত শুনিবলৈ পাওঁ -

"হাতৰ আঙুলি কিনো চাইয়ে যাবা
জিলিকে জেতুকাৰ বোল
আহাচোন নাচনী ওচৰ চাপি চাপি
নাযায় জাতি কূল।"

মীয়া গাভৰু নাচনীজনীয়ে খোপাত কপৌফুল দুহাতত তুকাৰ বোল আৰু ওঁঠত বৰ্হমথুৰি লগাই বিহু নাচিবলৈ অহা া বিহু গীতত এনেদৰে পোৱা যায় -

"জেতুকা ৰঙেৰে দুটি হাত বোলালে
ওঁঠত বৰ্হমথুৰিৰ বোল
টাকুৰী ঘূৰাদি নাচনী ঘূৰিলে
বৈ গ'ল কেঁচা ঘামৰ জোল।"



জেতুকা আৰু বৰ্হমথুৰিৰে নাচনীৰ ৰূপৰ কিযে মনোৰম বৰ্ণনা। ৰঙালী বিহুত জেতুকা অসমীয়া জীয়ৰী বোৱাৰীৰ এক উল্লেখ যোগ্য অংগৰাগ। লোকগীত সমূহত "জেতুকা" উজ্জ্বল হৈ নাথাকিলেও বহাগৰ বতৰত অসমৰ জীয়ৰী বোৱাৰীৰ মন জেতুকাই ৰঙীন কৰি ৰাখে।

অংগ সজ্জাৰ লগতে বিভিন্ন ৰোগ প্ৰতিৰোধক বনৌষধি হিচাপে জেতুকা ব্যৱহৃত হৈ আহিছে। অসমীয়া সমাজ সংস্কৃতি পৰম্পৰাৰ লগত জড়িত কপৌফুল আৰু জেতুকা অসমীয়াৰ প্ৰাণৰ আপোন। ইয়াক উপযুক্ত ৰক্ষণাবেক্ষণ কৰিলে প্ৰদূষণ ৰোধৰ লগতে পৰিৱেশ সংৰক্ষণত যথেষ্ট সহায় হ'ব।

------

সহায়ক গ্ৰন্থ ঃ- অসমৰ লোক সংস্কৃতি - নিৰ্মল প্ৰভা বৰদলৈ।

সমাজ শিল্পী

# জ্যোতি প্ৰসাদ আৰু প্ৰমথেশ বৰুৱা



*প্ৰণতি দাস*

অসমৰ দুগৰাকী প্ৰতিভাৱান শিল্পী জ্যোতিপ্ৰসাদ আগৰৱালা আৰু আন গৰাকী হ'ল প্ৰমথেশ বৰুৱা। ভাবিলে আচৰিত লাগে যে অসমৰ দুটা উজ্জ্বল নক্ষত্ৰৰ একে চনতে জন্ম, একে চনতে মৃত্যু হৈছিল। এগৰাকী উজনিৰ তামোলবাৰী চাহ বাগিচা তেজপুৰত; আন গৰাকী নামনিৰ গৌৰীপুৰত। "তেজপুৰ আৰু গৌৰীপুৰ"ৰ মণিকাঞ্চন সংযোগ।

জ্যোতিপ্ৰসাদ উপজিছিল ১৯০৩ চনৰ ১৭জুনত। তেওঁৰ দেহাৱসান হৈছিল ১৯৫১চনৰ ১৭জানুৱাৰীত। আৰু প্ৰমথেশ উপজিছিল ১৯০৩ চনৰ ১০ অক্টোবৰত, মৃত্যু হৈছিল ১৯৫১চনৰ ২৯নবেম্বৰত। অসমত তেওঁৰ জন্মস্থল গৌৰীপুৰত তেওঁৰ নামত এটা 'পথ' উচৰ্গিত হৈছে। ১৯৬৪ চনত প্ৰমথেশ বৰুৱা কলেজ স্থাপিত হৈছে। গুৱাহাটীৰ চৰকাৰী জ্যোতিচিত্ৰবন প্ৰকল্পতো তেওঁৰ নামেৰে এটা ভৱন নিৰ্মিত হৈছে। দেশৰ স্বাধীনতা সংগ্ৰামৰ শেষৰ কালছোৱাত জন্মগ্ৰহণ কৰা দুয়োজন শিল্পীৰ মনত বিদেশী শাসনৰ প্ৰতি বিতৃষ্ণা আৰু শোষিত জনসাধাৰণৰ প্ৰতি সহানুভূতি উদ্ৰেক হোৱাটো স্বাভৱিক আছিল। ৰূপৰ চামুচ ওঁঠত লৈ উভয়ে জন্ম গ্ৰহণ কৰিছিল; অথচ যেন ইচ্ছাকৃত ভাৱে কৃষ্টি সাধনাৰে সিদ্ধিৰ পথ বিচাৰি হাবাথুৰি খাইছিল। দেশ স্বাধীন হোৱাৰ পিছতো ইচ্ছা কৰিলেই ৰাজনৈতিক ক্ষমতাৰ আসন ল'ব পৰা সুযোগ দুয়োগৰাকী শিল্পীয়ে হেলাৰঙে ত্যাগ কৰিছিল। দুয়ো আছিল মূলতঃ মানৱ প্ৰেমী। ৰাজনৈতিক স্বাধীনতা লাভৰ পিছতো দেশত দুখ-দৰিদ্ৰ-ৰোগ-শোষণ-দমন চলি থকাৰ বিপৰীতে ৰুগ্ন দেহেৰেও জ্যোতিপ্ৰসাদে শেষলৈকে জনমুখী সংগ্ৰামতহে লিপ্ত হৈ আছিল। আনহাতে প্ৰমথেশে চলচিত্ৰ জগতত বহুদিনলৈ লাগি থাকি বাংলা ভাষাৰ তথা ভাৰতীয় কথাছবিৰ সামগ্ৰিক উত্তৰণত বৰঙণি যোগাবলৈ আৰ্থিক দিশৰে পোৱা সহায়-সহযোগৰ তুলনাত জ্যোতিপ্ৰসাদে অসমত তেনে সুবিধা পোৱা নাছিল। সেয়ে দুয়োগৰাকী প্ৰতিভাৱান আৰু মানসিকভাৱে সমধৰ্মী চিন্তাপুষ্ট ব্যক্তিয়ে তেওঁলোকৰ অমূল্য বৰঙণি নিজ নিজ বৃত্তৰ বন্দীশালত থাকিও দেশ তথা দেশবাসীলৈ দান কৰি গ'ল।

জ্যোতিপ্ৰসাদৰ 'জয়মতী' অসমীয়া নাৰীৰ দেশ
সহিষ্ণুতা আৰু ত্যাগৰ অপূৰ্ব নিদৰ্শন। দেশৰ দুৰ্দিনত অত্যাচা
অপশাসন-দমন শেষ কৰাৰ অৰ্থে আত্মত্যাগেৰে স্বামী গদাপা
দুষ্কৃতি নাশৰ অৰ্থে জীয়াই ৰখাৰ দৃঢ় সিদ্ধান্তই জয়মতী চৰিত্ৰ
সমগ্ৰ নাৰী সমাজতে মহীয়ান কৰি তুলিছে। সেই দি
জ্যোতিপ্ৰসাদৰ সাংস্কৃতিক বিপ্লৱৰ আদৰ্শৰ ধ্বজা বহন ক

প্ৰমথেশৰ নাৰী চৰিত্ৰবোৰ সাধাৰণতে সম
নিষ্পেষণৰ নীৰৱ সাক্ষী। শাপ মুক্তিৰ গীত এটিত আ
"বাংলাৰ বধূ, বুকে তাৰ মধু, নয়নে নীৰৱ ভাষা"। বহুত কথ
বৰুৱাই সফলতাৰে চিত্ৰায়িত কৰিছে। মাত্ৰ 'মুক্তি' কথাছ
নাৰীমুক্তিৰ সমৰ্থনৰ কথা আছে যদিও, সেয়া অন্য এক ট্ৰে
বাৰ্তাবাহক ৰূপে অংকিত হৈছে। তথাপি কুসংস্কাৰ আৰু মা
বিৰোধী দৃষ্টিভংগীৰ বিৰুদ্ধে কেবাখনো ছবিত প্ৰতিবাদৰ
আছে।

জ্যোতিপ্ৰসাদে "গাঁৱৰ ল'ৰা গাঁৱে গাঁৱে বন্তি
যাওঁ" বুলি দিয়া আহ্বানেৰে অসমৰ জনজীৱনত গাওঁ অ
ডেকা-গাভৰুসকলক সমাজৰ উনন্নয়নৰ বাবে কাম কৰি
উদ্‌গনি জনাইছিল। আমনহাতে প্ৰমথেশেও গৌৰীপুৰ আ
স্থানীয় ডেকা-গাভৰু সকলক সমাজ সেৱাত উদ্বুদ্ধ কৰি

জ্যোতিপ্ৰসাদে অসমৰ থলুৱা গীত-মাতৰ
নাট্যাভিনয়ৰ প্ৰতি আকৃষ্ট হৈছিল। 'শোণিত কুঁৱৰী'ৰে
কৰি তেওঁ 'লভিতা', 'কাৰেঙৰ লিগিৰী', 'ৰূপালীম'
কালজয়ী নাটক লিখিছে। তেজপুৰৰ বান ৰঙ্গমঞ্চতো এ
তেওঁ বিশেষভাৱে জড়িত হৈছিল। আনহাতে প্ৰম
কলিকতাৰ বাংলা থিয়েটাৰৰ আৰ্হিত গৌৰীপুৰত নাট্য নি
আগভাগ লৈছিল।

এনেদৰে বিভিন্ন কলা মাধ্যমৰ লগত দুয়ো
থাকিলেও, জ্যোতিপ্ৰসাদে অসমভূমিতে অসমীয়া ভাষা-স
সংস্কৃতিৰ লগতে সমাজৰ দলিত শোষিত সকলৰ উন্নয়নৰ
ব্ৰতী হৈ এক বহুমুখী ব্যক্তিত্বৰ চানেকি থৈ গ'ল।
ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ সেই দৃষ্টিৰে অসম তথা অ
জাতিসত্ত্বাৰ বাবে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীশ্ৰী মাধ
আদৰ্শৰে উদ্বুদ্ধ এক অমৰ প্ৰতিভা। সেয়েহে জ্যোতিপ্ৰ
নমস্য, চিৰ নমস্য তোমাৰ সত্ত্বা, চিৰ নমস্য তোমাৰ দে
চিৰ নমস্য তোমাৰ ত্যাগ, চিৰ নমস্য তোমৰ গীত-সুৰ-স
মাতৃ পূজাৰ বেদীত তোমাৰ অৱদান হওক জাউতিযুগীয়
কম বয়সতেই ১৯৫১ চনৰ ১৭ জানুৱাৰীত কৰ্কট ৰোগত
সম্বৰণ কৰে তেওঁ। শেষ হ'ল এক অধ্যায়ৰ। শেষ হ'ল
স্বাধীনতা আন্দোলনৰ এক জাগ্ৰত প্ৰহৰীৰ, শেষ হ'ল স্বা

ন্দোলনৰ এক বলিষ্ঠ কাণ্ডাৰীৰ জীৱন। কিন্তু সৃষ্টি কৰি থৈ ৱা তেওঁৰ সুৰ সংগীতে আজিও প্ৰতিটো বিপ্লৱৰ যেন এক ক্তিশালী অস্ত্ৰ হৈ ৰ'ল। আলোকৰ যাত্ৰীৰ অনুপ্ৰেৰণাৰ, বিপ্লৱৰ, বিপ্লৱৰ মহা অস্ত্ৰ।

"আহ আহ ওলাই আহ
সজাগ জনতা
হ আহ ওলাই আহ
পোহৰ আনোতা।"

আনহাতে ভাৰতীয় চলচিত্ৰ জগতত অবিস্মৰণীয় দান যোগাই যোৱা অসমৰ সুসন্তান প্ৰমথেশ বৰুৱাও অসম তথা অসমীয়াৰ বাবে কলা জগতত এক চিৰস্মৰণীয় ব্যক্তি। দুয়োগৰাকীৰ স্মৃতি যুগমীয়া কৰাৰ লগতে তেওঁলোকৰ সৃষ্টিধৰ্মী পদাংক অনুসৰণ কৰাৰ প্ৰয়াস অসমবাসীৰ বাবে আৱশ্যক। বিশেষকৈ সাংস্কৃতিক দিশত অসমৰ বৰ্তমানৰ অৱক্ষয়ৰোধ কৰাৰ অৰ্থে এই সকল বৰেণ্য ব্যক্তিৰ স্মৃতি উজ্জীৱিত কৰা উচিত। সংস্কৃতিৰে সংস্কৃতিৰ কোনদিন সংঘাত নহয়। সংঘাত হয় দুষ্কৃতিৰ লগতহে। এই সংঘাতৰো যে আৱশ্যক আছে এই কথাও আজি আমি উপলব্ধি কৰাৰ আৱশ্যক হৈছে।

এই দুই গৰাকী নমস্য ব্যক্তিক অসমৰ ৰাইজে কোনো দিন পাহৰিব নোৱাৰে।

---


াইজলৈ নতুন বছৰৰ শুভেচ্ছাৰে -

# পূৰ্বাচল লাইব্ৰেৰী


বিলাসীপাৰা, জিলা - ধুবুৰী

প্ৰোঃ দীপাংকৰ দাস

মোঃ ৯৪৩৫২৮৯৭৩৫

স্কুল-কলেজ তথা অফিচৰ যাবতীয় সামগ্ৰীৰ নিৰ্ভৰযোগ্য প্ৰতিষ্ঠান।



গল্প

# ফুলবানু



*আলতাপ হুচেইন আহমেদ*

ধুমুহা, বৰষুণ, বজ্ৰপাতত বাৰুকৈয়ে ব্যতিব্যস্ত নিশাটিক খেদি দুৰন্ত প্ৰেমিকৰ দৰে এক অবুজ হাবিয়াস লৈ সুৰুযে ঢাপলি মেলিছে ফুলবানুৰ ওচৰলৈ। টোপনিৰ মায়াজালত বিভোৰ ফুলবানুৰ গাল, মুখ, সুগঢ়ি বক্ষযুগল, উন্মুক্ত কলাফুলেই নহয়, সৰ্বত্ৰে বিচৰণ কৰিছে পুৱাৰ কিৰণে। সৰ্বদা পৰ্দাৰ আঁৰত থকা ফুলবানুক এনে এক অৱস্থাত হেঁপাহ পলুৱাই চাবলৈ হাজাৰজন পুৰুষৰ দৰে আন্ধাৰ আৰু পোহৰৰ মাজতো চলে এখন অঘোষিত যুঁজ।

ইকৰাৰ বেৰৰ ফাঁকে ফাঁকে অহা সূৰ্যৰ স্পৰ্শত ফুলবানু এডাল মায়াবী শঙ্খচূৰ সাপত পৰিণত হৈছে। বগা-হালধীয়া আঁক থকা শঙ্খচূৰৰ দৰে মায়াবী, সমুদ্ৰৰ দৰে গভীৰ, চন্দ্ৰৰ দৰে শীতল, ফুলৰ দৰে কোমল, শিলৰ দৰে কঠিনতাৰে গঢ়া ফুলবানু এইখিনি সময়ত সাধাৰণতে টোপনিত নাথাকে। বেলি উঠাৰ পূৰ্বেই শোৱাপাটি এৰি ফজৰৰ নামাজ আদায় কৰা ফুলবানু আজি বেলি উঠাৰ পাছতো টোপনিৰ মায়াজালত আচ্ছন্ন হৈ আছে। ধুমুহা, শিলাবৃষ্টি, বজ্ৰপাতেৰে পাৰ হৈ যোৱা নিশাটি জাগি আছিল ফুলবানু। আহাৰ মহীয়া উৎকট গৰমৰ মাজত বৰ্ষণমুখৰ শীতল নিশাটিতো টোপনি যাব পৰা নাছিল। খেৰ-ইকৰাৰে সজা ফুলবানুহঁতৰ ঘৰবোৰ এনে নিশাত বাতানুকূল ঘৰ হৈ পৰে। অৱশ্যে মৰুভূমি সদৃশ চ'ৰভূমিত দিনৰ দিনটো কাম কৰাৰ পিছত টোপনি যাবলৈ বাতানুকূল ঘৰ, আৰামী বিচনাৰ প্ৰয়োজন নহয় ফুলবানুহঁতক। কিন্তু পাৰ হৈ যোৱা নিশাটি উজাগৰে পাৰ হৈছে ফুলবানুৰ। পেট খালী থাকিলে টোপনিয়েও প্ৰতাৰণা কৰে। পিছে, সেইবাবে ফুলবানুৰ টোপনি ক্ষতি হোৱা নাছিল। এনে বহু অনাহাৰী নিশা গচকি আহিছে ফুলবানুয়ে। এগিলাচ পানী খাই শোৱাপাটিত যোৱাৰ পাছতে টোপনি গৈছিল তাই। বিশেষকৈ দেশত ক'ৰণা নামৰ বেমাৰবিধ অহাৰ পিছত হাট-বজাৰ সকলো বন্ধ হৈ পৰাৰে পৰা বহু নিশা অনাহাৰে পাৰ কৰিছে ফুলবানুয়ে। লঘোণে থকাটো এতিয়া অভ্যাসত পৰিণত হৈছে। লঘোণে থকাটোৰে যদি 'ৰোজা' হয়, তেন্তে ফুলবানুয়ে তেনে 'ৰোজা' ৰাখিছে বহুদিন, বহুৰাতি। লঘোণে থকা দিনবোৰক লৈ ফুলবানুৱে এতিয়া তেনেকৈয়ে চিন্তা কৰে। এদিন নিশ্চয় ভাল সময় আহিব। নিজৰ লগতে সন্তান দুটিয়েও ভালকৈ খাব পাৰিব তেতিয়া। তেনে এটি দিনৰ সপোন বুকুতলৈয়ে কেৰেলালৈ ঢাপলি মে[illegible] ময়েজউদ্দিনে। স্বামী ময়েজক বহিঃৰাজ্যলৈ কামৰ সন্ধ[illegible] যোৱাৰ ক্ষেত্ৰত ফুলবানুয়ে বাধা দিছিল যদিও তেওঁলে[illegible] অপৰিৱৰ্তিত অৱস্থালৈ চাই যাবলৈ বাধ্য হৈছিল। গাঁৱৰ [illegible] কেইজনমানে কেৰেলালৈ গৈ ভাল আয় কৰিছিল। কেৰে[illegible] দিন হাজিৰা আঠ-নশ টকা। ইয়াত মাত্ৰ দুশ পঞ্চাশ [illegible] নিয়মীয়াকৈ কামো পোৱা নাযায়। লোকৰ খেতি পথাৰ, ঘ[illegible] কাম-কাজ ফুলবানুয়েও কৰি আহিছে। তথাপি অভাৱে পিছ[illegible] নাই ফুলবানুহঁতৰ। পাঁচ বছৰীয়া কন্যা শিশুটিৰ জন্মৰ পি[illegible] পৰা বিভিন্ন বেমাৰে লগ নেৰা হৈছে। এবাৰতো অক[illegible] ছোৱালীটিৰ অৱস্থা বেয়া হৈ গৈছিল। জ্বৰ আৰু শ্বাস [illegible] ভোগা ছোৱালীজনীক তিনিখনকৈ নৈ পাৰ হৈ চ[illegible] চিকিৎসালয়লৈ লৈ যোৱা পথতে অচেতন হৈ পৰিছিল। চ[illegible] চিকিৎসালয়খনত চাৰিদিন থকাৰ পিছত সুস্থ হৈছিল ক[illegible] মাজেদা। চিৰাচৰিত অভাৱ-অনাটনৰ মাজেৰে চলিছিল ফু[illegible] ময়েজহঁতৰ চাৰিজনীয়া পৰিয়াল। একে গাঁৱৰ ফৰিজ[illegible] কেৰেলালৈ গৈ কেইমাহমান থাকি বহু টকা অনাৰ [illegible] ময়েজউদ্দিনক কেৰেলালৈ যোৱাত উদ্বুদ্ধ কৰিছিল। নানা[illegible] দাঙি ধৰিছিল ফুলবানুৰ সন্মুখত। ইয়াত থাকি নাখাই ম[illegible] বাহিৰলৈ গৈ দুপইচা অৰ্জাৰ সৰল যুক্তিত পৰাজিত [illegible] ফুলবানু। ফুলবানুয়ে ভালকৈয়ে উপলব্ধি কৰিছিল ময়েজ[illegible] পৰা বাহিৰলৈ যোৱা মানেই গাঁৱৰ নাৰী মাংস লোভীস[illegible] জিঘাংসা বাঢ়ি যাব। আঠ বছৰীয়া ল'ৰাটো লগত থাকি[illegible] কিহৰ? ময়েজৰ এনে প্ৰশ্নই ফুলবানুক বিচলিত কৰি [illegible] যদিও ইয়াৰ বিপৰীতে সৰল যুক্তি দাঙি ধৰাত ব্যৰ্থ হয়। ফুল[illegible] ভালকৈয়ে জানে, যৌৱনক বুজিব পৰা দিনৰে পৰা কিমা[illegible] কামাৰ্ত চাৱনি, লোলুপ দৃষ্টি, অসৎ ইংগিত, অশ্লীল কথা-[illegible] সন্মুখীন হ'ব লগা হৈছে তাই। চৰৰ মাতব্বৰ, দেৱানী, ম[illegible] পৰা 'নাইটেল' (মাতব্বৰৰ পোহনীয়া গুণ্ডা)-লৈকে কিমা[illegible] যে কিমানভাৱে তাইক সম্ভোগৰ বাবে কুট কৌশল কৰি অ[illegible] অতি দৰিদ্ৰ পৰিয়ালৰ ফুলবানু ৰ'দে-বৰষুণে ডাঙৰ [illegible] নাৰী। চোকা ৰ'দত দিনৰ দিনটো কাম কৰা ফুলবানু[illegible] বৰণ যে কিয় ক'লা নহৈ বগা হ'ল? তাইৰ বৰণ ক'লা [illegible] ভাল আছিল। তেতিয়া হ'লে হয়তো এইসকল পুৰুষৰ [illegible] দৃষ্টিৰ পৰা বাচি থাকিব পাৰিলেহেঁতেন।

ত্ৰিশ বছৰীয়া জীৱন-যৌৱনকলৈ আজি তে[illegible] ভাৱে ফুলবানুয়ে। চৰত বগা ছালৰ নাৰীৰ 'কদৰ' বেছি। [illegible] মানে চাহিদা বেছি। সেয়ে হয়তো বিয়া হৈ যোৱাৰ এ[illegible] পাৰ হৈ যোৱাৰ পিছতো ভেনামাখিৰ দৰে তাইৰ [illegible] আজিও ঘূৰি ফুৰে এজাক নৰ পিশাচ। পথাৰত-বাৰী[illegible]

ই গুণ্ডাবোৰৰ তিঘিলঘিলনি। মূৰ শিতানত বেঁকী দাখন থৈ ইশুই ওৰেটো নিশা সেই কথাবোৰকে পাগুলি আছিল ফুলবানুয়ে। ুহা-বৰষুণৰ নিশা নাৰী-মাংস লোভীৰ বিচৰণ বেছিকৈ হয়। ত্ৰ-কন্যা একেখন বিচনাতে টোপনিত লালকাল হৈ আছে। পুৰি ঘৰটোৰ দুৱাৰখন ভালকৈ বান্ধি থোৱা আছে যদিও দুটা ন গোৰ সোধালেই ভাঙি যাব। তেনেকৈ কোনোবা ঘৰত ামালে ধুমুহা-বজ্ৰপাতৰ মাজত কোনে শুনিব তাইৰ চিঞৰ? ৰাৰ বেৰৰ ফাঁকত যেন নৰখাদকৰ চকু স্থিৰ হৈ আছে। কণমান শব্দ হ'লেই হাতখন নিজে নিজেই দাখনৰ ওচৰলৈ ়। চকু দুটা মেলি পুনৰ মযেজৰ কথাকে ভাৱে। প্ৰায় চাৰি হ'ল যোৱাৰ। তিনিমাহ মান কাম-কাজ কৰি উভতি অহাৰ া আছিল। কিন্তু ক'ৰণাৰ বাবে চৰকাৰে ৰে'ল, বাচ, হাট- াৰ সকলো বন্ধ কৰি দিছে। আহিব খুজিও আহিব পৰা নাই য়জ। প্ৰতিবেশী আব্দুল কাইৰ মোবাইলত মযেজে ফোন ই জনাইছে ঘৰলৈ অহাৰ ৰে'ল কেতিয়া খুলিব তাৰ নিশ্চয়তা । যোৱাৰ সময়ত চাৰিশ ত্ৰিশ টকা তাইৰ হাতত গুজি দিছিল জে। সেইকেইটা টকাৰে কিমান দিন জুৰিব? লোকৰ খেতিত ন নাই এতিয়া। বাৰীখনতে কৰা পাচলিখিনিও হাট-বজাৰ হৈ পৰাত বেচিব পৰা নাই। হাট, দোকান-পাট খোলা থকা স্থাত বাৰীৰ শাক, পথাৰৰ কলমৌ, ঢেঁকীয়া আদি আঠ ীয়া ৰমিজুলৰ হতুৱাই বিক্ৰী কৰি কোনো মতে চলিছিল। া-ঘাট, দোকান-পোহাৰ সকলো বন্ধ হৈ পৰাত সেয়াও বিক্ৰী ব পৰা নাই। গাঁৱৰ একমাত্ৰ এল.পি স্কুলখনৰ হেডমাষ্টৰ কুল ছাৰে দি যোৱা তিনি কিলোগ্ৰাম চাউল, ডাইল, তেল, খ আদি শেষ হোৱাৰ দুদিন পাৰ হৈছে। পৰহি পঞ্চায়তৰ ৰজন আহিছিল, সহায়ৰ বিনিময়ত ফুলবানুৰ যৌৱন বলৈ। কালি আহিছিল মহাজন। ফুলবানুহঁতৰ পেটৰ জ্বালা ানেই বাঢ়িছিল তাতকৈ বাঢ়ি আহিছিল নৰখাদকৰ চলাচল। ফুলবানুৰ দেহ পুৰি ওলোৱা গোন্ধই উন্মাদ কৰি তুলিছিল াৰ, মহাজনহঁতক। কালি মহাজনে যিমান টকা লাগে দি যাব কৈ গৈছিল। লগতে কৈছিল ৰাতি আহিব বুলি। ফুলবানুয়ে গৰে কোৱা নাছিল।

জীৱনটোত সৰ্বদা একেই দৃষ্টি, একেই প্ৰস্তাৱ পাই অহা ানুৰ মাজত মানুহে কি দেখে তাই হয়তো কাহানিও উপলব্ধি নাই। মযেজে তাইক প্ৰাণভৰি ভাল পায়। কেতিয়াবা তাইৰ যৌৱনকলৈ প্ৰসংশা কৰে। তাইৰ দীৰ্ঘ কেশ, পীনোন্নত ুগল, কলাফুল, চকু, গাল সকলোকে লৈ ইমানকৈ প্ৰশংসা যে তাই সকলো দুখ-কষ্ট পাহৰি যায়। ক্ষন্তেকীয়া এই সুখক ৱে বিধ্বস্ত কৰি তোলে। কেতিয়াবা ভাৱে মহাজনৰ টকা টা লোৱাটোৱে হয়তো তাইৰ আৰু সন্তান দুটিৰ বাবে ভাল হ'ব। পিছ মূহুৰ্ততে প্ৰচণ্ড ঘৃণা আৰু ক্ষোভত চৰিয়াবলৈ মন যায়। ক্ষমতাশালী মহাজনে 'ৰাতি আহিম' বুলি কোৱা কথাখিনিয়ে ফুলবানুৰ নিদ্ৰা হৰণ কৰিছে। সঁচাকৈয়ে যদি মহাজন আহে তাই কি কৰিব? মজিয়াত পাৰি লোৱা বিচনাখনত ইকাতি-সিকাতি কৰিয়ে সময়বোৰ পাৰ হৈছে। ল'কডাউনৰ বাবে মযেজ ঘৰলৈ আহিব পৰা নাই। তেওঁ আহিলেই নিশ্চয় অভাৱবোৰ নোহোৱা হ'ব। এটি ক্ষীণ আশা বুকুত লৈ জীয়াই থকাৰ সাহস পাইছে যদিও ৰাতিপুৱালে পোনা দুটিৰ মুখলৈ কি দিব তাৰ চিন্তাই ব্যকুল কৰিছে ফুলবানুক। ইফালে কামুক নিশাচৰৰ আতংক, আনফালে পেটৰ তাড়না।

গাঁৱৰ সকলোৰে মুখে মুখে এতিয়া ক'ৰণাৰ কথা। চহৰত বোলে ক'ৰণা টেষ্ট কৰা কেন্দ্ৰ স্থাপন কৰিছে। জ্বৰ-কাঁহ হ'লে তাত গৈ পৰীক্ষা কৰিব লাগে। বেমাৰ ধৰা পৰিলে হস্পিতাললৈ নিয়ে। তাত ১৫-২০ দিন ৰাখে। খোৱা-বোৱাও ভাল দিয়ে। প্ৰতিবেশী আব্দুল কাইৰ মোবাইলত টিভিত দিয়া নিউজ ফুলবানুয়েও দেখিছে। ফুলবানুৰ শৰীৰটোও কেইদিনমানৰ পৰা ভাল যোৱা নাই। অনবৰত জ্বৰ জ্বৰ লাগি থাকে। পানী লগাও হৈছে। ফুলবানুয়ে নহয়, তাইৰ সন্তান দুটিৰো একেই অৱস্থা। চহৰৰ ফাৰ্মাচীত কাম কৰা আজিবৰে গাঁৱৰ ঘৰতো ঔষধ পাতি বিক্ৰী কৰে। ফুলবানুয়ে তালৈও যাব পৰা নাই। টকাই নাই। ঔষধ কিনিব ক'ৰ পৰা? ফুলবানুৰ যেন সকলো পথেই ক্ৰমাৎ সংকুচিত হৈ আহিছে। সন্মুখত তাইৰ এটাই পথ এতিয়া। মহাজনৰ টকা কেইটা হাত পাতি লোৱাৰ পথ। ফুলবানুৰ চিন্তাৰ দৰে আকাশখনো অশান্ত হৈ পৰিছে। জুপুৰি ঘৰটোৰ বাঁহৰ দুৱাৰখন, ইকৰাৰ বেৰবোৰৰ ফাঁকবোৰলৈ বাৰে বাৰে চাইছে ফুলবানুয়ে। মহাজন সঁচাকৈয়ে আহিব নেকি? বাহিৰত মুষলধাৰ বৰষুণ। মহাজন অহাৰ কামনা কৰিছে নেকি তাই? সমস্যাৰ পাহাৰত দিশ হেৰুওৱা ফুলবানুৰ কঠোৰ তপস্যা, স্থিৰতা এদিনতে নিঃশেষ হৈ যাব। এই কথা ভাবিয়ে সিঁয়ৰি উঠিছে তাই। মূৰ শিতানত থকা দাখন খামুচি ধৰি পুনৰ টোপনি যাবলৈ চেষ্টা কৰে। পুৱতি নিশা আকাশখন শান্ত হৈ পৰাৰ সময়তে ফুলবানুও শান্ত হৈ টোপনি যায়। বৰ্ষাসিক্ত নিশাটি মেলানি মগাৰ পাছত পুৱাৰ কোমল ৰ'দে ই'কৰাৰ বেৰ ভেদি ফুলবানুক স্পৰ্শ কৰিছে। ঠিক তেতিয়াই বেৰত হোৱা শব্দত উচপ খাই উঠে তাই। টোপনিত ফুলবানুৰ শাৰী কলাফুল উজাই কৰঙনত থিতাপি লৈছিল। আঁচল খহি মজিয়াত শুই আছিল। ঃ কোন তাত?

ঃ মই মহাজন, দুৱাৰ খোলা ফুলবানু। ফুলবানুৰ বুজিবলৈ বাকী নাই যে বেৰৰ ফাঁকেৰে মহাজনে তাইক দেখি আছিল। নিজৰ কাপোৰ-কানি সংযত কৰি ফুলবানু তৰিৎ গতিৰে দীঘল দাখন হাতত লৈ থিয় হ'ল।

# নিগনিয়ে খোৱা চুৰিয়া



*ৰঞ্জিত অধিকাৰী*

চুৰিয়াখন সোঁমাজতে নিগনিয়ে কুটি কুটি কৰা ডাঙৰ ফুটা কেইটা চাই সম্বাৰুৰ বুকুখন চিৰিংকৈ উঠিল। কি হ'ব এতিয়া! সযতনে বিছনাৰ তুলিৰ তলত ভাঁজ কৰি ৰখা চুৰিয়াখনৰ এনে অৱস্থা দেখি সম্বাৰু এতিয়া হাঁহিবই নে কান্দিবই একোৱে উৱাদিহ পোৱা নাই। বিড়ি এডাল জ্বলাই খঙৰ ভমকত চিঞৰিববলৈ ধৰিলে -

"হেৰা শুনিছানে নাই, নিগনিয়ে চুৰিয়াখনৰ কি অৱস্থা কৰিলেহি।" সম্বাৰুৰ চিঞৰত পাকঘৰৰ পৰা উধাতু খাই লৰি আহিল সৰলা। "হয়তো, চুৰিয়াখনৰ সোঁমাজতে দুটা ডাঙৰ ফুটা। হৰি হৰি, মানুহজন এতিয়া ওলাব কেনেকৈ?"

ৰাস্তাত ৰখাই থোৱা গাড়ীৰ হৰ্ণ। গাড়ীৰ ভিতৰত ডিম্বু আতাই সানাই বজাই ডেকা-গাভৰু জাকক আমোদ দিছে। সম্বাৰুৰ পলম হোৱা দেখি ভেল্কু, মতিৰামৰ ধৈৰ্য্যৰ বান্ধ চিঙি যাওঁ যাওঁ অৱস্থা হ'ল। গাড়ীৰ পৰাই চিঞৰিছে - "হেৰা নবাবৰ পুতেক, আৰু কিমান পৰ গাড়ী ৰখাম?"

ৰাজধানীত সাংস্কৃতিক প্ৰকল্পৰ দ্বাৰা আয়োজিত কোচ-ৰাজবংশী জাতীয় সংস্কৃতিৰ কলা-কৃষ্টি প্ৰদৰ্শনী কাৰ্যসূচী আছে। পুৱা দহ বজাৰ পৰা আৰম্ভ হোৱা কথা। কাৰ্যসূচী মতে কেন্দ্ৰীয় সাংস্কৃতিক মন্ত্ৰী মুখ্য অতিথি। জিলা সাংস্কৃতিক প্ৰকল্প বিষয়াজনে সৰলভাঙ্গা গাঁৱৰ চিলাৰায় সাংস্কৃতিক গোষ্ঠীক কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ বাবে নিৰ্বাচিত কৰিছে। যোৱা এসপ্তাহৰ পৰা ভেল্কুৰ ঘৰৰ চোতালত ডেকা-গাভৰুৰ নাচোনৰ ৰিহাৰ্চেল চলিছে। ঢোল, কৰ্কা, সানাইৰ বাজনাত গোটেই গাওঁ মুখৰিত হৈছে। ভেল্কুই ঢোল বজায়, ডিম্বু আতাই সানাই আৰু সম্বাৰুয়ে কৰ্কা বজায়। সম্বাৰুয়ে দিনটো হাজিৰা কৰি অহাৰ পিছতহে ৰিহৰ্চেললৈ আহিব পাৰে বাবেই যত সমস্যাৰ দিনটো কাম কৰি কৰি ভাগৰি পৰা সম্বাৰুৱে সন্ধিয়া এটুপি না কৰ্কাৰ মাত ফুটাব নোৱাৰে। মনেশ্বৰী আবুৰ ঘৰৰ পৰা লুংলুঙীয়া বাটেৰে – 'একবাৰ হৰি বোল মন ৰসনা, মানৱ গৈৰৱ কৈৰ'না .......' গাই গাই ভেল্কুহঁতৰ চোতাল পায়গৈ সন্ধিয়া সাত বাজে। এবাৰ কৰ্কাত হাত দিলে নিশা দুপৰলৈ কোনো নামেই নলয়। ভেল্কু ভাগৰি পৰে, ডিম্বু আতাই সামৰি শালপাতৰ দীঘল বিড়ি এডাল নজ্বলোৱালৈকে নহয়। আৰ্থিক অনাটন আৰু বেদনাৰে ভৰা জীৱনটোক এই ৰঙীন হৈ উপভোগ কৰাৰ চেষ্টা কৰে সম্বাৰুৱে। ডিম্বু ভেল্কুই সম্বাৰুক বুজি পায় বাবে একো নকয়। গাঁৱৰ গাভৰু, বুঢ়া-বুঢ়ী সকলোৱে সম্বাৰুক 'ছিটাৰু' বুলি মাতে। কামত এবাৰ যাদি অমান্তি হৈছে, তাক সৈমান কৰা ইমান নহয়। বাকীবোৰে কেতিয়াবা বিৰক্তি অনুভৱ কৰিলেও, নিপুণ হাতৰ আঙুলিত প্ৰাণ পাই উঠা কৰ্কাৰ বাজনাক উ কৰিব নোৱাৰে।

বহু দেৰিলৈকে ঘৰৰ পৰা ওলাই নহা দেখি সম্বাৰুহঁতৰ ঘৰৰ পিনে আগবাঢ়ি গ'ল। বিছনাৰ এটা আণ্ডাৰপেন্ট পিন্ধি বহি ওপৰমুৱাকৈ বিড়ি টানি থকা স দেখি ভেল্কুৰ খং মূৰৰ চুলিৰ আগ পালেগৈ। "হেৰা, মাথাখাৰাপ হৈছে নেকি? বাছত গোটেই মানুহ তোমাৰ অপেক্ষা কৰি আছে, আৰু এইফালে তুমি লেংটা হৈ সুখ বিড়ি টানি আছা। নিঃলাজ কৰবাৰ।" - খঙৰ ভমকত সম্বাৰুক ভলকৈ এজাউৰী দিলে।

নিৰ্বিকাৰ সম্বাৰু। হেত-কেত একো নাই। ভে চৰি গ'ল এইবাৰ। খঙতে বিছনাৰ ওপৰত পৰি থকা চু সম্বাৰুক পিন্ধ বুলি কৈ টান মাৰোতে ভেল্কুৰ চকুত প চুৰিয়াৰ সোঁমাজতে ডাঙৰ ফুটা দুটা। শেষ টানটো মাৰি অৱশিষ্ট অংশখিনি বাহিৰলৈ দলিয়াই দি সম্বাৰুৱে ভেল্কুক ক'লে – "এইখন পিন্ধিলে তহঁতৰ লাজ লাগিব নেকি ও

---

# ফুলবানু

ঃ মহাজন, এতিয়াই আঁতৰ হ। নহ'লে একে ঘাপে দুছেও কৰিম।
ঃ কি, কি কৈছা ফুলবানু। মই তোমক টকা দিবলৈ আহিছো ...।
ঃ আঁতৰ হ' মহাজন। তোমাৰ টকাৰে মোক কিনিব আহিছা।
ঃ চাই ল'ম তোমাক।

ফুলবানুৰ হুংকাৰত থত্মত খোৱা মহাজন খৰ খোজেৰে আঁতৰি গৈছিল। ফুলবানুয়ে ল'ৰা-ছোৱালী হালক জগাই পোনাই খোজ দিলে গাঁৱৰ সিটো মূৰত থকা ভায়েকৰ ঘৰলৈ। উজাগৰি নিশাত লোৱা সিদ্ধান্ত মতে ছোৱালীজনীক মোমায়েকৰ ঘৰত থৈ ল'ৰাটোক ল চহৰলৈ যাব। ক'ৰণা পৰীক্ষা কৰা কেন্দ্ৰত গৈ দুয়োৰে কৰাবলৈ। যদিহে বেমাৰ ধৰা পৰে, তেন্তে ১৫-২০ দিনলৈ খোৱাৰ চিন্তা নাথাকিব।

---

লিখকৰ ভ্ৰাম্যভাষ - ৭০০২৫৭৭৭৮৭

## 'নাই' যে ইমান নিষ্ঠুৰ!

*উৎপল শৰ্মা (ৰাজু)*

মই আৰু দিৱাকৰ তালুকদাৰে কিবা এটা কথাৰে
লাচনা কৰি থাকোঁতে হঠাৎ খবৰটো আহিল। তেতিয়া দিনৰ
মান বাজিছে। গুৱাহাটীত থকা মোৰ বন্ধু পলাশ ডেকাই
ন কৰি জনালে যে, 'বকুল আৰু নাই।'

নাই মানে??

আচম্বিতে 'নাই' শব্দটো কাণত পৰাৰ লগে লগে মই
ভম্ব হৈ পৰিলো ........।

হয়, 'বকুল' মানে —'বকুল শইকীয়া'ই আৰু কোনো
মোক 'শৰ্মা দা' বুলি সম্বোধন কৰিবলৈ নাহে।

তালুকদাৰেও আচৰিত হৈ মোক সুধিলে, "শৰ্মা 'বকুল'
আহঁতগুৰিৰ সেই সুদক্ষ ফুটবলাৰ 'বকুল শইকীয়া'ৰ কথা
হ নেকি?"

মই হয় বুলি কোৱাত তালুকদাৰে বৰ দুখ প্ৰকাশ
ল।

বুজিছে মই যেতিয়াই পলাশে 'বকুল আৰু নাই' বুলি
ত মোক কথাটো জনালে তেতিয়াই মই হতভম্ব হৈ গৈছিলোঁ
ৰণ কি জানেনে? পলাশে মোক ফোনত কোৱা বাক্যশাৰীৰ
চ এটি শব্দ নিহিত হৈ আছে সেই ভয়ানক নিষ্ঠুৰতা শব্দটো
নাই'। সঁচাই এই 'নাই' মানে যে মৃত্যুও হ'ব পাৰে সেয়া
লই ভয় লাগে। ইফালে পলাশে দিয়া এই মৰ্মান্তিক খবৰটো
ৰ পিছত পলাশৰ পৰা গোটেই ঘটনাটো শুনিবৰ বাবে
াক ফোন কৰি সুধিবলৈ শক্তিকণো দেহত নাছিল। কাৰণ
।' মোৰ নিজৰ ভাইটি সুলভ অতি মৰমৰ আছিল।

এনেকৈয়ে অলপ সময় অতিবাহিত কৰি মই আৰু
তালুকদাৰে দুয়ো ঘৰলৈ বুলি ৰাওনা হ'লো।

ঘৰত গৈ দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰি অলপ জিৰণী
লৈ সন্ধিয়াৰ চাহ কাপ হাতত লৈ দৈনন্দিনৰ দৰে দিনটোৰ বা-
বাতৰি শুনাৰ বাবে টিভিটো চলাই দি চোফাখনত বহিলহি মাত্ৰ -
এনেতে NK TV -ৰ বাতৰিৰ শিৰোনামাত এটি বাতৰি লিখনি
চাই গুন-গুনাই পঢ়িবলৈ ল'লোঁ —

"আজি দিনৰ ১-০০ বজাত বেলতলা চাৰিআলিৰ
ৰাস্তাৰ ডিভাইডাৰত এখন মটৰ চাইকেলে খুন্দিয়ায়। মটৰ-
চাইকেলৰ এজন আৰোহী আহঁতগুৰিৰ বকুল শইকীয়া থিতাতে
নিহত হয়। আনজন আৰোহী সামান্য আঘাতপ্ৰাপ্ত হোৱা সত্বেও
দুৰ্ঘটনা সংঘটিত হোৱাৰ ঘন্টা পিছত হাস্পাতালত বকুলৰ
মৃতদেহৰ কাষত বহি থকা অৱস্থাত হৃদযন্ত্ৰ ক্ৰিয়া বন্ধ হৈ মৃত্যুক
সাৱটি লয়। ব্যক্তিজনৰ পকেটত থকা পৰিচয় পত্ৰৰ পৰা জানিব
পৰা যায় ব্যক্তিজন হ'ল গুৱাহাটীৰ বেলতলাৰে বাসিন্দা পলাশ
ডেকা।"

তাৰ মানে___তাৰে মানে মই কি শুনিছোঁ?? কি
দেখিছোঁ?? একোৱেই ধৰিব নোৱাৰিলোঁ।

যি মুহুৰ্ত্তত বকুলৰ মৃত্যু হোৱা খবৰটো পলাশে মোক
ফোনত দিছিল তাৰে মাত্ৰ এ ঘন্টা মান আগতে বকুল আৰু
পলাশে দুয়ো একেলগে দুৰ্ঘটনাত পতিত হৈছিল।

কেইঘন্টা মান আগমুহূৰ্ত্তত পলাশে কোৱা 'নাই' শব্দটো
যে পলাশৰ ক্ষেত্ৰটো শুনিবলগীয়া হ'ব পাৰে??

'নাই' শব্দৰ অৰ্থ ইমানেই যে ভয়ঙ্কৰ, ইয়াৰ অৰ্থও যে
'মৃত্যু' হ'ব পাৰে ভবাই নাছিলোঁ।

---

লেখকৰ ভ্ৰাম্যভাষ - ৮৬৩৮৭৫৪০২২

## মৰম এনেকৈয়ে

*লোপামুদ্ৰা ভূঞা দাস*

সন্ধিয়া গোঁসাই থাপনাত ধূপ-চাকি জ্বলাই ধুনাদানিটো
মূৰলৈ গৈ ঘূৰাই আনিলোঁ। মনটো অশান্ত হৈ আছে।
া ইমান পৰলৈকে আকাশ ঘৰ আহি পোৱাহি নাই। অন্যদিনা
লগাৰ আগতেই ঘৰ আহি সোমায়হি। আজিবা কি হ'ল??
ৰ উন্নতিৰ বাবে তেওঁ যথেষ্ট কষ্ট কৰে। মাজে মাজে
বিষাদেৰে ভৰি পৰে, কিয়নো আকাশে খুউব ভালকৈয়ে
বি.এচ.চি পাছ কৰিও কোনো চাকৰি যোগাৰ কৰিব
ৰিলে। সেয়ে যিকণ খেতি মাটি আছে, তাতে খেতি কৰি
সমূহ নিজেই বজাৰত বিক্ৰী কৰে। "মা ভোক লাগিছে
কিবা এটা খাবলৈ দিয়া।" কণমানি তৰাৰ মাততহে মোৰ সম্বিত
ঘূৰিল। — অ' গৈ আছোঁ, মাজনি।

লৰালৰিকৈ খেজুৰৰ গুৰ দি কণ-জহা চাউলেৰে
ঘৰতে ওলোৱা কলী গাইজনীৰ গাখীৰকণেৰে পায়স বনোৱাত
লাগিলোঁ। গাখীৰকণ আজি বিক্ৰী কৰিবলৈ নিদি ঘৰতে থৈছোঁ।

পায়সকণ নমাই চাহৰ চচ্‌পেনটো জুহালত উঠাই দি
খৰধৰকৈ আদা-নহৰু কেইটা গুচাই ল'লোঁ। ৰাতিৰ সাজত
আকাশে ভালপোৱা মাটিমাহৰ খাৰ আৰু গুটি আলু ভাজি বনাম
লগতে ঘৰৰে হাঁহকণীৰ অমলেট বনাব লাগিব। বাহিৰত
চাইকেলৰ টিলিঙাৰ মাত শুনি কোবাকোবিকৈ ওলাই গলোঁ।

হেৰি পালেহি; আজি বৰ দেৰি কৰিলে। মোৰ আকৌ
চিন্তা লাগিল। টাউনত যিহে গাড়ী-মটৰৰ ভীৰ।

নহয় অ' জোনাকী, আটাইবোৰ শাক-পাচলিৰ লগতে হাঁহ-পাৰ কেইযোৰো বিক্ৰী কৰি একদম শেষ কৰি থৈ আহিলোঁ অ'। আজিৰ বজাৰ ভাল বুজিছা জোনাকী।

দেউতা মোলৈ কি আনিছা?

এইয়া গজা আনিছোঁ মাজনী। লগতে খাহীৰ মাংসও এপোৱা আছে। আজি আমি মাংসেৰে ভাত খাম দেই মাজনী। বাঃ বাঃ আজি মাংস খাম আমি; এইবুলি কণমানি তৰাই স্ফূৰ্তিতে এপাক নাচি দিলে।

"আপুনি ভৰি-হাতকেইটা ধুই আহকগে। মায়েও আপোনালৈকে বাট চাই আছে। আটাইকেইটাই একেলগে চাহ খাম বুলি।"

মই চাহৰ যোগাৰ কৰি দুপৰীয়া আকাশলৈ বুলি বেপাৰীৰ পৰা লোৱা চামৰাৰ চেন্দেলযোৰ উলিয়াই আনিলো। তেওঁৰ প্লাষ্টিকৰ চেন্দেলযোৰ ক্ষয় হৈছেগৈ, তথাপিও কৈ কৈ লোৱাব পৰা নাই, মই বোৱা গামোছা বিক্ৰী কৰি পোৱা টকাকেইটা সাঁচি থৈছিলোঁ। তাৰে শাহুআইলৈ ব্লাউজ এটা তৰালৈ চেমিজ এটা আৰু এওঁলৈ চেন্দেলযোৰ বৰ হেঁপাহেৰে কিনি থৈছিলোঁ।

জোনাকী অলপ এইফালে আহাচোন। এইটো লোৱা। কি আনিছে? চোৱাচোন খুলি। হালধীয়াত গুণাৰ মাজে মাজে নীলা বুটা বছা মিক্স-পাটৰ কাপোৰযোৰ দেখি মনটো উজলি উঠিল মোৰ; বাঃ ব-হু-ত ধুনীয়া লাগিছে কাপোৰযোৰ, পিছে

ইমান টকা কিয় খৰচ কৰিলে? তুমি নকলেও মই বুজি প
জোনাকী, তোমাক এনে এযোৰ কাপোৰ বৰ প্ৰয়োজ
জানো নহয় তোমাৰ এসাজ ভাল কাপোৰ নোহোৱাৰ বা
বিয়াবোৰলৈ তুমি নিজে নগৈ মাক পঠিওৱা। মই বুজো
পাইছা তাতে সুখী হৈ থাকিবলৈ যত্ন কৰা। সেইদিনা
খুড়াৰ ল'ৰা ৰাতুলৰ বিয়ালৈ সি নিজে আহি মাতি থৈ
তুমি যদি নোযোৱা, তেওঁলোকে বেয়া নাপাব জানো?
লৈ আনিলো। তদুপৰি আজি আমাৰ বিবাহ-বাৰ্ষিকী নহয়
এই শুভ দিনটো মই কেনেকৈ পাহৰিম কোৱা। তোমাৰ
পাটৰ কাপোৰ দিব পৰাকৈ মোৰ সামৰ্থ নাই অ' জে
তুমি দুখ নকৰিবা অ' জোনাকী।

আনন্দৰ অশ্ৰু কণাই এই সৰো এই সৰো
দৌৰি গৈ আকাশৰ বুকুত সোমাই পৰিলোঁ। তেওঁও মে
মাজত আকোঁৱালি ল'লে। "আৰুনো কি লাগিছে মোক
আপুনি যিখিনি মৰম, ভালপোৱা, সন্মান দিছে - ইয়াত
কি লাগিছে মোক। আপোনাৰ মৰম ভালপোৱা পাটৰ
বা অলংকাৰতকৈ হাজাৰ গুণ ওপৰত। ভালপোৱাৰে
জীৱনৰ শেষ উশাহকণ লোৱালৈকে এনেদৰে থাকে
ভালপাওঁ আপোনাক। মৰমবোৰ সদায় এনেদৰেই থাক
হে।"

---


ৰাইজলৈ নতুন বছৰৰ শুভেচ্ছাৰে -

# নিউ পুষ্পাঞ্জলী

বিলাসীপাৰাৰ নিৰ্ভৰযোগ্য বস্ত্ৰ প্ৰতিষ্ঠান

সুৰজ জৈন

মোঃ ৮৩৯৯০৯০৬৮৮

বিলাসীপাৰা, ১৬ কেন্‌ডেল ৰেষ্টুৰেন্টৰ ওচৰত

ভ্ৰমণ

# সাগৰমাথা মূল শিবিৰলৈ অভিযান



*সুভাষ চৌধুৰী*

ৰাতিপুৱা দহ বজাত আমাৰ পৰ্বতাৰোহন সন্থাৰ দস্যসকল কোকৰাঝাৰ ৰেল ষ্টেচন আহি পাইছে। মুঠ অভিযাত্ৰী জন। নামনিমুৱা ৰাজধানী এক্সপ্ৰেছো সঠিক সময়তে আহি ালে। কেমেৰাদাৰ শেনঠেপাই ছবি লোৱাৰ পিছতে আমি ৰেলত ঠিলোঁ। আবেলি ডেৰ বজাত নিউজলপাইগুৰী পাই এখন ীপ লৈ নেপাল সীমান্তৰ কাকৰভিটা পালোঁ। মেছি নদীৰ পাৰে কাকৰভিটা আৰু ইফালে ভাৰত।

মেছি নদীৰ পাৰত থকা বাবে মেছ আৰু কোশী নদীৰ ৰত বসবাস কৰা বাবে কোচ কয় বুলি সৰুতে পঢ়াৰ কথা ত পৰিল। প্ৰকৃততে কোচ শব্দৰ অৰ্থ অঘৰী আৰু মেচ দৰ অৰ্থ ম্লেছ বা অহিন্দুৰ পৰা আহিছে। অৰ্থাৎ কোচ অঞ্চলৰ শ্চিমেৰে বৈ যোৱা নদীৰ নাম হৈছে কোশী আৰু মেছ অধ্যুষিত ঞ্চলেৰে বোৱা নদীৰ নাম হৈছে মেছি।

ৰাজবংশী ভাষাত কাকৰ মানে কেঁকোৰা। কেঁকোৰাৰ টিৰ পৰা কাকৰভিটা হৈছে। কাকৰভিটাৰ পৰা কাঠমাণ্ডুগামী শবাছবোৰ আবেলি চাৰিটাৰ পৰা যাত্ৰা আৰম্ভ কৰে। একে য়তে মধ্য নেপালৰ ৰম্যভূমি পোখৰালৈ যোৱা নৈশ বাছো ত্ৰা কৰে। নেপালৰ সময় ১৫ মিনিট আগবঢ়া। অৰ্থাৎ ভাৰতীয় য়মতে আবেলি ৩-৪৫ মিনিটত বাছ এৰিব। নেপালৰ বোৰত অত্যাধিক যাত্ৰী কঢ়িয়ায়। বিচাৰি-খোচাৰি এখন ৰীয় টেক্সী যোগাৰ কৰিলোঁ। ৯ জন যাত্ৰীৰ বাবে বেছ আহল- ল। ভাৰা ল'ব চৈধ্য হেজাৰ টকা। ক'ব লাগিব ভাৰতীয় ১০০ াত নেপালী ১৬০ ৰুপিয়া।

আমি কাকৰভিটাত দেৰি নকৰি টেক্সীত উঠি পৰিলো ৰু আধা ঘন্টাতে ২০ কিমি দূৰৰ বিৰ্তামোৰ চহৰৰ কৃষি চ'কত া প্ৰেমলজ হোটেলত নামিলো। হোটেলৰ মালিক মোৰ ণা বন্ধু। তেওঁৰ হোটেলতে ভাত-পানী খাই অলপ বিশ্ৰাম লোঁ।

১৯৮০ চনত মোৰ এজন ছিকিমি বন্ধুৰ পৰাহে পালৰ ৰাজবংশী সম্পৰ্কে গম পাইছিলোঁ। বৰ্তমান ইয়াৰ বংশী বিকাশ সমিতিৰ সৈতে ঘনিষ্ঠতা গঢ়ি উঠিছে। ভীম বংশী এসময়ত নেপালৰ উপ-গৃহমন্ত্ৰী আছিল। তেওঁৰ ঘৰ ট নগৰত। আমাৰ টেক্সী ইতিমধ্যে বিৰাট নগৰলৈ যোৱা ইটাহাৰী চহৰ পাৰহৈ আহিলে। নিশা ৮ টা মান বাজিছে। সন্মুখত বিদ্যুতালোকিত কোশী বান্ধ। ১১০০ মিঃ দীঘল কোশী বান্ধৰ ওপৰত থকা দলং পাৰ হ'লো। এই বান্ধ জাপানী সহায়তাত বনোৱা হৈছিল। কোশী নদীৰ উপনৈ দুধ কোশী। দুধকোশীৰ উজনিত পৃথিৱীৰ আটাইতকৈ ওখ শৃঙ্গ এভাৰেষ্ট। এভাৰেষ্ট শৃঙ্গক নেপালী ভাষাত কোৱা হয় সাগৰমাথা। ইটাহাৰীৰ পৰা বাছেৰে চল্লেৰী গৈ সাগৰমাথা মূল শিবিৰলৈ ট্ৰেক কৰা যায়। কাঠমাণ্ডুৰ পৰা জিৰিলৈকে বাছেৰে গৈ পদব্ৰজে ১২/১৩ দিনত সাগৰমাথা বা এভাৰেষ্ট মূল শিবিৰলৈ যাব পাৰি। আমি কাঠমাণ্ডুৰ পৰা বিমানেৰে লুকলালৈ যাম আৰু তাৰ পৰা আমাৰ ট্ৰেকিং আৰম্ভ হ'ব।

বাহিৰত এন্ধাৰ, আমি চিত্ৰবন অভয়াৰণ্যত প্ৰৱেশ কৰিছোঁ। চিত্ৰবন এশিঙিয়া গঁড়ৰ বাবে বিখ্যাত। বাওঁফালে নদী। আমাৰ গাড়ী একাঁ-বেঁকা পথেৰে গৈ ৰাতি পুৱা মুগলিং পালে। ইয়াতে চাহ খাম। বাওঁফালৰ পথটো মাৰ্চাঢ়ী নদীৰ সোঁপৰে পোখৰালৈ গৈছে। সোঁফালৰ পথটোৰে কাঠমাণ্ডু। ত্ৰিশূলী নদীৰ পূৱ পথেৰে কিছুদূৰ আগুৱাই মনোকামনা দেৱীৰ মন্দিৰ। নদীৰ ওপৰেৰে ৰোপৱে নিৰ্মাণ হৈছে মন্দিৰলৈ যোৱাৰ বাবে। মন্দিৰটো গোৰ্খা ৰজাই বনোৱা। গোৰ্খা ৰজা পৃথিৱী নাৰায়ণে ১৭৬৮ খ্ৰীঃত কাঠমাণ্ডু উপত্যকাৰ লেবোৰী ৰজা মালক হৰুৱাই সমুদায় নেপাল একছত্ৰী কৰিছিল। ১৬৩২ খ্ৰীঃত কাঠমাণ্ডুৰ ৰজা প্ৰতাপমল্লই কোচবিহাৰৰ ৰজা বীৰনাৰায়ণৰ ৰাজকুমাৰী ৰূপমতীক বিবাহ কৰিছিল। ৰূপমতীৰ সৈতে অহা বান্দি-বেটী সকলে এতিয়াও ৰাজবংশী পৰিচয় দিয়ে।

ৰাতিপুৱা ৮টা বজাত আমাৰ গাড়ী অপৰূপ সৌন্দৰ্যৰ কাঠমাণ্ডু উপত্যকাত প্ৰৱেশ কৰিলে। আমাৰ টেক্সী ৰিং ৰোডৰ বাছ আস্থানতে ৰ'ল। তাৰ পৰা দুখন টেক্সীলৈ থমেলত থকা এমাড্ৰাম হোটেললৈ গ'লো। থকাৰ বন্দোৱস্ত হৈ যোৱাৰ পিছত তাজা হৈ ব্ৰেকফাষ্টৰ অৰ্ডাৰ দিলোঁ। হোটেলৰ মেনেজাৰকক আমাৰ পিছদিনাৰ কাৰ্যক্ৰমৰ কথা জনাইছিলোঁ। মই কাঠমাণ্ডুৰ পৰাই এজন পথপদৰ্শক বা গাইড লৈ যোৱাৰ কথা ভাবিছিলোঁ। পুৱাৰ আহাৰ খাই থাকোঁতে এজন ৩৫/৪০ বছৰীয়া যুৱকে ভুমুকি মাৰিলে। মোৰ লগত এখন এভাৰেষ্ট অঞ্চলৰ মেপ আছিল। যুৱকজনৰ নাম জন। মোৰ পৰিকল্পনা বুজাই আলোচনা কৰোঁতে গম পালোঁ তেওঁ বঙালী। হয়তো আমাৰ কথা শুনি মেনেজাৰে কলকতীয়া দল বুলি ভাবি জনক পঠাই দিছিল। জনক আমাৰ ৯জন আৰু তেওঁৰ বাবে এখন কাঠমাণ্ডু-লুকলা উৰণৰ টিকট সংগ্ৰহ কৰিবলৈ দি আমি থমেল বজাৰত সোমালোঁ।

আবেলি ৫টালৈকে জনৰ খবৰ নাই। মই মেনেজাৰৰ দ্বাৰা ফোন কৰাই মাতি আনিলোঁ। টিকট হেনো পোৱা নাই। মই

সৌভাগ্যক্ৰমে পিছ দিনা পুৱা ৭-৩০ বজাৰ য়েটি এয়াৰলাইনছৰ উৰণৰ টিকট পাই গলোঁ। এই মাৰ্গত যথেষ্ট ভিৰ। কেইদিনমান আগতে টিকট সংগ্ৰহ কৰি থোৱা ভাল। টিকটৰ ভাও তিনি ধৰণৰ। বিদেশীৰ বাবে এটা টিকটত ৫,২০০ টকা, চাৰ্ক দেশৰ যাত্ৰীৰ বাবে ২,৬০০ টকা আৰু স্থানীয় নেপালীৰ বাবে ১,৬০০ টকা। এই পথত উভতাৰ তাৰিখ বিহীন টিকট দিয়া হয়। যিহেতু বেছি ভাগ অভিযাত্ৰীয়ে কেতিয়াকৈ ঘূৰিব আগতীয়াকৈ ক'ব নোৱাৰে সেয়ে খোলা টিকট লয়। ঘূৰি অহাৰ দিনা যিটো উৰণ পায় তাতেই ঘূৰি আহিব পাৰিব। নেপালৰ দৰ্শনীয় স্থানবোৰতো তিনিধৰণৰ প্ৰৱেশ মূল্য থাকে। কিছুমানত স্থানীয়ৰ বাবে বিনামুলীয়া।

পিছদিনা পুৱাই কাঠমাণ্ডুৰ ত্ৰিভূৱন বিমান বন্দৰ পালোঁ। নিয়মীয়া পৰীক্ষাৰ অন্তত প্ৰস্থান কক্ষত বহিলোঁ। দ্বাৰত থকা প্ৰহৰীক আমাৰ উৰণ নম্বৰ কৈ থলোঁ। উৰণৰ সময় উকলি যোৱাৰ পিছতো কোনো খবৰ পোৱা নাই। কিছু সময় পিছতে এজন উৰণ-পৰিচালক দৌৰি আহিল। আমিয়ো তেওঁৰ পিছে পিছে গৈ সৰু উৰাজাহাজখনত উঠিলোঁ; লুকলালৈ।

সৰু লুকলা গাওঁখনত কেইখনমান দোকান, হোটেল আৰু বিমান সেৱাৰ কাৰ্যালয়। বন্দৰৰ পৰা অলপ আতৰত বগাই গাওঁ। পথতে পালোঁ ৰাইক। ক্ষীণ, চুটি-চাপৰ ডেকা। ৫০০ টকা হাজিৰাত আমাৰ লগত যাবলৈ ওলাল পথপদৰ্শক হিচাপে। পথৰ বাওঁফালে থকা হোটেলখনত খাই ললোঁ। গাওঁখনৰ নিষ্কাষণ পথত কানি বা তোৰণ। গাৰোসকলৰ গাওঁৰ প্ৰৱেশ পথত তোৰণ থাকে। প্ৰতিখন শেৰপা গাওঁতে কানি অপৰিহাৰ্য। কিছুদুৰ আগুৱাই মনি বা স্তুপ, ৰাস্তাৰ সোঁমাজত। স্তুপবোৰত তিব্বতী ভাষাত 'ওঁ মনি পদ্মে হুম" লিখা থাকে। অৰ্থাৎ পদুম ফুলৰ মণি তোমাক প্ৰণাম কৰোঁ। ভাৰতীয় ধৰ্মগুৰু পদ্মসম্ভৱে তিব্বতত বৌদ্ধ ধৰ্ম প্ৰচাৰ কৰে। পদ্মসম্ভৱ অৰ্থাৎ গুৰুজনা পদুম ফুলৰ পৰা আবিৰ্ভাৱ হোৱা বুলি ভৱা হয়। কিছুমানৰ মতে ভাৰতৰ ৰাবোলসৰ হ্ৰদৰ মানুহ আৰু কিছুমানে পাকিস্তানৰ স্বাত উপত্যকাৰ বুলি কয়।

পথৰ সোঁমাজত থকা এই স্তুপবোৰৰ বাওঁফালেৰে প্ৰস্থান কৰিব লাগে। বাওঁফালে দুধকোশী নদী বহু তলেৰে সৰ্পিল গতিৰে কোশী, গঙ্গাৰে মিলি মহাবাহু ব্ৰহ্মপুত্ৰত মিলিব। দুধকোশী আৰু সোঁফালৰ আলপাইন বননিৰ ৰূপ উপভোগ কৰি চপলুং গাওঁ পাৰ হওঁতে ঝৰঝৰাই এজাক বৰষুণ আহিল। পলিথিন লগত লৈ আহিছোঁ। চবেই পলিথিনেৰে ৰুকচেক আৰু দেহা ঢাকি লৈ শামুকিয়া গতিৰে আগবাঢ়িল। আজি নিশা কিছুদুৰ আগুৱাই ফাকডিঙত থকাৰ কথা। বৰষুণৰ বাবে টাডা খোলা গাওঁতে ৰাস্তাৰ লগত লাগি থকা হোটেল এখনত নিশাটো কাতি কৰিবলৈ থিৰাং কৰিলোঁ।

ভিজা কাপোৰ মাখা সলাই সঁচাই আৰাম পালোঁ চিয়া বা চাহ খাই বাকী কেইটা তাচ খেলাত মগ্ন হ'ল। হ খেলত যিয়ে জিকে মহেন আৰু মোক এশ টকা দি গ'ল। আ শেৰপা বৈনিক চাং (এক প্ৰকাৰ তিব্বতী পানীয়) আনিব থাকিলোঁ। ফুৰ্তি তামাছাৰ মাজতে কাষৰ কোঠাটোৰ পৰা সে চুলিৰ শ্বেতাঙ্গী ষোড়শীৰ আবিৰ্ভাব হ'ল। ষোড়শী না প বুজিব পাৰিলেহে। কৰ্কশ কণ্ঠত শব্দ নিয়ন্ত্ৰণ কৰিবলৈ বৈ বাটে উলটি গ'ল। ৰাতি দহটা মানেই হৈছে, আমিও আহাৰ খাই বাগৰি দিলোঁ। চতুৰ্থ দিনা পুৱাই কৃষ্ণক চিন্তি ৰাওনা হি একা-বেঁকা পথেৰে ওখ-চাপৰ বাটত য়াকলৈ শেৰপাসক অহা দেখা গ'ল। য়াকবোৰৰ গুমঠুৰ টিলিঙাৰ শব্দ দুৰৈৰ শুনা যায়। দুই এটা শ্বেতাংগ দল ফাকডিঙত নিশা ৰাতিপুৱাৰ কাঠমাণ্ডু উৰণ ধৰিবলৈ আহিছে। পিঠিৰ খাণ্ডত মাংস লৈ আমাৰ সৈতে কেইজনমান শেৰপা পোৰ্টাৰ। নে ম'হৰ মাংস বা ৰাঙ্গা মাসু জনপ্ৰিয়। এখন ওলোমা দলং থিয় পথেৰে বগাই আটক ধুনীয়া ঘাট গাওঁ। দে চুইজাৰলেণ্ডৰ গাওঁ যেন ভাব হয়। বাওঁফালে নিজৰাৰ ১ফুট ব্যাসৰ লোহাৰ চুঙীৰে কঢ়িয়াই আনি বিদ্যুৎ উ কেন্দ্ৰলৈ নিয়া দেখা গ'ল। ক্ষুদ্ৰ এই বিদ্যুৎ প্ৰকল্পবোৰেৰে গাওঁবোৰত বিদ্যুৎ আলোকৰ ব্যৱস্থা কৰা হয়। পথ ক্ৰমে গৈছে ২৪০০ মিঃ উচ্চতাৰ ফাকডিঙলৈ। এই পথত ফ এখন প্ৰিয় বিশ্ৰামস্থল। বাওঁফালে দুধকোশী নদীৰ উপত্যকা চাই চাই পাইন বননিৰ মাজেৰে গৈ জানফুটে জানফুটে এৰি আহি এখন কাঠৰ দলং পাৰ হৈ হিমালয়ান ইয়াৰ পৰা পথ ক্ৰমাত থিয়। কেবাটাও ওখ-চাপৰ টিলা টমাচেৰকু তুষাৰ শৃঙ্গৰ ৬৬০৮মিঃ পূৰ ঢাল উদ্ভাষিত হ'ল গাওঁ পাৰহৈ দুধকোশী নদীৰ ওপৰত থকা কাঠৰ দলঙৰ চুমৱা গাওঁ। সহজ সৰল শেৰপাসকলৰ লোক কাহিনী য়াকৰ পদচিহ্ন অনুসৰণ কৰি ১৬ শতিকাত তেওঁলোক পূৱ নেপাললৈ আহে। পৰ্বতাৰোহন ক্ৰীড়াত শেৰপাসকলে অৰ্জন কৰিছে। বেমকৰ গাওঁখনতো কেবাখনো হোটেল পৰ্যটনৰ লগত জড়িত হৈ নেপালৰ ভিতৰতে চহকী পৰিণত হৈছে। ইয়াৰ পীচফলৰ সুৱাৰ কদৰ আছে। ইয়াৰ মাঞ্জা গাওঁ। কাইচাৰ খোলা নদী পাৰ হৈ কোৰচেল চাউনি আৰু সাগৰমাথা অভয়াৰণ্যৰ মূল প্ৰৱেশ পথ। অভয়াৰণ্যত প্ৰৱেশ মূল্য ৮০০ টকা জমা কৰিব লাগিব। ফলকত প্ৰতি বছৰে কোন দেশৰ পৰা কিমান অভিযাত্ৰী তাৰ হিচাপ দাণ্ডি ধৰা হয়। প্ৰায় ৪০ হাজাৰ অভিযাত্ৰীৰ হয় এই পথত। পুনৰ দুধকোশী নদীৰ ওপৰত থকা দ হৈ দুপৰীয়াৰ আহাৰ

ৰিলো। ২৮০০মিঃত থকা বোৰচেলেৰ পৰা ৩৪৪০মিঃ চতাৰ এভাৰেষ্টৰ মুখ্যদ্বাৰত থকা নামছে বজাৰৰ মাজত কোনো চাৰ ব্যৱস্থা নাই। সময় লয় প্ৰায় চাৰে তিনিঘন্টা। দেৰ ঘন্টা ই খাৰা পথ অতিক্ৰম কৰি এভাৰেষ্ট ভিউ পইন্ট। ইয়াৰ পৰা াবমাথা, লোটাছ আৰু নুপছে শৃঙ্গৰ পহিলা দৰ্শন হয়। এইখিনি হোঁতে শৰীৰ অৱশ হৈছে। পৰম উৎসাহেৰে ওখ চাপৰ পৰ্বত ই হৈ গৈ থাকিলোঁ। লহিওৱা বেলিটো ক্ৰমে ৰঙীণ হ'ব ধৰিছে। ইফালে থকা কংডে বৰফ শৃঙ্গৰ ৬২৮৭মিঃ পিঠিত সোণালী া যেন গাঢ় হ'ব ধৰিছে। কোনোমতে বুলি দুৰৰ অৰ্দ্ধ চন্দ্ৰকাৰ াছে বজাৰ চকুত পৰিল। প্ৰৱেশ পথত থকা কানিৰ ওচৰত া চাহ দোকানখনত একাপ চাহ খাই শক্তি সঞ্চয় কৰিলোঁ।

পঞ্চম দিনা পুৱা হোটেলৰ পৰা ওলাই প্ৰতাপ আৰু ৰক দৌৰা-দৌৰি কৰি থকা দেখা পালোঁ। মোৰ পিছে ক্লান্তি হোৱাই নাই। তৎসত্বেও আঠ বজাত ওলাই উত্তৰৰ থিয় টো বগাই গৈ চিয়াংবোচে বিমান বন্দৰ পালোঁ। এই বন্দৰ ল সামগ্ৰী পৰিবহণৰ বাবে - হেলিকপ্টাৰেৰে। বন্দৰৰ পৰা পৰ্বতটো বগাই এঘন্টা মান গ'ল ব্যয়বহুল এভাৰেষ্ট ভিউ টেলত। ইয়াৰ পৰা দক্ষিণে কংডে, পূৱফালে থাকচেৰকু, পূৱ- ৰত এমাডাব্লাম, উত্তৰ ফালে এভাৰেষ্ট, লটাছ সাৰ আৰু ছ শৃঙ্গৰ অপৰূপা দৃশ্য। তলত ইমাজখোলা ঠনৰ সৰ্পিল । এভাৰেষ্ট ভিউ হোটেলৰ পৰা উত্তৰ-পশ্চিম ফালেৰে টা মান নামি বিখ্যাত খামজুং গাওঁ। ইয়াৰ উত্তৰে সেউজ নাই। শিল, বালি, বৰফ। সেউজীয়া টিনপাতৰ ঘৰবোৰে জুং গাওঁ বেচ চহকী। পথাৰত কৃষকসকলে আলু খেতি ছে। হোটেল এখনত আহাৰ খাই দীৰ্ঘদিনৰ আশা পূৰণ ৰলৈ গাওঁখনত থকা বৌদ্ধমঠলৈ গলোঁ। মঠাধক্ষ্য ইতিমধ্যে -অৰ্চনা সাং কৰি যাবলৈ ওলাইছে। অনুৰোধ মানি দুৱাৰ দিলে। তিব্বতী আৰ্হিৰ মঠৰ গৰ্ভগৃহ ধৰ্মগুৰু পদ্মসম্ভৱকক জনাই য়েটিৰ লাওখোলা থকা বাকচটোলৈ গলোঁ। নিংমা মতৰ মূল উপাস্য দেৱতা পদ্মসম্ভৱ। বাকীবোৰে গৌতম মূৰ্ত্তি ৰাখে। ঘুনিত তুষাৰ মানৱ য়েটিৰ ৰহস্য আজিলৈ ান হোৱা নাই। এই তুষাৰ মানৱ হিমালয়ৰ বৰফত বসবাস বুলি লোক বিশ্বাস আছে। ভূটানত ইয়াক মিচুম বুলি া হয়। কাঠৰ বাকচটোৰ সন্মুখত কাঁচ লগোৱা। গেৰুৱা া নোমেৰে ঢাক খাই থকা এটা মুণ্ডাকৃতি। মোৰ বোধেৰে পৰ্যটক আকৰ্ষণ কৰিবলৈ লোৱা এটা পৰিকল্পনাৰ অংশ। ত আছে চাৰ এডমাণ্ড হিলাৰীয়ে বনোৱা স্কুল।

ষষ্ঠ দিনা খামজুঙৰ পৰা যাত্ৰা কৰি এটা তিনিআলি া। বাওঁফালৰ পথটো গৈছে গকু হ্ৰদলৈ। বহুতো ট্ৰেকাৰে াথেৰে এভাৰেষ্টৰ মূল শিবিৰ বা ওচৰৰ কাল পাথৰলৈ যায়। কাল পাথৰৰ পৰা এভৰেষ্ট শৃঙ্গমালাৰ দৃশ্য অতি মনোৰম। সোঁফালৰ পথটোৰে গৈ মানাসা তিব্বতী গাওঁ। ইয়াৰ আগত থকা ট্ৰাশিঙ্গ গাওঁৰ পৰা বহু তলৰ দুধকোশী আৰু এমাডাব্লাম শৃঙ্গ দেখা যায়। পাইন বননিৰ মাজেৰে আগুৱাই আহি পালোঁ ফুঙ্কিৰ ৩২৫০মিঃ। দুধকোশীৰ ওপৰত থকা দলংখন পাৰ হৈ কেবাখনো হোটেল।


এইবাৰ দুধকোশীৰ সঙ্গ এৰি ইমজা খোলা নদীৰ উপত্যকাৰে বগাই গৈ থাকিলোঁ। প্ৰায় তিনিঘন্টা যোৱাৰ পিছত থিয়াংবোচে ৩৮৬৭মিঃ গাওঁৰ প্ৰৱেশ দ্বাৰত থকা প্ৰাচীন কানি আৰু বিশাল স্তুপটো পালোঁ। থিয়াংবোচেৰ টাশিদেলেক হোটেলত থকাৰ ব্যৱস্থা হ'ল। টাশি মানে আলোক বুজায়। তিব্বতীসকলে সম্ভাষণ জনাওঁতে টাশিদেলে বুলি কয়।

ইয়াৰ ভোজনালয়ৰ পৰা ইমজাখোলাৰ সিপাৰে থকা এমাডব্লামৰ দৃশ্য অপূৰ্ব। এমাডাব্লামৰ অৰ্থ আইৰ হাৰৰ মনি। থিয়াং বোচে গাওঁখনৰ অন্যতম আকৰ্ষণ গাওঁখনক প্ৰদক্ষিণ কৰি থকা ১৯২০ খ্ৰীঃত নিৰ্মিত থিয়াং বোচে বৌদ্ধ মঠ। তিব্বতী আৰ্হিৰ মঠটোৰ পৰা দেখা যায় এভাৰেষ্ট ৮৮৪৮মিঃ লোটচেসাৰ ৮৩৮৩মিঃ, উত্তৰ পশ্চিমে টাবোচে ৬৩৬৭মিঃ আৰু ছ'অয়ু।

ইয়াৰ পৰা এভাৰেষ্ট মূল শিবিৰলৈ আৰু তিনিদিনৰ বাট। খাৰা এই পথত দিনত ৮কিঃমিঃৰ বেছি অতিক্ৰম কৰা দুৰহ। পথত অৱশ্যে নৈশ যাপনৰ ব্যৱস্থা আছে। দলৰ তিনিজনৰ অৱস্থা সংকীৰ্ণ। বাকীবোৰো কাহিল। সময়ো তাকৰ। সপ্তম দিনা সামৰাৰ মনস্থ কৰা হ'ল। অষ্টম দিনা নামছে বজাৰৰ পৰা যাত্ৰা আৰম্ভ কৰি লুকলা বিমান বন্দৰ পাওঁ মানে আবেলি চাৰে তিনিটা বাজিছে। মোৰ সৈতে প্ৰতাপ আৰু শুকুৰ। বাকীবোৰ পিছত আহি আছে। গাৱঁৰ মধ্যস্থলৰ পৰা তলত শেষ উৰণৰ পাখা ঘুৰি থকা দেখা পালোঁ। এইখন উৰণত গ'লে আজিয়ে কাঠমাণ্ডু পাই যাম। দুৰৈৰ পৰা ৯টা আঙুলি দেখুৱাই বিমান কৰ্মচাৰীজনক চিঞৰিলোঁ। 'হাম্ৰো নয় জনা মানসি ছ'। অলপ পিছত বিমানৰ পাখি বন্ধ হৈ গ'ল। আমিয়ো লৰি বন্দৰ পাই গ'লো। কৰ্মচাৰীজনে টিকট আৰু গাইপ্ৰতি ১৫০ টকাকৈ এয়াৰপৰ্ট ডিউটি বিচাৰিলে। মই জনালোঁ মোৰ সৈতে টকা পইচা নাই আমাৰ বাকী ছয়জন সাথী আহি আছে। নেপালী ভাষাত সাথী মানে বন্ধু। আধাঘন্টা পাৰ হ'ল। এজনৰো দেখা দেখি নাই। মই মোৰ ইউনিফৰ্ম দেখুৱাই ক'লো আমাৰ সদস্য সকলে একে পোচাক পিন্ধা। কৰ্মচাৰীজনে বন্দৰৰ প্ৰহৰীসকলক কিবা ক'লে। পেঁপা বজাই কৰ্মচাৰীসকল গাওঁৰ ফালে দৌৰা দেখিলোঁ। ইতিমধ্যে আৰু তিনিজন আহি পালে। বিমান কৰ্মচাৰীজনে আমি ছয়জনক যাবলৈ ক'লে আৰু পিছদিনা বাকী তিনিজনক হেনো কালি পঠাই

সোঁৱৰণী

# গৰু গাড়ী



*মানব দাস*

অসমৰ গ্ৰাম্য জীৱনৰ এসময়ৰ গৌৰৱৰ প্ৰতীক আছিল 'গৰুগাড়ী'। পদুলি মুখত ই আঢ্যৱন্ত লোকৰ পৰিচয় দিছিল। খেতি পথাৰৰ কামকাজৰে পৰা আৰম্ভ কৰি নিকটৱৰ্ত্তী চহৰলৈ বয়-বস্তু কঢ়িয়াবলৈ এই বাহন বিধৰ প্ৰচলন। ধুনীয়াকৈ সজাই-পৰাই লোৱা ছৈ দিয়া গাড়ীখন দৰা-কইনা আনিবলৈও ব্যৱহাৰ কৰা হৈছিল। ইন্ধন বিহীন বাহনখন বাঁহ, কাঠেৰে নিৰ্মিত। চকা দুটা শাল কাঠেৰে নিৰ্মিত। সমান্তৰালকৈ এজোৰ এজোৰ কৈ স্পক্ (কাঠৰ) থাকে চকাটোৰ সোঁমাজত। চকাটোৰ ব্যাস প্ৰায় ১.৪মিঃ। লোৰ পাতি চকাৰ ওপৰত লিপিট্ খুৱাই ৰখা হয়। গাড়ীখনৰ অংশসমূহ হ'ল - জঙাল, ডাব, শিপাই ইত্যাদি (বাঁহেৰে তৈয়াৰী)। দুচকাৰ মাজত মজবুত শালৰ বিমৰ মাজত পকা লোৰ ঢুৰি সংস্থাপন কৰি ৰখা হয়। দীঘল বাঁহ দুডালক লোৰ শালাৰে আৱদ্ধ কৰি ৰাখে। মৰাপাটৰ ৰচি বা নাৰিকলৰ ৰচি বাকীবোৰ কামত ব্যৱহাৰ হয়। চালকজনক গাৰোৱান বুলি কয়। গৰুহালৰ সংলগ্ন ৰছিডালেৰে টানি নিয়ন্ত্ৰণ কৰে। অইনখন হাতত থকা বাঁহৰ এচাৰি ডালৰ কোবত বা গাত হেঁচুকি গাড়ীখনৰ বেগ বঢ়ায়। কেতিয়াবা গাৰোৱানৰ ধমকিয়েও কামত আহে।

নতুন প্ৰজন্মক 'গৰু গাড়ী"-ৰ ধাৰণা দিবলৈহে এই বিষয়ে কিছু কথা ক'ব লগীয়া হ'ল।

এই লিখনিটোৰ শিৰোনাম হ'ল "গৰু গাড়ী"। গতিকে "গৰু গাড়ী" সম্পৰ্কীয় কিছু স্মৃতিহে ইয়াত প্ৰকাশ কৰিবলৈ যত্ন কৰা হৈছে। ওখ, ক্ষীণকায়, আধাপকা গোঁফ আৰু অনবৰত তামোলৰে ওঁঠ ৰঙা ৰখা মতিলাল মিস্ত্ৰী। বিহাৰী সম্প্ৰদায়ৰ এই কমাৰ গৰাকীৰ বগৰিবাৰীৰ পোনেনয়ানী বজাৰত 'কামাৰশাল' এটি আছিল। আমি মাজে সময়ে দেখিছিলোঁ তেওঁ "গৰু গাড়ী"ৰ চকাত লোৰ ৰিং সংস্থাপন কৰাৰ কৌশল। ধান খেৰৰ জুই জ্বলাই ৰঙাকৈ গৰম কৰা ৰিং ডাল কিদৰে কাঠৰ চকাটোৰ ওপৰেৰে লিপিট্ খুৱাই সংস্থাপন কৰিছিল। আমি কৌশল চাই আচৰিত হৈছিলোঁ। অৱশ্যে তেওঁৰ লগত দুজ সহকৰ্মীও আছিল। তামোল চোবাই চোবাই তেওঁ বৰ হাতু লোডালত কোবাইছিল। জুইৰ ফিৰিঙতি নহয়, যেন তেওঁৰ তেজ। কৈশোৰৰ এই দৃশ্যই মোক আৱেগিত কৰি তুলি মোৰ মনত ৰেখাপাত কৰিছিল। কৈশোৰৰ "গৰু গ সম্পৰ্কীয় অইন এটি পৰিঘটনা আজিও মোৰ সাঁথৰ যেন আমাৰ গাঁৱত আছিল বিশালকায় ষাঁড় গৰু এটি। সি অ ধৰণে "গৰু গাড়ী" বিদ্বেষী আছিল। "গৰু গাড়ী" গাঁৱত দে আক্ৰমণ কৰিছিল। গোটেই গাওঁখনতে এক ভয়াৰ্ত পৰি সৃষ্টি হৈছিল। ম'হৰ গাড়ীত কিন্তু তেনে আক্ৰমণ কৰা ন সৰ্বত্ৰে ষাড় গৰুবোৰ "গৰু গাড়ী" বিদ্বেষী নহয়নে? "টি ৰে'ল ষ্টেচন"লৈকে বগৰিবাৰীৰ আঢ্যৱন্ত লোকসকলে গাড়ীৰে আহ-যাহ কৰিছিল বুলি শুনিছিলোঁ। সেয়া পঞ্চা ষাঠিৰ দশকৰ কথা। এই পাহাৰীয়া বাটচৰা ২০কিঃমিঃ মা সত্তৰৰ দশকত আমাৰ প্ৰতিবেশী বিহাৰৰ কাটিহাৰত বিভাগত কৰ্মৰত জনৈক চৌধুৰী পৰিয়াল বছৰেকত ঘৰখনত অহা-যোৱাৰ সময়ত তেওঁলোকে মহামায়া বাছ (প্ৰায় ১কিঃমিঃ) গৰু গাড়ী বন্দৱস্ত কৰিহে গৈছিল। পদু গৰুগাড়ী। টিৰ্পাল বা বিছনাৰ চাদৰ এখনত ধান খেৰ ওপৰত পাতি দিয়ে। লগুৱাই বয়বস্তু গাড়ীখনৰ পৰিপাটিকৈ ৰাখে। যাত্ৰা কালৰ ব্যস্ততাই আমাকো চুই এজন চকুচৰহাই তেওঁলোকৰ "গৰু গাড়ী"-ৰ এই যাত্ৰা ইতিকিঙৰ চকুৰে চায়। তেতিয়া বগৰিবাৰীত 'ৰিক্সা'ৰ আছিল। তেনে ক্ষেত্ৰত "গৰু গাড়ী"কে পছন্দ কৰা বয়বস্তু নে চখ্? চৌধুৰী পৰিয়াল নিঃসংকোচে বহি ৰাস্তাৰ কেঁকুৰী নুঘুৰালৈকে আমি চাই থাকিছিলোঁ। গা পিছফালে চেহনাই, ঢুলীয়াসহ বিশাল বৰযাত্ৰী। সঁচাকৈ নিশা এনে অপূৰ্ব পৰিৱেশে মোক আকৰ্ষিত কৰিছিল অহা দুই এক ৰসিক ডেকা ল'ৰাই বৰযাত্ৰীৰ মাজত নাচিবলৈ ধৰিছিল। তেওঁলোকে নমতা বিয়াত এনেদৰে বৰ বং পাইছিল।

---

ভ্ৰমণ

দিব। ভাবিলোঁ কিবা কাৰণত যদি বাকী তিনিজন আহি নাপায় আটাইয়ে মোক দোষাৰোপ কৰিব লগতে ভাষাৰ সমস্যা আছে। কৰ্মচাৰীজনে বাৰে বাৰে ঘড়ীত চায় আৰু কয় বতৰ বেয়া হ'লে উৰণ বন্ধ হৈ যাব। ময়ো 'অলি পৰখলুস' মানে অলপ বাটচোৱা বুলি কৈ কৈ শেষত ওপৰৰ গাওঁত তিনি মহাত্মা দেখা পালোঁ। মোৰো মুখত পানী আহিল। হুৰমুৰকৈ আটাইকেইজন ভাটিয়ে বিমানত উঠাৰ লগে লগে বিমান এৰি দিলে দুবৈৰ পৰা এভাৰেষ্ট বাবাক এটি সেৱা জনাই দীৰ্ঘ নিশ্বা

----

লেখকৰ ভ্ৰাম্যভাষ -৯৪৩৫১২৬২৬৯

## পৰিত্যক্ত ঘৰবোৰ

*বিভামনি দাস*

ঘৰ, কুটীৰ, আবাস, আলয়, আশ্ৰয়স্থল, ভৱন, মহল, ালিকা কিমান যে নাম। মানুহৰ হাবিয়াস, হেঁপাহ, সামৰ্থ, া মৰ্য্যাদা, ঐশ্বৰ্যৰ ওপৰত ভিত্তি কৰি নামবোৰ দিয়া হয়। শষকৈ আবাস, অট্টালিকা, মহল, ভৱন এইবোৰ নাম। অতি াৰে জীৱনৰ সকলো সপোন, হেঁপাহ উজাৰি এজন ব্যক্তিয়ে ঘৰ সাজে। পুত্ৰ-কন্যাৰ বাদেও নাতি-নাতিনীৰ কলৰৱত ৰিত হোৱাকৈ আধুনিক সকলো সুবিধাৰে পূৰ্ণ কৰে ঘৰটো। ঘৰ, চ'ৰাঘৰ, শোৱনি কোঠা, (ভাগে ভাগে) বাৰান্দা, ল'ন, নি, চুইমিং পুল (সামৰ্থ আৰু আভিজাত্যৰ ভিত্তিত) সকলো কল্পিত। প্ৰতিটো কোঠা পূৰ্ণ - চালে চকুৰোৱা সাজ-সজ্জাৰে। ৰতে আধুনিক শৌচালয়। আধুনিক বিজুলী বাতিৰ যাদু। য় নেলাগে মানুহক। নিজৰ নিজৰ অভিৰুচি অনুযায়ী বহুতে শী সুৰা ৰখা আলমিৰা, ঠাণ্ডাৰ বাবে চিম্‌নি, বাথটাব। উঃস নো লাগে মানুহক। পৰা হলে আকাশৰ তৰাৰেও লেহেঁতেন ঘৰটোক।

পৰিত্যক্ত হৈ যোৱা ঘৰ গাৱঁতকৈ নগৰ-চহৰত বেছি। পি মানুহে ঘৰ সাজে। গাঁৱত কেতিয়াবা মাটিৰ সীমাৰ বাবে চলে, গাওঁবুঢ়াক লৈ মেল বহে। আৰু এদিন তেনে ঘৰ, এৰণীয়া কৰি পুত্ৰ-কন্যা নগৰত থাকে। এনে পৰিত্যক্ত কাষেৰে আন মানুহে যাবলৈও ভয় কৰে। ৰ'দ, বৰষুণ, ত এদিন জহি-খহি দেখিবলৈ অতি বিভৎস হৈ পৰে। দিন, বছৰৰ পিছত বছৰ সেই ঘৰ পৰিত্যক্ত হৈ থকাৰ ফলত ভয়াবহ, নিৰ্জন, অস্বাস্থ্যকৰ হৈ পৰে। আমাৰ সৰ্বসাধাৰণ ক সততে এইবোৰ ঘৰক এৰণীয়া ঘৰ, ভুত বাংলা আদি দিয়ে।

ত্যক্ত হোৱাৰ কাৰণ — পানীৰ প্ৰদূষণ, (বিশেষকৈ ফ্লৰাইড্ মিহলি পানী). বতাহ প্ৰদুষণ, বিভিন্ন মহামাৰী, প্ৰাকৃতিক দুৰ্যোগৰ সম্ভাৱনীয়তাৰ বাবে মানুহে নিজৰ ঘৰ বা ব্যৱসায়িক প্ৰতিষ্ঠান চিৰদিনৰ বাবে ত্যাগ কৰে। নিউয়ৰ্ক, বেলজিয়াম, স্কটলেণ্ড, ইংলেণ্ড, ফ্লৰিডা, ইটালী, জাৰ্মানী, জাপান, ভাৰত, বাংলাদেশ এনেকি আমাৰ অসমতো এনে পৰিত্যক্ত ঘৰ বা মেনশ্যনন আছে।

পৰিত্যক্ত ঘৰ বা প্ৰাসাদ দুই ধৰণৰ থাকে। এবিধ ব্যক্তিগত ঘৰ। আনবিধ গীৰ্জা, মছজিদ, ৰাজপ্ৰসাদ, দুৰ্গ, স্তম্ভ, ৰাজমহল, স্কুল, ফেক্টৰী আদি।

ৰাজপ্ৰসাদ, দুৰ্গ, মহল, গীৰ্জা, মন্দিৰ, মছজিদ আদি ৰাষ্ট্ৰসংঘই বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাভুক্ত কৰি চৰকাৰীভাৱে ৰক্ষাবেক্ষণ কৰি সংৰক্ষণ কৰে। এনেবোৰ ইতিহাস জৰিত সম্পদ পৃথিৱীৰ সকলো ৰাষ্ট্ৰই নিজ নিজ দেশৰ পুৰাতত্ব বিভাগৰ (Archeological Survey) দ্বাৰা জৰীপ কৰাই ৰাষ্ট্ৰৰ নিৰ্দ্দেশত ৰক্ষাণাবেক্ষণ আৰু সংৰক্ষণ কৰে। সেয়ে এইবোৰ ঠাই পুৰাৰ পৰা আবেলিলৈ নিৰ্দ্দিষ্ট সময়ৰ বাবে পৰ্যটকৰ বাবে খোলা থাকে। কিন্তু এইবোৰ ঠাইত পৰ্যটক বা স্থানীয় জনসাধাৰণক নৈশ যাপন কৰা, সেই ঠাইৰ চৌহদত সমূহীয়া আহাৰ গ্ৰহণ কৰা নিষিদ্ধ। ভাৰতৰ লালকিল্লা, আগ্ৰাকিল্লা, কতুবমিনাৰ, হাৱামহল, আকবৰ মহল, চিচ্‌মহল, ভাংগাগড় কিল্লা, অজন্তা-ইলোৰাৰ গুহাবোৰ, বিভিন্ন পুৰণি গীৰ্জা, মন্দিৰ, মছজিদ আদিবোৰ চৰকাৰৰ দ্বাৰা সংৰক্ষিত, নিয়ন্ত্ৰিত পৰিত্যক্ত ঘৰ। য'ত মানুহ নেথাকে, কিন্তু ভিতৰ-বাহিৰ পৰিষ্কাৰ কৰি ৰখা হয়।

এতিয়া আহোঁ আনবিধ পৰিত্যক্ত ঘৰৰ প্ৰসংগলৈ। যিবোৰ ঘৰ ব্যক্তিগত মালিকীস্বত্বৰ দ্বাৰা নিয়ন্ত্ৰিত হৈ থাকে, সেইবোৰ ঘৰত যেতিয়া উত্তৰ পুৰুষে বাস কৰিবলৈ এৰি দিয়ে তেতিয়া দিন, মাহ, বছৰৰ পিছত বছৰ বাগৰি যোৱাৰ ফলত চাফ্-চিকুন, চোৱা-চিতাৰ অভাৱত এদিন পৰিত্যক্ত বিৱৰ্ণ ঘৰলৈ

---

## গাড়ী

এইবেলি আহোঁ "গৰু গাড়ী" দৃশ্যপটত থকা আৰু পভোগ কৰা কেইখনমান 'কথা ছবি'ৰ মাজলৈ। শৈশৱত হিন্দী কথা ছবি "ধৰতি কাহে পুকাৰ কে" (১৯৬৯চন)। নেই আছিল মোৰ জীৱনত চোৱা প্ৰথম কথাছবি। ইয়াৰ অসমীয়া কথাছবি "মেঘমুক্তি" (১৯৭৮চন), হিন্দী কথাছবি য়া কি পাৰ" (১৯৮২ চন) আৰু "লগন" (২০০১চন)-ৰ ক উল্লেখ কৰিব পাৰি। ছবিবোৰত থকা কালজয়ী গীতৰ দৃশ্যত "গৰু গাড়ী"ৰ উপস্থিতি মন কৰিব লগীয়া। মোৰ গাড়ী"ৰ প্ৰতি আকৰ্ষণ আছে। শোৱা কেঠালীৰ বেৰত মই প্ৰাকৃতিৰ দৃশ্যৰে এক পেইন্টিং ওলোমাই ৰাখিছোঁ য'ত এগৰাকী ন-কইনাই "গৰু গাড়ী"ত বহি গৈ থকা দৃশ্য আছে। এই দৃশ্যই মোক পূৰ্বতে উল্লেখ কৰা চাহ বাগিছাত লগ পোৱা ন-কইনাজনীক মনত পেলাই দিয়ে। পেইন্টিঙত থকা "গৰু গাড়ী"খনে অতীতৰ বহু কথাকে কয়। এই লিখনিৰ সমলো হ'ব পাৰে।

---

লেখকৰ ভ্ৰাম্যভাষ - ৮১৩৪০২০৫১৬

ৰূপান্তৰ হয়। ১০ বছৰ, ২০ বছৰ, ৩০ বছৰ, ৫০ বছৰ, ১৫০ বছৰেও সেইবোৰ ঘৰ বিৱৰ্ণ, জহি-খহি থাকে। তাত মানুহ থকাতো বাদেই, সেইবোৰ ঘৰৰ চৌদিশে বা অতি কাষলৈকো কোনো নেযায়। বৰ্তমান পৃথিৱীৰ বিভিন্ন ঠাইত পুৰাতত্ব বিভাগৰ লোক আৰু ভূ-তত্ববিদ সকলে তথা দুঃসাহসিক অভিযান কৰা সকলে এনেবোৰ পৰিত্যক্ত ঘৰৰ ভিতৰলৈকে গৈ ঘৰবোৰৰ নিৰ্মাণ কাল, পৰিয়াল, পৰিত্যক্ত হোৱাৰ কাৰণ আদি অনুসন্ধান কৰাৰ চেষ্টা কৰিছে। ব্যক্তিগত মালিকীস্বত্বৰ ঘৰবোৰ পৰিত্যক্ত হোৱাৰ আনুমানিক কাৰণবোৰ এনেধৰণৰ - বিভিন্ন প্ৰাকৃতিক দুৰ্য্যোগৰ সমস্যা। যাৰ বাবে সেইবোৰ ঘৰৰ বাসিনন্দা আন ঠাইলৈ আঁতৰি যায়। বহুক্ষেত্ৰত দেখা যায় পৰিত্যক্ত ঘৰবোৰ ঐশ্বৰ্যশালী ব্যক্তিৰ একালৰ ফাৰ্মহাউচ। য'ত তেওঁলোকে দৈনন্দিন জীৱনৰ ভাগৰ পাৰ কৰি চিন্তাহীনভাৱে সাময়িক ভাৱে সময় কটায়। আৰু হয়তো নজনা বহু কাৰণ আছে পৰিত্যক্ত ঘৰবোৰৰ আঁৰত। এইখিনিতে মহাপুৰুষ শংকৰদেৱৰ এশাৰী কথা মনলৈ আহিছে, "নতুৱা ননচাবা, বৰ ঘৰ নেসাজিবা।"" গুৰুজনাৰ মহান দৰ্শনে মানুহক সন্যাস নোলোৱাকৈ সংসাৰ ধৰ্ম কৰি, গেৰুৱা বস্ত্ৰ নিপিন্ধাকৈ, আমিষ আহাৰ খাইও ধৰ্ম কৰিব পাৰি বুলি কৈছে। কিন্তু তেখেতে বাৰে বাৰে কৈছে "নতুৱা ননচাবা" অৰ্থাৎ সকলো সময়তে সংসাৰ কৰা লোক এজনে নাচ-গান কৰি ভওনা কৰি থাকিলে গৃহস্থী নচলিব। মনুহ কৰ্মত ব্ৰতী হ'ব লাগিব। আকৌ কৈছে, "বৰ ঘৰ নেসাজিবা", অৰ্থাৎ ব্যক্তি এজনে নিজৰ প্ৰয়োজনতকৈ বেছি বৃহৎ ঘৰ সাজিলে সেই ঘৰ পৰিচালনা কৰিবলৈ সদায় দেহা, বল একে নেথাকে। যাৰ ফলত সেই ঘৰ এদিন ব্যক্তি বোজা স্বৰূপ হৈ পৰে। কোনো পিতৃ-মাতৃয়ে কেতিয়াও পুৰুষৰ বাবে পৰ্য্যাপ্ত ঐশ্বৰ্য ৰখা উচিত নহয়। সন্তানক আৰু নিজ ভৰিত থিয় দিব পৰাকৈ দক্ষ কৰি তুলিব নিজৰ সংস্কৃতি, পৰম্পৰাৰ জ্ঞান সৰুৰে পৰাই দিয়া আত্মীয়ৰ সতে যোগাযোগ, আত্মীয়তা ৰখা উচিত। পৃথিৱীৰ গতিত যাব লগা হোৱাত বহু সন্তানে নিজৰ মূল্য পৃথিৱীৰ ভিন্ন প্ৰান্তত ২০ বছৰ, ৩০ বছৰ, ৫০ বছৰ, ১০ পৰিত্যক্ত ঘৰ, প্ৰাসাদ, মেনশ্বন, ফেক্টৰী আছে। ১৯৩ পৰা ইংলেণ্ডৰ বৃটিছ গ্ৰামাৰ স্কুল বৰ্তমান পৰিত্যক্ত। চনৰে ৰাচীয়ান মিলিটেৰী বেচ এটা আজি পৰিত্যক্ত। স্ক বহুতো কটেজ পৰিত্যক্ত। কিন্তু বহুতো প্ৰাসাদোপম ঘৰ মানৰ প্ৰেমী মালিকে জীৱিত কালতেই আইনগত ভাৱে পুথিভঁৰাল, বিদ্যালয়, অনাথ আশ্ৰম, সমবায় আদিৰ বাবে কৰি থৈ যায়। ফলত এনেবোৰ ঘৰ-সম্পত্তি পৰিত্যক্ত পৰা ৰক্ষা পৰে। আমি জানিব পৰা মতে বিলাসীপাৰ ৰাজহুৱা গ্ৰন্থাহৰ ভৱনটো আছিল গ্ৰামোন্নয়ন বিভাগ পৰিত্যক্ত ঘৰ। কিন্তু এচাম বিদ্যানুৰাগীৰ চেষ্টাত সি বিলাসীপাৰাৰ মাজত জাকত জিলিকা মহৎ অনুষ্ঠান পৰা প্ৰকাশ পাই আছে 'চিত্ৰলেখা'।

---

## নাৰী শক্তি

*বিপ্লৱ বৰুৱা*

দ্বিধা কৃত্বাত্মনো দেহমৰ্দ্ধেন পুৰুষোঽভৱত।
অৰ্দ্ধেন নাৰী তস্যা স বিৰাজং সৃজৎপ্ৰভুঃ।।

অৰ্থাৎ হৰিণগৰ্ভই নিজৰ শৰীৰক দুই ভাগত ভাগ কৰাৰ ফলত আধাভাগ পুৰুষ আৰু আধাভাগ নাৰীৰ সৃষ্টি হয়। নাৰী সমাজৰ এটা মহত্বপূৰ্ণ অংগ যাৰ অবিহনে সমাজৰ কল্পনাই কৰিব নোৱাৰি। নাৰী সহনশীলতা, ধৈৰ্য্য, প্ৰেম, মমতা আদি বহু গুণৰ অধিকাৰী। নাৰী হ'ল শক্তিৰ প্ৰতীক। যদি কোনো নাৰীয়ে কিবা এটা কৰাৰ প্ৰতি অংগীকাৰবদ্ধ হয় তেন্তে সেইটো সম্পূৰ্ণ নোহোৱালৈ কেতিয়াও পিছ হুহঁকি নাহে। বহু ক্ষেত্ৰতে নাৰীয়ে পুৰুষৰ তুলনাত বহু সাহস আৰু মনোবলৰ উদাহৰণ দাঙি ধৰে। প্ৰাচীন কালৰ পৰা ধৰি বৰ্তমান সময়লৈ বিভিন্ন ক্ষেত্ৰত নাৰীয়ে সাহসিকতাৰ পৰিচয় দাঙি ধৰি আহিছে। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ পৰা ধৰি খেলা-ধুলা, ৰাজনীতি আদি সকলো ক্ষেত্ৰতে নাৰীয়ে নিজৰ প্ৰভূত্ব বিস্তাৰ কৰি আহিছে। প্ৰতিপলতে নাৰীসমাজে প্ৰমাণ দাঙি ধৰি আহিছে যে নাৰী অবলা নহয়। যুগে যুগে নাৰীয়ে নিজৰ অধিকাৰৰ হকে সদায়ে মা আহিছে আৰু সাব্যস্ত কৰি আহিছে। নাৰীয়ে নিজকে জা আহিছে যদিও বৰ্তমানেও সমাজৰ এচাম অসৎ প্ৰবৃত্তি পৰা নাৰী আজিকোপতি সুৰক্ষিত নহয়। সমাজত বহু নাৰী আজিও নিস্পেষিত। সমাজ ব্যৱস্থাৰ বাবে পুৰুষ প্ৰয়োজনীয় সমানেই প্ৰয়োজনীয় নাৰী। বৰ্তমান সময় কোনো গুণে পুৰষতকৈ কম নহয়। নাৰীয়ে পৰিয়া থকা সকলো দায়িত্ব পালন কৰাৰ উপৰি দেশ, সমাজ স প্ৰতি অহা ভাবুকি নিপুণভাৱে সন্মুখীন কৰে। নাৰী হ' নাৰী হ'ল প্ৰেম, নাৰী ত্যাগ, নাৰী ক্ষমতা, নাৰী দায়ি সৃষ্টিকাৰীনী। অতঃ নাৰীসমাজক নিম্নলিখিত দুষাৰি ফাকিৰে উল্লেখ কৰিব পাৰি ঃ-


হে শক্তিস্বৰূপা নাৰী, হে শক্তিস্বৰূপা নাৰী
নাৰী দুৰ্গা, নাৰী কালী
যুগে যুগে নাৰী শক্তিস্বৰূপা নাৰী
সৃষ্টিশীলতাক সৃষ্টি কৰি মৃত্যুকো জিনিছে
এটা হ'ল শক্তিস্বৰূপা নাৰী।

ৱেষণা পত্ৰ

# অসমৰ নৃকুল গ্ৰন্থাগাৰৰ সম্পদ ৰাজি ঃ এটি অধ্যয়ন

*ড° হৰিচৰণ দাস*
*গ্ৰন্থাগাৰিক, বিলাসীপাৰা*
*মহাবিদ্যালয়*

**ostract:** "The old name of Assam is ımrupa.There were Ethno libraries in ımrupa where thousands of handwritten oks were preserved. Those books were nchipat,Tulapat,Talapat, Cotton manuipts etc.The Ethno libraries are nothing the repository of such handwritten oks or manuscripts .There are Ethno liries in the Naam ghar,Satra, Temple, seum, archives of different parts of sam at present time also.These Ethno raries are intellectual haritage of sam.These are the sources of history, ture, literature, language, science etc of past.These Ethno libraries also reflect rich academic environment of Kamrupa ncient Assam.



ণা পদ্ধতি ঃ সাহিত্য অধ্যয়ণ আৰু জৰীপমূলক পদ্ধতি।
ব্দ (Key words) ঃ নৃকুল, সত্ৰ, সাঁচিপাত, তুলাপাত।

ণাৰ লক্ষ্য ঃ অসমৰ নৃকুল গ্ৰন্থাগাৰ সমূহৰ অৱস্থা আৰু ন সম্পৰ্কে অৱগত হোৱা।

ণি ঃ- বিশ্বত লিখিত ভাষাৰ আৰম্ভণিৰ লগে লগে গ্ৰন্থৰ সৃষ্টি হৈছিল। সংস্কৃত ভাষাৰ 'গ্ৰন্থি' শব্দত গ্ৰন্থ শব্দৰ উৎপত্তি হৈছে। লিখা পাতবোৰ 'গ্ৰন্থিত কৰা' বা গাঁঠি থোৱা হৈছিল বাবে, এনে গ্ৰন্থিত পাতৰ সমুদায়ক গ্ৰন্থ বোলা হৈছিল। গ্ৰন্থ সংগ্ৰহীত কৰি সঞ্চিত আৰু সংৰক্ষণ কৰা গৃহক গ্ৰন্থাগাৰ বোলা হৈছিল। প্ৰাচীন বা মধ্যযুগৰ গ্ৰন্থবোৰ হাতেলিখা আছিল। বাহ্যিক শক্তিচালিত কোনো যন্ত্ৰাদিৰ সহায় নোলোৱাকৈ, সম্পূৰ্ণ মানৱীয় শক্তিৰে প্ৰস্তুত কৰা হৈছিল বাবে ই 'নৃকুল' গ্ৰন্থ। এনে গ্ৰন্থাগাৰ চীন, ইজিপ্ত, গ্ৰীছ, ইটালী, ভাৰত আদি দেশত গঢ়ি উঠিছিল। ভাৰতৰ নালন্দা, জাড্ডল, কাংশাৰী, মিথিলা, ওডান্টপুৰী, সোমপুৰী, উজ্জয়িনী, বল্লভ আদি বিশ্ববিদ্যালয়ত সহস্ৰাধিক পুথিৰ বিশাল বিশাল নৃকুল গ্ৰন্থাগাৰ আছিল। নালন্দা বিশ্ববিদ্যালয়ৰ তিনিটাকৈ গ্ৰন্থাগাৰ আছিল। নাম আছিল ৰত্নসাগৰ, ৰত্নৰঞ্জক আৰু ৰত্নদধি। দুখৰ বিষয় যে বিদেশী আক্ৰমণকাৰীবিলাকে ভাৰতৰ এই বহুমূলীয়া গ্ৰন্থাগাৰবোৰ ধ্বংস কৰিছিল। ভাৰতৰ জ্ঞানক্ষেত্ৰ সমূহক ধ্বংস কৰি ইয়াৰ জ্ঞান সমাজক দুৰ্বল কৰাৰ ষড়যন্ত্ৰৰ ফলস্বৰূপে ভাষাৰ এনে গ্ৰন্থাগাৰবোৰ হেৰুৱাব লগা হৈছিল। গ্ৰীছ দেশৰ আলেকজেন্দ্ৰিয়া গ্ৰন্থগাৰ আছিল ইউৰোপৰ সবাতোকৈ পুৰণি গ্ৰন্থাগাৰ। এই গ্ৰন্থাগাৰটো জুলিয়াছ ছিজাৰে আক্ৰমণ কৰি ধ্বংস কৰিছিল। ভাৰতৰ উজ্জয়িনী বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰ হুন আক্ৰমণকাৰীবিলাকে ধ্বংস কৰিছিল। এনেদৰে প্ৰাচীন নুকুল গ্ৰন্থাগাৰ আৰু গ্ৰন্থ সভ্যতাক এচাম আক্ৰমণকাৰী শাসকৰ নৃশংসতাৰ ফলতে ভাৰতে হেৰুৱাব লগা হৈছিল। অৱশ্যে মধ্যযুগীয় সময়ৰ ৰজা-মহাৰজা সকলৰ পৃষ্ঠপোষকতাত পুনৰ গ্ৰন্থাগাৰ স্থাপন হৈছিল। মোগল সম্ৰাট আকবৰে চৰকাৰী গ্ৰন্থাগাৰ বিভাগ গঢ়ি তুলিছিল। তেওঁ আমীৰ খুশ্ৰুক ৰাজ-গ্ৰন্থাগাৰিক ৰূপে নিযুক্তি দিছিল। আমীৰ খুশ্ৰু আছিল এজন বিখ্যাত কবি। প্ৰাচীন কালৰ বা মধ্যযুগৰ গ্ৰন্থাগাৰৰ গ্ৰন্থাগাৰিকসকল আছিল অতি বিদ্বান, শিক্ষাবিদ আৰু লেখক। গ্ৰীছ দেশৰ সৰ্বপ্ৰাচীন গ্ৰন্থাগাৰ - আলেকজেন্দ্ৰিয়াৰ গ্ৰন্থাগাৰৰ প্ৰথমজন গ্ৰন্থাগাৰিক

জিনোডোটাছ আছিল একেধাৰে ভাষাবিদ, সাহিত্য সমালোচক আৰু হোমেৰিক পণ্ডিত। আমাৰ অসমৰ প্ৰতিজন মহাপুৰুষ যেনে শ্ৰীমন্ত শঙ্কৰদেৱ, মহাপুৰুষ মাধৱদেৱ, হৰিদেৱ, দামোদৰদেৱ আদিয়ে নিজা নিজা সত্ৰত স্থাপিত নৃকুল গ্ৰন্থাগাৰ সমূহ পৰিচালনা কৰাৰ দায়িত্বত আছিল। তেওঁলোকে ন ন পুথি ৰচনা কৰিছিল বা যোগ্য লেখকৰ দ্বাৰা লিখাইছিল। তাৰ প্ৰতিলিপি কৰাইছিল, সংৰক্ষণ কৰিছিল আৰু পাঠকক বিলাই দিছিল - যাৰ ফলশ্ৰুতিত আজিৰ অসমীয়া সাহিত্য পৰিপূৰ্ণ হ'ব পাৰিছে। অসমত ৰজা মহাৰজাসকলে গ্ৰন্থাগাৰ নিৰ্মাণ কৰিছিল যদিও সেইবোৰ ৰাজহুৱা বা ৰাইজৰ বাবে নাছিল। ৰজা, ৰাজবিষয়া আদিয়েহে তেনে গ্ৰন্থাগাৰ ব্যৱহাৰ কৰিব পাৰিছিল। অসমত ৰাজহুৱা গ্ৰন্থাগৰৰ পথ-পদৰ্শকজন হৈছে মহাপুৰুষ শঙ্কৰদেৱ। তেওঁ সত্ৰ আৰু নামঘৰ সমূহত সাঁচিপতীয়া পুথিবোৰ সকলো শ্ৰেণীৰ পাঠকে চুব পৰা, চাব পৰা আৰু পঢ়িব পৰা ব্যৱস্থা এটাৰ সৃষ্টি কৰি গ্ৰন্থাগাৰ জগতলৈ বৈপ্লৱিক পৰিৱৰ্তন আনিছিল। গুৰুজনাই স্থাপন কৰা এনে গ্ৰন্থাগাৰ আজিও মধুপুৰ সত্ৰ, কমলাবাৰী সত্ৰ, পাটবাউসী সত্ৰ আদিত বিৰাজমান। অসমৰ ইতিহাস, সাহিত্য, সংস্কৃতি, সমাজ, শিক্ষা আদি বিষয়ক বহুমূলীয়া পুথি-পাঁজি আজিও এনে নৃকুল (Ethno) গ্ৰন্থাগাৰ সমূহত সঞ্চিত হৈ আছে। ৰজাদিনীয়া অনুষ্ঠান-প্ৰতিষ্ঠান, যাদুঘৰ আদিতো যথেষ্ট সংখ্যক নৃকুল পুথি-পাঁজিৰ সংগ্ৰহ আছে। ব্যক্তিগত ভাৱেও কোনো কোনো বিদ্যানুৰাগী লোকে হাতে লিখা পুথি পাঁজিৰ সংগ্ৰহ বা গ্ৰন্থাগাৰ প্ৰতিষ্ঠা কৰিছে। শিক্ষা প্ৰতিষ্ঠান যেনে বিশ্ববিদ্যালয়, মহাবিদ্যালয় কিছুমানতো হাতে লিখা পুথিৰ বিশেষ সংগ্ৰহ আছে। গৱেষণা প্ৰতিষ্ঠান, ভাষা-সাহিত্য বা বুৰঞ্জীমূলক সামাজিক সংগঠন কিছুমানেও এনে গ্ৰন্থাগাৰ প্ৰতিষ্ঠা কৰিছে। সমগ্ৰ অসমত এনে নৃকুল গ্ৰন্থাগাৰৰ সংখ্যা সেইবাবে কেবাশতাধিকো হ'ব। এইনৃকুল গ্ৰন্থাগাৰবিলাকে অসমৰ শৈক্ষিক, বৌদ্ধিক, সামাজিক, ঐতিহাসিক, পৰম্পৰাগত বিজ্ঞানমূলক আদি তথ্য সঞ্চিত, সংগৃহীত আৰু বিতৰণ কৰি আহিছে। এনে গ্ৰন্থাগাৰবোৰ অসমৰ অমূল্য সম্পদ আৰু বৈভৱ।

অসমৰ নৃকুল গ্ৰন্থাগাৰ সমূহৰ প্ৰকাৰ ঃ অসমৰ নৃকুল গ্ৰন্থাগাৰ-সমূহক মূলতঃ তিনিটা ভাগত ভাগ কৰিব পাৰি।

১/ ৰজাদিনীয়া নৃকুল গ্ৰন্থাগাৰ।

২/ ধৰ্মীয় নৃকুল গ্ৰন্থাগাৰ।

৩/ শৈক্ষিক তথা গৱেষণামূলক নৃকুল গ্ৰন্থাগাৰ।

**ৰজাদিনীয়া নৃকুল গ্ৰন্থাগাৰ ঃ-** নৃকুল গ্ৰন্থাগাৰৰ অৱস্থিতি কামৰূপৰ শ্ৰেষ্ঠ ৰজা কুমাৰ ভাস্কৰ বৰ্মাৰ দিনৰ পৰা পোৱা যায়। কুমাৰ ভাস্কৰ বৰ্মাৰ এটি সমৃদ্ধিশালী গ্ৰন্থাগাৰ আছিল। চীনা পৰিব্ৰাজক হিউ-এন-চাঙে এই গ্ৰন্থাগাৰত অধ্যয়ন কৰিবৰ বাবে, পদব্ৰজে সুদূৰ চীনৰ পৰা আহিছিল। তেওঁ কুমাৰ ভ বৰ্মাৰ ৰাজগ্ৰন্থাগাৰৰ ভালেমান পুথি প্ৰতিলিপি কৰোৱাই, দেশলৈ লৈ গৈছিল। এই পুথিবোৰ মূলতঃ বৌদ্ধ ধৰ্ম আছিল। সেই সময়ৰে পৰা অসমত গ্ৰন্থাগাৰ ব্যৱস্থা চলি আ পাল বংশ, শালস্তম্ভ বংশ, জিতাৰি বা কলিতা সকলৰ পৰা কৰি আহোম আৰু কোচসকলে ৰাজত্ব কৰা সময়ৰ ভিত বিভিন্ন ৰজাই গ্ৰন্থাগাৰ নিৰ্মাণ কৰিছিল।

আহোম ৰাজ্যত পৰিপাটিকৈ গ্ৰন্থাগাৰ পৰিচালনা বাবে বিষয়া নিয়োগ কৰা হৈছিল। এওঁলোকক 'গন্ধীয়া বোলা হৈছিল। অৱশ্যে এনে ৰাজগ্ৰন্থাগাৰ বিলাকত স মানুহে প্ৰৱেশ কৰিব নোৱাৰিছিল। ৰজা, ৰাজ-বিষয়া, মন্ত্ৰী বা ৰজাই অনুমোদন কৰা ব্যক্তিসকলহে ইয়াত কৰিবলৈ দিয়া হৈছিল। ৰজাক গ্ৰন্থাগাৰৰ পুথি-পাঁজি শুনাবলৈ এনে গ্ৰন্থাগাৰত 'পঢ়ীয়া' নিয়োজিত আছিল। আ গ্ৰন্থবোৰ প্ৰতিলিপি কৰাৰ বাব 'লেখাৰু' নিয়োগ কৰা হৈ পঢ়ীয়াসকল বিভিন্ন ভাষা জনা লোক আছিল আৰু লেখাৰ আছিল দক্ষ অংকণ শিল্পী। ৰাজ গ্ৰন্থাগাৰৰ গ্ৰন্থবোৰ সজাই ছবি আদি আঁকি লিখোৱাবলৈ দক্ষ চিত্ৰকৰ নিয়োগ কৰা উদাহৰণ স্বৰূপে শিৱসিংহ ৰজাই 'হস্তীবিদ্যাৰ্ণৱ' পুথিখ অংকণ কৰিবলৈ মোগল চিত্ৰকৰ দিলবৰ আৰু দোছাইক কৰিছিল। হস্তীবিদ্যাৰ্ণৱ পুথিখনৰ লেখক আছিল বৰকায়স্থ। 'হস্তীবিদ্যাৰ্ণৱ' অসমীয়া ভাষাৰ পুথি আছি পুথিখনৰ প্ৰসঙ্গ পুথিখন আছিল 'হস্ত্যায়ুৰ্বেদ'। 'হস্ত্যায়ুৰ্বেদ'খ আছিল ঋষি পালকাপ্য। শদিয়াত জন্ম গ্ৰহণ কৰা এই খ অবিভক্ত গোৱালপাৰা জিলা অঞ্চলত হাতীৰ বিষয়ে কৰি, দশম - একাদশ শতিকাত, বৰ্তমানৰ ধুবুৰী জিলাৰ পাহাৰত আশ্ৰম পাতি এই গ্ৰন্থখন সংস্কৃত ভাষাত ৰচনা ক উল্লেখনীয় যে, প্ৰাচীন অসমৰ বৌদ্ধিক চিন্তা চৰ্চা মূলতঃ ভাষাত হৈছিল। অৱশ্যে পিছলৈ পালি আৰু প্ৰাকৃত অসমত সাহিত্য-সংস্কৃতিৰ চৰ্চা হৈছিল। বৌদ্ধ ধৰ্মৰ দ্বাৰা কবিসকলে ইয়াত পালি-প্ৰাকৃত ভাষাত চৰ্যাপদ ৰচনা ক এনেবোৰ পুথি সেই সময়ৰ ৰাজ গ্ৰন্থাগাৰ বিলাকত হৈছিল। ৰাজকীয় নথি পত্ৰ, চিঠি, মানচিত্ৰ আদি ৰাজ গ্ৰ সংগৃহীত হৈছিল।

কোচ ৰজাসকলৰ দিনতো ৰাজ পৃষ্ঠপোষকতাত গ্ৰন্থাগা আৰু পৰিচালিত হৈছিল। কোচবিহাৰত বৰ্তমানো এ গ্ৰন্থাগাৰ' আছে য'ত ৰজা নৰ-নাৰায়ণৰ দিনৰ কেৱল ব পুথি বা ধৰ্মীয় সাহিত্যৰ পুথিয়েই নহয়, স্বাস্থ্য-বিজ্ঞানমূ পুথিও সংগ্ৰহীত আছে। এনে স্বাস্থ্য বিজ্ঞানৰ পুথিত মানু অঙ্গ-প্ৰতঙ্গৰ সচিত্ৰ বিৱৰণ আছে। অৰ্থাৎ কোচ ৰজ

গাৰত পুথি প্ৰতিলিপি কৰা লিপিকাৰ, দক্ষ চিত্ৰশিল্পী যাজিত কৰিছিল। বৰ্তমান পশ্চিমবঙ্গ চৰকাৰৰ অধীনত চালিত হৈ থকা এই কোচৰজাৰ দিনৰ ৰাজ গ্ৰন্থাগাৰ মূলতঃ ীন অসমৰ নৃকুল গ্ৰন্থাগাৰ। এই গ্ৰন্থাগাৰত মধ্যযুগীয় অসম ীৰ বহুমূলীয়া সমল সংৰক্ষিত হৈ আছে।

**ীয় নৃকুল গ্ৰন্থাগাৰ ঃ-** ধৰ্মানুষ্ঠান সমূহত ধৰ্মীয় পুথি-পাঁজি দি সংৰক্ষিত হৈ আহিছে। হাতেলিখা সাঁচিপাত, তুলাপাত, পাত আদিৰ পুথি অসমৰ বিশেষকৈ সত্ৰ আৰু নামঘৰ সমূহত ক্ষিত হৈ আছে। অসমৰ প্ৰায়বোৰ সত্ৰ আৰু নামঘৰতে ৰ্ন ঘোষা, ভাগৱত, নামঘোষা, গুণমালা, বৰগীত আদিৰ পাতীয়া পুথিৰ সংগ্ৰহ আছে। মছজিদ, গীৰ্জা, গুৰুদ্বাৰা আদিতো য় হাতেলিখা এনে পুথি আছে, কিন্তু তাকৰীয়া। বিশেষকৈ ৰ সত্ৰ আৰু নামঘৰ সমূহতে সৰ্বাধিক হাতেলিখা সাঁচিপতীয়া সংগৃহীত হৈছিল। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ, মাধৱদেৱ, াদৰদেৱ, হৰিদেৱ, ভট্টদেৱ প্ৰমুখ্যে বৈষ্ণৱ গুৰুসকলে মূহত পুথি ৰচনাৰ এক সুন্দৰ পৰিৱেশ ৰচনা কৰিছিল। মূহত পুথি প্ৰতিলিপিকাৰ সকলে গুৰুসকলে ৰচনা কৰা পাঁজিৰ প্ৰতিলিপি কৰি সংৰক্ষণ কৰি থৈছিল। বিভিন্ন দেৱী-তাৰ মন্দিৰ সমূহত, দেৱ-দেৱী পূজাৰ বিধি পুথি সংৰক্ষিত ল। মন্দিৰৰ পুৰোহিতসকলে এনে পুথিৰ প্ৰতিলিপি আৰু ক্ষণ কৰিছিল। এতিয়াও এনে পুথিৰ সংগ্ৰহ মন্দিৰ বিশেষে া যায়।

ব্যক্তি বিশেষৰ ঘৰতো আধ্যাত্মিক হাতেলিখা পুথিৰ হ আছে। দৌল-দেৱালয়সমূহৰ পুৰোহিত বা দলৈ সকলৰ ধৰ্মীয় পুথি-পাঁজিৰ সংগ্ৰহ আছে। আনহাতে সত্ৰৰ ধিকাৰ কিছু সংখ্যকৰ ঘৰত ধৰ্মীয় পুথি-পাঁজিৰ সংগ্ৰহ আছে। খনীয় যে কিছুমান ধৰ্মীয় গ্ৰন্থাগাৰত ধৰ্মীয় পুথি-পাঁজিৰ ও ৰাজকীয় নথিপত্ৰ, ছবি আদিও সংৰক্ষিত হৈ আছে। বিষয়ৰ পুথিও কোনো কোনো ধৰ্মীয় গ্ৰন্থাগাৰত পোৱা উদাহৰণ স্বৰূপে মাজুলীৰ আউনীআটি সত্ৰত 'হস্তীবিদ্যাৰ্ণৱ' আছে। হস্তীবিদ্যাৰ্ণৱ ধৰ্মীয় পুথি নহয়, ই হাতীৰ চিকিৎসা কীয় এখন পুথিহে।

অসমৰ ধৰ্মীয় গ্ৰন্থাগাৰৰ নৃকুল পুথি-পাঁজিবোৰ পুৰণি ীয়া সাহিত্যৰ নিদৰ্শন। এনে পুথিবোৰ অসমৰ বৌদ্ধিক ্য আৰু সম্পদ। উল্লেখনীয় যে ২০০৬ চনত ফ্ৰেংকফুৰ্টত ত বিশ্বগ্ৰন্থ মেলাত, ভাৰতৰ ঐতিহ্যসম্পদ ৰূপে প্ৰদৰ্শিত া অসমৰ 'চিত্ৰভাগৱত'। 'চিত্ৰভাগৱত' অসমীয়া ভাষাত ৰঙীণ চিত্ৰ অংকিত এখন বহুমূলীয়া পুথি। চিত্ৰভাগৱতত ৰঙীন নাৰায়ণৰ ছবিখন "ৰাষ্ট্ৰীয় পাণ্ডুলিপি মিছনে" onal Manuscript Mission) প্ৰকাশ কৰা "Words are Sacred, Sacred are the words" নামৰ পুথিখনৰ বেটুপাতত দিয়া হৈছে। এনেদৰে অসমৰ ধৰ্মীয় নৃকুল গ্ৰন্থাগাৰত সংগ্ৰহীত পুথিবিলাক অসমৰ ভাষা-সাহিত্য-সংস্কৃতিৰ উন্নত নিদৰ্শন আৰু কেৱল অসমৰে নহয়, ভাৰতৰেই গৌৰৱ। অসমৰ সাঁচিপতীয়া পুথি একক আৰু অনন্য। সাঁচিপতীয়া পুথি ভাৰতৰ আন ৰাজ্যত বিৰল। অগৰু গছৰ ছালেৰে তৈয়াৰী সাঁচিপাত অতি মসৃণ আৰু ইয়াৰ জীৱনকালো অধিক। শ শ বছৰ ধৰি আমাৰ সত্ৰ-সচং, মন্দিৰ-নামঘৰত সঞ্চিত এনে সাঁচিপতীয়া পুথিবোৰ আজিও অবিকল ৰূপতে আছে। ভক্ত সমাজৰ শ্ৰদ্ধা আৰু সেৱাৰ বস্তুৰূপেও সাঁচিপতীয়া পুথিৰ সুকীয়া মৰ্যাদা আছে। কোচবিহাৰৰ মধুপুৰ সত্ৰত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ হস্তলিখিত পুথিবোৰত অসমৰ ভক্তপ্ৰাণ ৰাইজে পৰম শ্ৰদ্ধাৰে সেৱা জনায়। তাৎপৰ্যপূৰ্ণ যে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে গুৰুআসনত বিগ্ৰহৰ সলনি ধৰ্মপুথি স্থাপনৰ পৰম্পৰা সৃষ্টি কৰি গৈছে। শ্ৰীমদ্ভাগৱত, দশম, কীৰ্ত্তন, গুণমালা আদি গুৰু আসনত প্ৰতিষ্ঠা কৰি নামঘৰ বা সত্ৰসমূহত নাম-কীৰ্ত্তন, প্ৰসঙ্গ আদি কৰা হয়। এনে পৰম্পৰা অন্য হিন্দু পন্থাত পাবলৈ নাই। অন্য ৰাজ্যৰ লোকে সেইবাবে 'অসমৰ মানুহে গ্ৰন্থ পূজা কৰে' বুলি বিস্ময় প্ৰকাশ কৰে। কোচবিহাৰ ৰাজগ্ৰন্থাগাৰৰ বিষয়া এগৰাকীয়ে, ২৯ ডিচেম্বৰ (২০১৯) তাৰিখে মধুপুৰ সত্ৰত ভাৰতীয় নৃকুল গ্ৰন্থাগাৰ সংস্থাৰ এখন আলোচনাচক্ৰত কৈছিল - "আসামে গ্ৰন্থেৰ পূজো হয়। এই কথা জেনে আমাৰ গৌৰৱ ও আনন্দ হয়" (অসমীয়া প্ৰতিদিন, ৩০ ডিচেম্বৰ,২০১৯)। অসমৰ ধৰ্মীয় গ্ৰন্থাগাৰসমূহত সচাঁকৈয়ে অতি শ্ৰদ্ধাৰে গ্ৰন্থবোৰ সংৰক্ষিত হৈ আহিছে। এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে মাজুলীৰ সত্ৰীয়া ভকতসকলে বানপানীৰ সময়ত, সত্ৰৰ গ্ৰন্থৰাজি, পাচি বা খৰাহিত এনে ঠাইত থৈ দিয়ে যাতে, পানী উঠাৰ আগতে তাক ওখ ঠাইলৈ ততালিকে স্থানান্তৰ কৰিব পাৰি। মাজুলীৰ কেতবোৰ সত্ৰত, কেৱল সত্ৰৰ গ্ৰন্থৰাজি সু-সংৰক্ষণৰ বাবে বাঁহ বা কাঠৰ দুমহলীয়া ঘৰ সজা হৈছে। দক্ষিণপাট সত্ৰত এনে কাঠৰ দুমহলীয়া ঘৰ সজা হৈছে মূলতঃ গ্ৰন্থ সংৰক্ষণৰ উদ্দেশ্য আগত ৰাখি। এনে সচেতন সংৰক্ষণ ব্যৱস্থা থকাৰ ফলতে অসমৰ ধৰ্মীয় নৃকুল গ্ৰন্থাগাৰবোৰ শ শ বছৰ ধৰি চলি আহিছে আৰু আজিও জীৱন্ত ৰূপতে আছে।

**অসমৰ শৈক্ষিক নৃকুল গ্ৰন্থাগাৰসমূহ ঃ-** অসমৰ প্ৰাচীন শৈক্ষিক অনুষ্ঠানবোৰ হৈছে টোল সমূহ। প্ৰাচীন শিক্ষাৰ মাধ্যম - ভাৰতৰ আন আন ঠাইৰ দৰে অসমৰো আছিল সংস্কৃত ভাষা। উন্নত বিদ্যা চৰ্চা সেইবাবে পুৰণি অসম বা কামৰূপত সংস্কৃত ভাষাতে হৈছিল। সেয়েহে টোলসমূহক 'সংস্কৃত টোল' বোলা হৈছিল। বিশিষ্ট লেখক শশী শৰ্মাদেৱৰ মতে পুৰণি অসম বা

কামৰূপত বিশ্ববিদ্যালয় পৰ্যায়ৰ তিনিখন সংস্কৃত টোল আছিল। তাৰে এখন আছিল শ্ৰীহট্টত, এখন বটদ্ৰৱাত আৰু এখন হাকামাত। শ্ৰীহট্ট বৰ্তমান বাংলাদেশত। বটদ্ৰৱা বৰ্তমানৰ নগাওঁ জিলা আৰু হাকামা বৰ্তমানৰ ধুবুৰী জিলাৰ বিলাসীপাৰা চহৰৰ অন্তৰ্গত। বটদ্ৰৱাৰ মহেন্দ্ৰ কন্দলিৰ সংস্কৃত টোলত অধ্যয়ণ কৰিছিল - অসমৰ জাতীয় জীৱনৰ পুৰোধা পুৰুষ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে। এই টোলত পঢ়িয়েই মহাপুৰুষ শঙ্কৰদেৱে আকাৰ-ইকাৰ নথকা কবিতা 'কৰতল কমল . . . . .' লিখি গুৰুক মুগ্ধ কৰিছিল আৰু লাভ কৰিছিল 'দেৱ' উপাধি। এইটোৱে প্ৰমাণ কৰে এনে শিক্ষানুষ্ঠানবোৱে কিমান উন্নত মানৰ, সৃষ্টিশীল শিক্ষা দান কৰিছিল। অসমৰ বেছিভাগ সংস্কৃত টোলেই আজি লুপ্ত যদিও, কেতবোৰ টোল চৰকাৰী পৃষ্ঠপোষকতা পাই জীয়াই আছে। এনে টোলবিলাকৰ নৃকুল গ্ৰন্থাগাৰত ধৰ্মীয় পুথি-পাঁজিৰ লগত সংস্কৃত ব্যাকৰণ শাস্ত্ৰৰ প্ৰতিলিপি পোৱা যায়। 'হাকামা'ৰ পুৰণিটোল বৰ্তমান নাই যদিও ইয়াৰ পুথি কিছুমান এতিয়াও ব্যক্তি বিশেষৰ ঘৰে ঘৰে আছে। এনে ব্যক্তি বিশেষৰ পূৰ্বপুৰুষসকল নিশ্চয় এই টোলৰ অধ্যাপক আছিল। হাকামাৰ ব্যক্তি বিশেষৰ ঘৰত থকা নৃকুল গ্ৰন্থৰাজিৰ ভিতৰত ধৰ্মপুথি, বিধি পুথিৰ উপৰিও সংস্কৃত ব্যাকৰণ শাস্ত্ৰ, কৃষিকৰ্মৰ শাস্ত্ৰ, চিকিৎসা শাস্ত্ৰ আদি পোৱা যায়।

অতি সম্প্ৰতি অসমৰ বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয় কিছুমানতো নৃকুল গ্ৰন্থাগাৰ সম্পদ আছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰত যথেষ্ট সংখ্যক তুলাপাত, তালপাত, সাঁচি পাতৰ পুথি আছে। আধুনিক বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহত যাদুঘৰৰ সামগ্ৰীৰূপে বা অধ্যয়ণৰ সমলৰূপে এনে নৃকুল গ্ৰন্থাগাৰ সম্পদবোৰ সংৰক্ষিত হৈ আছিছে।

<u>গৱেষণা প্ৰতিষ্ঠানৰ নৃকুল গ্ৰন্থাগাৰ</u> ঃ- ভাষা-ঐতিহ্য, সংস্কৃতি মূলক চৰকাৰী, বেচৰকাৰী গৱেষণা কেন্দ্ৰবিলাকতো পুৰণি হাতে লিখা পুথিৰ সংগ্ৰহালয় আছে। উদাহৰণ স্বৰূপে কামৰূপ অনুসন্ধান সমিতিয়ে এনে পুৰণি পুথি সংগ্ৰহ কৰি গৱেষকসকলক গৱেষণাৰ সমল যোগান ধৰি আহিছে। টাই-আহোম, চিংফৌ আদি জনগোষ্ঠীয় গৱেষণা প্ৰতিষ্ঠানবিলাকতো নৃকুল গ্ৰন্থাগাৰ আছে। এনে নৃকুল গ্ৰন্থাগাৰ সমূহত ধৰ্মীয়, ঐতিহাসিক, ভাষা-সংস্কৃতি, পৰম্পৰাগত বিজ্ঞান, কলা আদিৰ যথেষ্ট সংখ্যক হাতেলিখা পুথি সংগ্ৰীহত হৈ আছে। শঙ্কৰদেৱ কলাক্ষেত্ৰতো সাঁচিপতীয়া, তুলাপতীয়া আদি পুথিৰ সংগ্ৰহালয় আছে আৰু মূলতঃ গৱেষণাৰ বাবেই এনে নৃকুল সমলৰাজি সংৰক্ষিত কৰা হৈছে। ৰাষ্ট্ৰীয় পাণ্ডুলিপি মিছনে ভাৰতৰ সকলোবোৰ নৃকুল গ্ৰন্থই পঞ্জীয়ন কৰি, গৱেষকসকলৰ বাবে উপলব্ধ কৰিবলৈ, এনে গ্ৰন্থবোৰৰ জৰীপ কাৰ্য চলাই আহিছে।

<u>নৃকুল গ্ৰন্থাগাৰ সমূহৰ সংৰক্ষণ ব্যৱস্থা</u> ঃ- পৃথিৱীৰ
প্ৰান্তৰ নৃকুল গ্ৰন্থাগাৰবোৰ স্থানীয়ভাৱে লাভ কৰা
কিছুমানৰ দ্বাৰা তৈয়াৰী গ্ৰন্থৰে উপচি আছিল। উদাহৰণ
ইজিপ্তত 'পেপাইৰাছ'ৰ গ্ৰন্থ, চীনত জন্তুৰ ছালৰ আৰু কা
গ্ৰন্থ, উত্তৰ পূৰ-ভাৰতত ভোজপাতৰ গ্ৰন্থ, দক্ষিণ ভ
তালপাতৰ গ্ৰন্থ আৰু অসম বা উত্তৰ পূৰ্বাঞ্চলত সাঁচি
তুলাপাত আদিৰ গ্ৰন্থ পোৱা যায়। এনে গ্ৰন্থবোৰ থলুৱা স
পদ্ধতিৰে সংৰক্ষণ হৈ আছিছে।

<u>পদ্ধতিবোৰ এনে ধৰণৰ ঃ</u>

<u>সাঁচিপাতৰ প্ৰস্তুতি</u> ঃ অসমৰ নৃকুল গ্ৰন্থাগাৰৰ পুথি
বেছিভাগেই হৈছে সাঁচিপাতৰ। সাঁচিগছৰ বাকলি এৰুৱাই, উ
ৰ'দত শুকুওৱা হৈছিল। এনে পাতবোৰ নিৰ্দিষ্ট আকাৰত
শিলেৰে ঘঁহি মসৃণ কৰি লোৱা হৈছিল। তাৰ পিছত
মাটিমাহৰ মিশ্ৰণৰ প্ৰলেপ ঘঁহি পাতবোৰ নিমজ কৰি
হৈছিল। পুনৰ সেইবোৰ ধুই ৰ'দত শুকুৱাই, আকৌ ঘঁ
কৰি উঠিহে লিখিবলৈ ব্যৱহাৰ কৰা হৈছিল। সাঁচিপা
কৰা অতি কষ্টসাধ্য আছিল। কিন্তু ইয়াৰ লেখা শ শ ব
সংৰক্ষণ হৈ আছে। আনকি আজিৰ সময়তো সাঁচিপা
পাতবোৰ চাবোনেৰে ধুই, পুনৰ ৰ'দত শুকুৱালে আকৌ
দৰেই জিলিকি উঠে।

<u>তালপাতৰ প্ৰস্তুতি</u> ঃ তালপাতবোৰ তাল গছৰ পাত। তা
পূৰঠ পাত কাটি, মাটিৰ পাত্ৰত উতলাই, শুকুৱাই, ঘঁহি মি
লৈ পুণৰ শুকুৱাইহে লিখিবৰ বাবে ব্যৱহাৰ কৰা হৈছিল। তা
লেখাও দীৰ্ঘজীৱী।

এনেদৰে বিভিন্ন ধৰণৰ লেখন সামগ্ৰী, প্ৰ
উৎসৰ পৰা সংগ্ৰহ কৰি মানুহে মানৱীয় প্ৰচেষ্টাৰে, য
নোলোৱাকৈ প্ৰস্তুত কৰিছিল - যিবোৰ আজিও পঢ়িব
সুন্দৰ হৈ আছে।

<u>বাকচৰ ব্যৱহাৰ</u> ঃ নিগনি, পইতাচোৰা আদি জাতীয় আক্ৰম
পৰা ৰক্ষা পাবলৈ গ্ৰন্থবোৰ কাঠৰ মজবুত বাকচত ভ
হৈছিল। বাকচৰ আকাৰ গ্ৰন্থৰ আকাৰ অনুযায়ী তৈ
হৈছিল। এনে কেতবোৰ বাকচ কাৰুকাৰ্য খচিতও
গ্ৰন্থবোৰ ব্যৱহাৰ কৰাৰ সময়ত দুচটা কাঠ ব্যৱহাৰ কৰা
এচটা ওপৰত আৰু এচটা তলত। এনে কাঠ দুচটাৰ মাজ
ৰাখি, তাৰ ওপৰেদি কাপোৰেৰে মেৰিয়াই গ্ৰন্থবোৰ
ভৰোৱা হৈছিল। এনে কাপোৰবোৰ মাৰ নথকা, পৰি
বা হালধী পানীত তিওৱা হালধীয়া কাপোৰ আছিল।

<u>ধোৱাঁ চাং</u> ঃ ধোৱাঁ চাং আছিল অতীজৰ এক বিশেষ পুথি
প্ৰযুক্তি। সাধৰণতে পাকঘৰত এনে ধোৱাঁ চাংবোৰ পতা
এই চাংবোৰ আছিল ছালনী বা তেনেজাতীয় বাহঁৰ যত

মাৰলিত ওলোমাই ৰখা হৈছিল। পাকঘৰৰ চৌকাৰ পৰা
াৰা ধোৱাঁই এনে ছালনীৰ ফুটাৰে সোমাই কাপোৰেৰে
ওৱা গ্ৰন্থবোৰ ধূসৰিত কৰি তুলি ভেকুঁৰ বা আন কীটৰ
মণৰ পৰা ৰক্ষা কৰিছিল। ই আধুনিক 'ফুমিগেছন' (Fu-
ation) পদ্ধতিৰে, তাহানিৰ পৰম্পৰাগত ৰূপ।

াৰৰ ব্যৱহাৰ ঃ পুথিবোৰ মেৰিয়াই থবলৈ যিবোৰ কাপোৰ
াৰ কৰা হৈছিল সেইবোৰ সাধাৰণভাৱে ব্যৱহৃত কাপোৰ
। মাৰ নথকা কাপোৰ হালধী পানীত তিয়াই শুকোওৱা
ল বা শুকান কাপোৰ ধোৱাঁচাঙত কিছুদিন ৰাখি - তেনে
াৰহে পুথি মেৰিয়াবলৈ ব্যৱহাৰ কৰা হৈছিল। ইয়াৰ কাৰণ
ল - কাপোৰবোৰৰ ফাঁকত বা আঁহত যাতে কোনো পোক-
াই বাহ নলয়। এইক্ষেত্ৰত মাৰ নথকা ৰঙা কাপোৰো ব্যৱহাৰ
হৈছিল। ৰঙা কাপোৰেৰে মেৰিয়ালে - পুথিৰ মাজত ৰঙা
ৰ পৰে যিয়ে কীট-পতঙ্গ নিয়ন্ত্ৰণ কৰে।

াত, চিত্ৰনেলা আদিৰ ব্যৱহাৰ ঃ পুথিসমূহ ৰখা বাকচত বা
মেৰিওৱা কাপোৰৰ ভাজঁত নিমপাত (শুকান) থোৱা
ল। এই নিমপাতৰ প্ৰভাৱত পুথিৰ মাজত পোক-পতঙ্গই
বিস্তাৰ কৰিব নোৱাৰিছিল। চিত্ৰনেলা পাতো এই ক্ষেত্ৰত
াৰ কৰা হৈছিল।

হীয়া ৰ'দৰ ভাপ - পুথিসংৰক্ষণৰ ক্ষেত্ৰত ভাদ মাহ বা
ষ্ট - ছেপ্তেম্বৰ মাহ, বিশেষকৈ অসম বা উত্তৰ পূৰ্বাঞ্চলৰ
ত, অতি গুৰুত্বপূৰ্ণ। এই মাহত পুথিবোৰ বাকচৰ পৰা
াই আনি দুদিনমান ৰ'দ দিয়া বতৰত, পিৰালিত মেলি
হৈছিল। ৰ'দৰ ভাপহে পুথিত লাগিব দিয়া হৈছিল - প্ৰত্যক্ষ
হয়।

এনে ধৰণৰ সংৰক্ষণ ব্যৱস্থাৰে - অতীজৰে পৰা
ও অসমৰ নৃকুল গ্ৰন্থাগাৰৰ পুথিবোৰ সংৰক্ষিত হৈ আহিছে।

াণি ঃ- নৃকুল গ্ৰন্থাগাৰসমূহত থকা পুথিসমূহ হৈছে অতীত
ৰ সমাজ, সংস্কৃতি, সাহিত্য, ৰাজনীতি, বিজ্ঞান, কলা আদি
ৰ দলিল। অসমীয়া ভাষাৰ প্ৰাণ হৈছে সাঁচিপতীয়া পুথিবোৰ
এই পুথিবোৰ সংৰক্ষিত হৈছে অসমৰ নৃকুল গ্ৰন্থাগাৰসমূহত।
ঠ ড° ভূপেন হাজৰিকাই লিখিছিল -

"সাঁচিপাতে ভাষা দিব, চিফুঙে আশা দিব
ৰংঘৰে মেলিব দুৱাৰ, জিলিকাব লুইতৰে পাৰ।"

ৰ প্ৰাণস্পন্দন ধৰি ৰখা সাঁচিপতীয়া পুথিৰ ভাণ্ডাৰ হৈছে
গ্ৰন্থাগাৰসমূহ। কেৱল ভাষাই নহয় অসমৰ ঐতিহ্য কৃষ্টি
খাৰ ক্ষেত্ৰতো নৃকুল গ্ৰন্থাগাৰসমূহৰ অৱদান অতুলনীয়।

এক কথাত ক'বলৈ গ'লে নৃকুল গ্ৰন্থাগাৰ সমূহেই হৈছে অসমৰ বুৰঞ্জী, ভাষা-সাহিত্য, কৃষ্টি আদিৰ ভেটি - য'ত সহস্ৰ বছৰ আগৰ তথ্যৰাজি আজিও উপলব্ধ। এনে নৃকুল গ্ৰন্থাগাৰসমূহ সঞ্জীৱিত হৈ থকাটো অসমৰ সমূহ জাতি-জনগোষ্ঠী বা অসমীয়া সমাজৰ বাবে অতীৱ প্ৰয়োজনীয়। নতুন প্ৰজন্মক আত্মবিশ্বাসেৰে পৃথিৱীৰ আগত অসমৰ বাসিন্দা ৰূপে গৌৰৱেৰে পৰিচয় দিবলৈ নৃকুল গ্ৰন্থাগাৰেই অনুপ্ৰাণিত কৰিব পাৰে। প্ৰাচীন প্ৰাগজ্যোতিষপুৰৰ জ্যোতিষ চৰ্চাৰ পৰা মধ্যযুগীয় বৈষ্ণৱ সংস্কৃতি টোললৈকে, সংস্কৃত-পালি-প্ৰাকৃত হৈ আধুনিক অসমীয়া ভাষালৈ ৰূপান্তৰ হোৱালৈকে - অসমৰ বৰ্ণময়-বিচিত্ৰ সমাজখনৰ ক্ৰমবিকাশৰ ধাৰাক জানিবলৈ, বুজিবলৈ এনে নৃকুল গ্ৰন্থাগাৰ বিলাকতে লুকাই আছে আপুৰুগীয়া সম্পদৰাজি। এইবোৰ অসমীয়াৰ গৌৰৱ, অসমৰ বৌদ্ধিক সম্পদ। জাতীয় জীৱন মহীয়ান কৰি ৰখা এনে গ্ৰন্থাগাৰবোৰ যেতিয়ালৈকে জীয়াই থাকিব তেতিয়ালৈকে অসমীয়া সমাজ-সংস্কৃতি বিশ্বৰ বুকুত উজলি থাকিব।

## References :

প্ৰসঙ্গ পুথি ঃ -

১/ Neog, Pranavsvarup : Complete works of Maheswar Neog, Prof Moheswar Neog memorial Trust, Vol - V, 2009, P - 1 - 129.
২/ শইকীয়া, অৰূপজ্যোতি (সম্পাঃ) ঃ অৰুণোদই নিৰ্বাচিত সঙ্কলন (১৮৫৫-১৮৬৮) ক্ৰান্তিকাল প্ৰকাশন, নগাওঁ, পৃ ১- ১০২।
৩/ শৰ্মা, শিৱানন্দ ঃ সোণৰখনি ৰূপৰ পাহাৰ, বিলাসীপাৰ শাখা সাহিত্য সভা, ২০০৭।
৪/ কৌশাম্বী, ডি. ডি ঃ ভাৰতৰ ইতিহাস (অনুবাদ ঃ ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য), অসম প্ৰকাশন পৰিষদ,১৯৮৯, পৃ ১- ১৫৬।
৫/ Das, Haricharan (ed.) : Preservation of Ethnolibrary Resources, Bilasipara College, 2016, P 1 -206
৬/ Das, Haricharan (ed.) : Preservation of Ethnolibrary and Ethnolibrary Science, Bilasipara Sub-Divisional Public Library, 2015, P 1- 65.
৭/ দাস, যোগেশ আৰু অন্যান্য (সম্পাঃ) বিষ্ণু প্ৰসাদ ৰাভা ৰচনা সম্ভাৰ, ৰাভা ৰচনাৱলী প্ৰকাশন সংঘ,২০০৮, পৃ - ৭১২ -৭৯২।
৮/ Clemen Carl : Religions of the world, Cosmo, 1930, P 299 - 338.

---

# টে'ট শিক্ষক হোৱাৰ অভিজ্ঞতা

*প্ৰাণজিৎ চক্ৰৱৰ্ত্তী*

২০১২ বৰ্ষত অসম চৰকাৰে শিক্ষাজগতৰ বাবে এক লেখত ল'বলগীয়া পদক্ষেপ গ্ৰহণ কৰিছিল। ২০১২ বৰ্ষত অসম চৰকাৰৰ শিক্ষা বিভাগে অসমত পোন প্ৰথমবাৰৰ বাবে অনুষ্ঠিত কৰিছিল প্ৰাথমিক আৰু মজলীয়া বিদ্যালয়ত শিক্ষক নিযুক্তিৰ বাবে 'শিক্ষক যোগ্যতা নিৰূপক পৰীক্ষা' চমুকৈ TET (Teacher Eligibility Test)। শিক্ষা বিভাগৰ পৰা বিজ্ঞাপন প্ৰকাশ পোৱাৰ পিছত ময়ো টে'ট দিবলৈ থিৰাং কৰি নিৰ্দ্দিষ্ট প্ৰপত্ৰ পূৰণ কৰিছিলোঁ। সেই সময়ত মই গোৱালপাৰাত 'মেডিকেল ৰিপ্ৰেজেনটেটিভ' হিচাপে কাম কৰি আছিলোঁ। আনহাতেদি আজৰি সময়ত টিউচনো কৰিছিলোঁ। অৰ্থাৎ দিনটোৰ ব্যস্ততাৰ বাবে টে'টৰ প্ৰস্তুতি চলোৱা কথাটো মই ভাবিবই পৰা নাছিলোঁ। তথাপি টিউচনৰ অভিজ্ঞতাৰ ফালৰ পৰা (যিহেতু মই হাইস্কুল পৰ্যায়ত টিউচন কৰিছিলোঁ) মই টে'টত অৱতীৰ্ন হ'বলৈ একেবাৰেই ভয় খোৱা নাছিলোঁ। যি কি নহওক ২০১২ বৰ্ষৰ ১০ জানুৱাৰীত গোৱালপাৰা জিলাৰ দুধনৈত পৰীক্ষাত অৱতীৰ্ন হৈছিলোঁ। উক্ত দিনা আছিল প্ৰচণ্ড ঠাণ্ডা। তথাপি সময়ৰ কথা ভাবি নিজ বাইকেৰে দুধনৈ পাইছিলোঁগৈ। পৰীক্ষাৰ অন্তত মই অৱশ্যে নিশ্চিত হৈছিলোঁ যে, মই পৰীক্ষাত উত্তীৰ্ণ হ'ম। প্ৰায় তিনিমাহৰ অন্তত পৰীক্ষাৰ ফলাফল ঘোষণা কৰিলে। হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ দিনাখন যিদৰে অন্তৰখন কঁপি আছিল উক্তদিনাও ঠিক তেনে এক পৰিস্থিতিৰ সন্মুখীন হৈছিলোঁ। শিক্ষা বিভাগৰ ফালৰ পৰা নিৰ্দ্দিষ্ট কৰি দিয়া ৱেবছাইটত ফলাফল চালোঁ। পৰীক্ষাত উত্তীৰ্ণ হোৱা দেখা পাই মনত বৰ আনন্দ লাগিল। সেইদিনা আছিল ২০১২ বৰ্ষৰ ২০ মে'। অসমৰ শিক্ষাজগতৰ লগতে মোৰ জীৱনৰ বাবেও এক স্মৰণীয় দিন। উক্ত দিনটোতেই গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত ৰাজহুৱাভাৱে বিতৰণ কৰা হৈছিল নিযুক্তি প্ৰাপ্তসকলৰ নিযুক্তি পত্ৰ। যিহেতু জিলাভিত্তিক পৃথকে পৃথকে নিযুক্তি পত্ৰ বিতৰণ কৰা হৈছিল, মইয়ো নিৰ্দ্দিষ্ট স্থানৰ পৰা নিযুক্তি পত্ৰ সংগ্ৰহ কৰিছিলোঁ। মোৰ ভাগত পৰিছিল দক্ষিণ শালমাৰাৰ ১৪৮২ ছোটবাজৰা প্ৰাথমিক বিদ্যালয়। ভয় লাগিছিল। কিন্তু মই সাহেসেৰে অগ্ৰসৰ হৈছিলোঁ। মোৰ সাহস দিয়াৰ ক্ষেত্ৰত মা-দেউতা, বন্ধুবৰ্গ, লক্ষীপুৰত থকা দাদা আৰু ভাইটিয়ে উল্লেক্ষযোগ্য পদক্ষেপ লৈছিল। বিশেষকৈ মোৰ দাদা প্ৰান্তুল চক্ৰৱৰ্ত্তীয়ে মোক দক্ষিণ শালমাৰা শিক্ষাখণ্ড কাৰ্য্যালয়ৰ উচ্চবৰ্গৰ সহায়ক হিচাপে কাম কৰা কৰ্মচাৰী এজনৰ লগত যোগাযোগ কৰি দিছিল। ফলত বিদ্যালয় বিচৰাৰ ক্ষেত্ৰত মোৰ পক্ষে সহজ হৈ পৰিছিল।

যিহেতু আমাৰ বিদ্যালয়ত যোগদানৰ তাৰিখ ধাৰ্য্য
দিছিল ১ জুন, সেয়ে আগদিনাই অৰ্থাৎ ৩১ মেত ৰাতিপ
লক্ষীপুৰত থকা মোৰ ভাইটি উজ্জ্বলৰ লগত নিজ বাইকে
দক্ষিণ শালমাৰা অভিমুখে যাত্ৰা আৰম্ভ কৰিছিলোঁ। উদ্দেশ্য অ
বিদ্যালয় সম্পৰ্কে সবিশেষ তথ্য জনা। প্ৰথমতে দক্ষিণ শাল
শিক্ষাখণ্ডৰ কাৰ্য্যালয়লৈ যোৱাটোৱেই থিৰাং কৰিলোঁ। কাৰ্য্যা
উপস্থিত হোৱাৰ পিছত দাদাই যোগাযোগ কৰিব দিয়া উচ্চ
সহায়কজনৰ লগত চা-চিনাকী হ'লোঁ। তেখেতৰ সৈতে বিদ্য
স্থান, পৰিৱেশ আদিৰ বিষয়ে প্ৰায় আধাঘন্টা কথা পাতি
উক্ত নিশাটো মই লক্ষীপুৰত মাহীহঁতৰ ঘৰত কটাই পিছদি
পুনৰ বিদ্যালয় অভিমুখে নিজ বাইকেৰে যাত্ৰা আৰম্ভ কৰি
দিনৰ প্ৰায় ১১ বজাত মোৰ নিযুক্তি প্ৰাপ্ত বিদ্যালয়খন
পালোঁ। বিদ্যালয়খন হাজিৰহাট নামৰ ঠাইত অৱস্থিত আ
অঞ্চলটো আছিল বহু পৰিমাণে পিছপৰা। অৱশ্যে একমাত্ৰ
আৰু একাগ্ৰ ইচ্ছাৰ বলত নদী, সাকোঁ, নাওঁ আদি পাৰ হৈ
প্ৰাপ্ত বিদ্যালয়খনিত উপস্থিত হৈছিলোঁ। বিদ্যালয়খনিত উ
হৈয়েই মোৰ মনত ভাব হৈছিল, -"ইমান দুৰ্গম অঞ্চলতো বি
থাকিব পাৰেনে?" সহকাৰী শিক্ষক নজৰুল চাৰৰ লগত বি
পৰিচালনা সমিতিৰ সভাপতিৰ ওচৰলৈ গৈ যোগদান পত্ৰ
কৰিলোঁ। সহঃ শিক্ষক গৰাকীয়ে মোৰ নামটো 'শিক্ষক হ
বহী'ত লিখি দিলে। অৰ্থাৎ মই তেতিয়াহে অনুভৱ কৰিলে
মই চাকৰিত যোগদান কৰিলোঁ। বিদ্যালয়ত আধা ঘন্টা
আলোচনাৰ অন্তত ভাইটিৰ সৈতে পুনৰ ওভটনি যাত্ৰা
কৰিলোঁ। কিছুদিন কাৰ্য্যালয়ৰ কামসমূহ কৰাৰ অন্তত
বিদ্যালয় যোৱাৰ পাল পৰিল। অৱশে মই সেইবাৰ
যাবলগীয়া হোৱা নাছিল। গোৱালপাৰাৰ মধুসুদন দাস
পোৱাত তাৰ সৈতে বাইকেৰে দক্ষিণ শালমাৰালৈ
কৰিছিলোঁ। আমি দুয়ো ফুলবাৰীত এটি ঘৰ ভাড়া কৰি থা
লৈছিলোঁ। ফুলবাৰীৰ পৰা বিদ্যালয় বহু নিলগত আছিল,
আমাৰ বাবে বিদ্যালয়লৈ অহা যোৱা কৰাটো বৰ ক
আছিল। যিহতু উক্ত অঞ্চললৈ যাতায়তৰ কোনো ব্যৱস্থা
সেয়েহে আমি দুয়ো ফুলবাৰীৰ পৰা বাইকেৰে অহা
কৰিছিলোঁ। টে'ট পৰীক্ষা নপতাকৈ আগৰ দৰে শিক্ষক
দিলে আমাৰ দৰে মানুহ হয়তো চৰলৈ শিক্ষকতা ক
নাহিলোহেঁতেন। চৰাঞ্চল আজিও শিক্ষাৰ ক্ষেত্ৰত পিছ পৰি
ফলত বাল্য বিৱাহ, বহু বিৱাহ, ঘৰুৱা হিংসা আদি চলি
শিক্ষাৰ পোহৰেহে চৰাঞ্চলৰ এনে দুৰৱস্থা দূৰ কৰিব
চৰাঞ্চলত শিক্ষা প্ৰসাৰৰ ওপৰত যথেষ্ট গুৰুত্ব দিব
অন্যথা আমাৰ দেশে বহুতো ন ন সমস্যাৰ সন্মুখীন হ'ব

—— লেখকৰ ভ্ৰাম্যভাষ - ৮৭২৩৮৩

## ৰঙালী আদৰি

*শুভ বিভাস বিশ্বাস*

বসন্তৰ উমান পাই
গছে পাত সলালে
কুঁহি পাত মেলিলে

গুচি গ'ল চ'তাই
বহাগী আহিলে
জেতুকা বোলাই

বহাগীৰ খবৰ পাই
কুলিয়ে গীত হায়
ঢুলীয়াই ঢোল বায়
ডেকাইঁতে হুঁচৰি গায়

ৰঙালীৰ জাননী
কেতেকীৰ বিননি
কপৌ পাহি ফুলিছে
ডাল ভৰি।

ঢোলৰ মাতে
পেঁপাৰ তালে
নাচনী নাচিছে
কঁকাল ভাঙিছে

অসমীয়াৰ প্ৰাণৰ
ৰঙালী বিহুটিক
আদৰি আনিছে।

---

## উজাগৰি নিশাৰ কবিতা

*পল্লৱী মধুকল্য*

ভাবৰ বুৰ-বুৰণিত
নদীখনেও সোধে ...
পয়ালগা দিনবোৰ
আকৌ যেন নাহে।

আউশীৰ বেজাৰত
কবিয়েও ভাৱে,
কিজানিবা সোঁত বোৰে
আৱেগেৰে মাতে .....

বাৰিষাৰ ৰাগীত
বৰষুণৰ ঢল .....
পচোৱাৰ বতাহেৰে
সিঁচৰিত প্ৰতিপল;

বেলিৰ লহিয়নিত
পালতৰা নাওঁৰ ছায়া,
নৈৰ সোঁতত বোৱা
বালিৰ সোণালী চেকুৰা।

---

## নৈপৰীয়াৰ সোণসেৰীয়া সাপোন

*গীতাঞ্জলী নিয়োগী*

কুঁৱলীৰ আঁচল মেৰিয়াই
আঘোণী সোণগুটিয়ে সপোন সিঁচে
নৈপৰীয়াৰ বুকুত সোণসেৰীয়া

নৈপৰীয়াৰ বুকুৰ হাড়ত মাটি
তেজত মাটি
তিৰবিৰাই ফুৰে সেই মাটিত
মুঠি মুঠি জোনাক
নৈপৰীয়াৰ উৰুখা পঁজাত

হাঁহি হেঙুলীয়া ভাহি ফুৰে
চকুত যেতিয়া নতুন সোণগুটি চৰে

নৈপৰীয়াৰ যৌৱনত সোণালী নদী
নৈপৰীয়াৰ অলিয়ে গলিয়ে
ৰঙা নীলা সপোন
আঘোণী সোণগুটি নৈপৰীয়াৰ আপোন

নৈপৰীয়াৰ বুকুত গোপন পৃথিৱী
শাওনৰ বিষাদৰ ফছিলেৰে ভৰা
আঘোণী সোণগুটীয়ে কঢ়িয়াই আনে
দুচকুত সপোন প্ৰতিশ্ৰুতি সনা।

## মই ধুবুৰী

*বিজুলী দেৱী*

মই ধুবুৰী -
মহাবাহুৰ পাৰতেই মোৰ অৱস্থিতি
বৰ অসমৰ পশ্চিম সীমান্তত,
মই অতন্দ্ৰ প্ৰহৰী।
মোৰ বুকু জীপাল কৰা
গদাধৰ, গঙ্গাধৰ, সোণকোষ টিপকাই,
হেল, দ্বীপো আৰু গৌৰাং নৈ
দোকালটকা বানত লুইতত মিলে
সাগৰ ধিয়াই।
চান্দৰ ডিঙা !
নুনমাটি ঘাটত জিৰাইছে এতিয়া,
অলেখ মুকুতা বুকুত বান্ধি।
সগৰ্বে মূৰ দাঙি
যাৰ চৌদিশে মুঠি মুঠি সোণগুটি
ব্ৰহ্মপুত্ৰই ধুৱায় নিতে চৰণ দুখনি।
নেতাই-ধুবুনীৰ ঘাটে আজিও গায়
বেউলা লক্ষীন্দৰৰ গাথা,
পাঁচপীৰ-দৰগাহ, গুৰুদ্বাৰ
মোৰ ঐতিহ্যৰ সঁফুৰা।
মোৰ বুকুৰ আদ্যাশক্তি মা-মাহামায়া,
আই-শাখাতি, স্নানঘাট, উদমাৰী-কামাখ্যা,
পাগলা থান আৰু দুধনাথ ধাম।
তীৰ্থযাত্ৰীৰ পদধূলিত তৃপ্ত মোৰ বুকু
নিতে শক্তি যোগায় মোক, প্ৰণিপাত কৰোঁ।
ছত্ৰশাল, ৰামৰায়কুঠী সত্ৰই গায়
"শঙ্কৰ গুৰু আমাৰে ...
মাধৱ গুৰু আমাৰে..."
পানবাৰী মছজিদৰ আজানৰ সুৰে
বুৰঞ্জীৰ পাত লুটিয়ায়।
মোৰ চক্ৰশীলাৰ সোণালী বান্দৰ,
আশাৰীকান্দিৰ টেৰাকটা শিল্প
জগততে দুষ্প্ৰাপ্য।
হস্তীৰ কন্যা, প্ৰতিমা বৰুৱাই প্ৰাণৰ সুৰ তুলি
গোৱালপাৰীয়া লোকগীতেৰে জগত মুহিলে
আজুৰিলে সম্ৰাজ্ঞী উপাধি।
কোচ-ৰাজবংশী, মোৰ উপভাষা চহকী
উপজিয়েই যাৰ দ্বাৰা প্ৰকাশো অনুভূতি
বিশাল অসমীয়া সংস্কৃতিৰ মই একোপাহি ফু
পিচ পৰা, অনুন্নত বুলি কৈ নকৰিবা ভুল।
হুদুম-কাৰ্তিক, চৰক ধৰম,
কুশান-মাৰৈ, বাঁশ, বাগুৰুম্বা
জাতি-জনজাতি, চৰ-চাপৰিয়ে
মিলিজুলি কৰে সংস্কৃতিৰ পূজা।
মোৰ হৃদয়ৰ অপাৰ আকুতি
বুকুত ঐতিহ্য প্ৰকাশৰ গুণগুণনি,
মোৰ সভ্যতা-সংস্কৃতিৰ বুৰঞ্জী
পঞ্চমত সুৰ তুলি পৰক বিয়পি।
এনেদৰেই বৈভৱৰ সুৰ-মালা গাঁথি গাঁথি
আৰু এধাপ উজাই যাওঁ,
হৈ সুৰুযমুখী, মই ধুবুৰী।

---

কবিৰ দূৰভাষঃ- ৯৪০৩৯৬৭৫০৬

## নাৰী

*জুনুমনি দাস*

অনুধাৱনৰ যাত্ৰীসকল
লজ্জাহীন ভাৱে কʼলে যোৱা?
দেখা নাই দেশ খহি পৰিছে
মাটি কঁপি উঠিছে
সাই-লাখ গ্ৰীচৰ দেৱীৰ দৰে
চকুত কলা কাপোৰ
আৰু হাতত তুলা-পাচনি
এয়াইতো তোমাৰ পৰিচয়
চকু থাকিও চকুত ডাঠ কʼলা কাপোৰ
অনুধাৱনৰ যাত্ৰীসকল,
পিতৃবিহীন হোৱাৰ উপক্ৰমত
ক্ৰমাগত দেশ সাধু এতিয়া .......
কনকলতাৰ কথা পাহৰিলা?
কʼত যে যুগৰ পিছতো ভগ্নী নিবেদিতা
অমাটিৰ হৈও মাটি বুলি ভাবিছিল।
হে যাত্ৰীসকল নৈ হৈ বৈ যোৱা
বৈ যাবলৈ দিয়া সকলো প্ৰসৱৰ যন্ত্ৰণা।
পাহৰি নাযাবা যʼত তুমি বহিছা
যʼত তুমি থিয় দিছা
যʼত তোমাৰ উশাহো বন্দী,
যʼত গৰল তোমাৰ সকলো তৃষ্ণা
সেয়া ধৃতৰাষ্ট্ৰ আৰু গান্ধাৰীৰেই দেশ।
অপেক্ষা কৰা আকাশৰ প্ৰতিশ্ৰুতিলৈ।
সেউজীয়াৰ বিপ্লৱলৈ।

## ব'হাগ

*জিন্টি মেধী*

তোমালৈ বৈ থাকোঁতে
গমকে নাপালোঁ
কেতিয়ানো পালা তুমি পদুলিৰ মুখ?
ভাবি গুণি থাকোঁতে দেখোন
আহিয়েই ৰ'লা চঞ্চলা বতৰাৰ সুবাস লৈ।
নাহৰ, কেতেকীৰ মাদকতাৰ ভাবাৰে
কপৌ ফুল পাহি খোপাত গুজি
সেই জনী
নাচনীৰ গা
সাতখন আঠখন
কাৰোবাৰ ঢোল, পেঁপাৰ মাতত
ৰিঙি ৰিঙি।
ভয়তে কঁপিছে বুকু
অজান এক মাদকতাত
তাঁতশালৰ বিহুৱান খনিয়েও দেখোন
হাঁহিছে নতুন ব'হাগৰ হিয়া ভৰা
বতৰা পাই।
জিৰণি ল'বলৈ
আহৰি পোৱা নাই
বিহুৱানৰ কোমল ভাঁজত চেনাইৰ নামো যে
লিখা হোৱা নাই।
অ' বহাগ
কেতিয়ানো আহি ৰ'লাহি তুমি
মোৰ পদুলিৰ কপৌপাহি য়ে
এতিয়াও গীতে জুৰা নাই।

---

## বহাগৰ সুবাস

*মিনতি সৰকাৰ*

বহাগৰ সুবাস তেতিয়াই পাইছিলোঁ
জাপি মূৰত লৈ দেউতাৰ হাত ধৰি
নাঙলৰ পিছে পিছে দৌৰি দৌৰি।
পথাৰৰ আলিত জপিয়াই জপিয়াই
ফৰিং ধৰাৰ নিচাত।
মাতাল কৰা ৰজনীগন্ধাৰ গাত
সিঁচৰিত হৈ থকা বনৰীয়া ফুলৰ মাজত।
কাটি আনি একাকাৰ কৰি দিয়ে
জীৱনৰ বহাগ।
পেঁপা ঢোলৰ লগত আহি
আনন্দত ভৰাই তুলে সমাজ।
নক্ষত্ৰ কঁপি উঠে বৰদৈচিলাৰ ৰোষত
তাতেই বীৰত্ব, অসমৰ সংস্কাৰ।
নৱ উন্মাদনা জাগি উঠে,
মাতি আনে অভেদৰ ভাৱ।
এতিয়া শিথিল দেহা
প্ৰকৃতিও ৰুগ্ন হৈ আছে,
দেউতাৰ পৰি থকা
ভঙা জাপিত বিচাৰোঁ -
সংস্কৃতিৰ গৰ্বত জীয়াই থকা -
জীৱনৰ প্ৰতিটো বহাগৰ
প্ৰকৃত সুবাস।

---

## মহঙা দিনৰ কবিতা

দীপজ্যোতি চহৰীয়া

প্ৰিয়া,
ৰদৰেই বৰষুণ ভালপোৱানে এতিয়াও
ন,
ল বৰষুণ আৰু বৰষুণ
ংবোৰ ক'লৈকো যাব পৰা নাই,
াৰ-বণিজ ভালদৰে কৰিব পৰা নাই
ত চাৰিওফালে পানী পানী
,
বুকুৰ মৰুভূমি
ান এতিয়াও শুকান শুকান।

বৰ্ষাপ্ৰিয়া,
এয়া কেনে বসন্ত,
কেনে বহাগ কোৱা....
চ'তত বৰষুণ
বজাৰত জুই
এনে সময়তো পাৰি জানো
প্ৰেমিক হৈ থাকিব জীৱনৰ?
গছ-লতাবোৰৰ দৰে মন গৈছে
সেউজীয়া হৈ
এই জুইৰ স'তে জ্বলি নিঃশেষ হ'বলৈ।

## শব্দ

*ৰাছেল সৰকাৰ*

শব্দবোৰ এতিয়া বৰ স্পষ্ট
মুখ আৰু পিঠি দিয়াবোৰৰ উত্তপ্ত শব্দ
এতিয়া সাতৰঙী হৈ থকা নাই,
অতীতৰ কোনো বচন, শ্লোক আৰু উপমাও নাই।

শব্দবোৰ এতিয়া ইলেক্ট্ৰনিক মিডিয়াৰ পোহপাল
উচ্চাৰণত অকল, ধৰ্ম-ৰাজনীতিৰ বিশ্লেষণ
মাজে মাজে বিৰতি ঃ ধৰ্ষণ আৰু ধৰ্মীয় সম্ভাৰেৰে।

শব্দবোৰ এতিয়া উষ্ম;
তেজাল ঘোঁৰাৰ দৰে;
পোহৰতকৈ ক্ষিপ্ৰ।
অমৃতৰ ঘটি, জিভাবোৰ চেলেকি আহিছে।
অমৰ হৈ, ঘোঁৰা আৰু খচ্চৰবোৰ দৌৰিছে
জয় গান গাই, ধূলিৰ ধোঁৱা তুলি।

ৰঙালীৰ যৌৱনত সকলো বনৰীয়া
বিহুত সাতশাক খোৱাৰ পৰম্পৰা,
আখৰৰ ইতিহাস, এতিয়া
তেজ মাংসৰ আমদানি আৰু ৰপ্তানি।
ঢোলৰ কোবত কঁকাল ভাঙা
ডিস্কৰ মিউজিকত সৰিয়হ চপোৱা

## মধ্যবিত্তৰ সপোনবোৰ

মধ্যবিত্তৰ সপোনবোৰ সদায়
সঞ্চিত হৈ থাকে নিজা ডায়েৰীত,
অথবা ......,

কোনো বন্ধু-বান্ধৱীৰ ম্লান বুকুত।
যত অঁকা থাকে কিছু কোমল আৰু কেঁচা
ছবি।

সময়ৰ লগে লগে ছবিবোৰ বৰ্ষীয়ান হৈ
বৰ্ণহীন হৈ পৰে।
তাতেনো কি হ'ল ........!

আকৌ নতুন সপোনে ভুমুকি মাৰেহি
সময়ৰ সোঁতত আহি।
আৰু পুৰণা সপোনবোৰ ..... ?

পুৰণা সপোনবোৰ সঞ্চিত হৈ থাকে।
সঞ্চিত হৈ থাকে নিজা ডায়েৰীত
অথবা ........,

কোনো বন্ধু-বান্ধৱীৰ ম্লান বুকুত।।

## প্ৰতাৰণাৰ পদ্য

ছালমা জামান

কবিতাৰ ৰাতিবোৰে ফেঁচাৰ কুৰুলিত
অপশব্দ মাতি আনে
কথাবোৰ নোকোৱাকৈ থকা হ'লে
ছিটিকি নপৰিল হয় হৃদয়খন
ক'বলৈ বহু কথাই থাকি গ'ল
খালী কোৱা হ'ল
বুকুখন খালি নকৰিবা
বুকুৰ গভীৰৰ ভাললগা কথাবোৰ
ৰক্তিম চকুলোৰ চিঞাহীৰে লেখা গান

আকৌ
জোনে ধাৰখোৱা পোহৰেৰে পোহৰাব বুলি
এটা উজাগৰী নিশা বালিচৰত

আকাশ উত্তাল কৰা চৰাইজনীৰ ঠোঁটৰ পৰা
কেতিয়াও সৰি পৰা নাছিল ৰ'দৰ চিঠি
অবিশ্বাসী নহয় যে
ৰ'দৰ ঠিকনাত নাম দিব পৰাকৈ
যাযাবৰ বিপ্লৱীৰ শেষকৃত্যত সাৰে থাকে
আজিৰ ডষ্টেয়ভেস্কি।

সমাধিস্থ মানেই সমাপ্তি নহয়
সমাপ্ত হলেও শেষ নহয় ভাললগা কথাবোৰ
খালী কোৱা হ'ল
বুকুখন খালি নকৰিবা
তেওঁ তাকেই কৰিলে।

## প্ৰেম হেনো আহে এই বাটেদিয়েই

*ধনঞ্জয় সিনহা*

বসন্ত কোঁৱৰে ফাগুনীত লঠঙা হোৱা
বিৰিখত ন পাত গজাব।
ৰেই শপত লৈ তেওঁ আহি লগাইছে খদমদম।
ত আনিছে এজাক কোকিল 'গীদাল'ৰ সুৰীয়া দল।
নানা গছে-পাতে ছটিয়াই দিছে
'বিষুৱা-বেষমা'ৰ হেঙুলী বোল।
ৌপুৰীয়া গাভৰু 'বৰ্ণা'জনীও পাই নোৱাৰে থাকিব
নিজানে, নিৰলে অকলে।
ৰিণতিত ঘৰ এৰি তাই আজি ওলাই আহিছে
সেউজ প্ৰকৃতিৰ নিভাঁজ মৰমী কোলাত
বাসন্তীৰ বঁকিয়াত
এটি বাথানৰ মিঠা এঠা দৈৰ
টেকেলি যুটিটো হৈ।
দেহাত তাইৰ ৰুণজুন জুনুকাৰ তাল,
দুভৰিত 'গোৱলিনী'ৰ ঠমক
আই ঐ দেহা,
মনত আক পিৰপিৰণি
আই কামতাৰ যাদুকৰী বৰসুৰৰ
গুঞ্জন ৰাগিনী প্ৰথম প্ৰেমৰ -
াকাশোতে নাই ৰে চন্দ্ৰ, কি কৰে তোৰ তাৰা?
যেই নাৰীৰ সোয়ামী নাই ৰে,
ও তাৰ দিনে অন্ধিহাৰা।
পুষ্কৰনীতে নাই ৰে পানী,
নৌকা কেমন চলে!
যেই নাৰীৰ পুৰুষ নাই ৰে,
ও তাৰ ৰূপে কি কাম কৰে ৰে
ও মোৰ মাকনা হাতীৰ মাহুত ৰে,
যেদিন মাহুত উজান যায়,
নাৰীৰ মন মোৰ কান্দিয়া ৰয় ৰে!
যেদিন মাহুত শিকাৰ যায়,
নাৰীৰ মন মোৰ পুৰিয়া ৰয় ৰে!'

---

(কবিতাটোৰ প্ৰয়োগ হোৱা শেষৰ শাৰী কামতাপুৰৰ লোকগীত এটিৰ উল্লেখ। কবিতাটোত কাব্যিক সুবাস বিয়পাবলৈ ইয়াৰ প্ৰয়োগ পৰীক্ষামূলকভাৱে হৈছে — কবি।)

## সভ্যতা

*আঞ্জুমা বেগম*

আদিম যুগত,
মানৱ জাতিৰ বাসস্থান আছিল
গছৰ তলত,
পৰিধান কৰিছিল গছৰ পাত,
মানৱ অন্তৰে পোৱা নাছিল
সভ্যতাৰ পোহৰ।
কিন্তু আজি বিজ্ঞান আৰু
প্ৰযুক্তিবিদ্যাৰ দিনত মানৱ
জীৱন উন্নতিৰ শিখৰত,
তথাপিও কিয় আজি অধঃপতন
মানৱ সভ্যতাৰ?
যেতিয়ালৈকে সমাজত, দেশত চলি
থাকিব দুৰ্নীতি, ভ্ৰষ্টাচাৰ, লুণ্ঠনৰাজ,
গণহত্যা, ধৰ্ষণ! তেনে অৱস্থাত
কেনেকৈ নো হ'ব মানৱ সভ্যতাৰ
পৰিপূৰ্ণ বিকাশ?
অমানৱীয় আচৰণ;
অকল হ'লেই নহ'ব খাদ্যাভ্যাস,
সাজ-পোছাকৰ পৰিৱৰ্তন;
লগতে মানৱ মনৰ হ'ব লাগিব
সলনিকৰণ,
মৰামাৰি, কটাকটি, হিংসা, জাতিভেদ
কৰিব লাগিব নোহোৱা কৰণ;
সকলোৱে হ'ব লাগিব এক ধৰ্মৰ নিয়ম
মানৱ ধৰ্মৰ প্ৰচলন;
উপযুক্ত শিক্ষাৰ জ্ঞানৰ পোহৰৰে
হ'ব লাগে সমাজ, দেশৰ নীতি-নিৰ্ধাৰণ।।
তেতিয়াহে হ'ব মানৱৰ সভ্যতাৰ
পৰিপূৰ্ণ বিকাশৰ সফলকৰণ।।

---

## নলা

*হজৰত আলী*

নলাসমূহে কেতিয়াও নকয়
আৱৰ্জনা কঢ়িয়াই নলও বুলি
বৰষুণ হ'লেও কঢ়িয়াব
খৰাং হ'লেও কঢ়িয়াব
যিয়ে যি দলিয়াব
সব কঢ়িয়াব
নহ'লে যে নগৰবাসীৰ নাকত
ৰুমালে আলহী হ'ব!

## দুখ আৰু দোষ

*আমিনুৰ ইছলাম*

"মোৰ দোষ ক'ত তুমি ক'বানে?

তুমি বিচৰাৰ দৰে মই হ'ব পৰা নাছিলোঁ,
এয়াই নেকি মোৰ দোষ?

তুমি সকলো সময়তে মানুহক ব্যৱহাৰ কৰিলা,
ব্যৱহাৰ কৰিব নোৱাৰিলা মোক তোমাৰ কামত,
এয়াই নেকি মোৰ দোষ?

তুমি বেয়া পোৱা বোৰক মই ভালপাবলৈ শিকিলোঁ,
এয়াই যদি মোৰ দোষ,
সমাজে দিব তাৰ সময়ৰ শৰ।

*****

মই বিচৰাৰ দৰে তুমি হ'ব নোৱাৰিলা
মই ভৱাৰ দৰে তুমি সকলোকে সমান নেদেখি
মইতো দিনৰ পিছত দিন তোমাৰ কাৰণে কটাই
কিন্তু বিশ্বাসঘাতকতা কৰা নাছিলোঁ।

তোমাৰ এটা মাতত মোৰ সকলো কাম
পেলাই থৈ গৈছিলো,
কিন্তু তুমি এবাৰো বুজি নাপালা।

মোৰ ভালপোৱাবোৰক তুমি ভাল নাপালা
অযথা তুচ্ছ তাচ্ছিল্য কৰিলা -
নাপালা মোৰ কোনো প্ৰতিক্ৰিয়া
এয়া আছিল তোমাৰ প্ৰতি উদাৰতা।

এতিয়া মোৰ দুখ আৰু দোষ লৈ চলিব শিকি

---

With Best Compliments from -

M/S. SATYAM DAS

J.P. Road, Bilasipara,

Deals in : Stationery, Cosmetic,
City Gold, Gift Items, Disposal,
Invite Card, Sports &
Zym Items Etc.

# ৰঙালীৰ ৰেঙণি

*মুকুল কুমাৰ নাথ*

সংস্কৃত 'বিষুৱ' শব্দৰ পৰা উৎপত্তি হোৱা 'বিহু' শব্দটি অসমীয়া সমাজৰ এক পৰিচায়ক। ই জাতি সত্ত্বাক বিশ্বৰ দাঙি ধৰে। বিহু মূখ্যতঃ তিনিটা যদিও এই বহাগ বিহু বা বিহুৱেই প্ৰধানত কৃষ্টি-সংস্কৃতিৰ ধ্বজা বাহক। সুধাকণ্ঠ পেন হাজৰিকাদেৱৰ ভাষাৰে 'ই অসমীয়া জাতিৰ আয়ুস। পূৰ্বতে এই ৰঙালী বিহু নিজৰ ঠাইতে সীমাবদ্ধ আছিল বৰ্তমানে বিশ্বৰ প্ৰায়বোৰ দেশলৈ ইয়াৰ প্ৰসাৰণ ঘটিছে। লবাদন, বিহুনৃত্য, পেঁপাবাদন আদিৰ জৰিয়তে সাত-সাগৰ, নদীৰ সিপাৰে অসমৰ বাপতিসাহোন 'বিহু'য়ে প্ৰসাৰ লাভ । প্ৰত্যেক বছৰৰ বহাগ মাহত বিদেশত থকা মুষ্টিমেয় সকলে মিলিজুলি মুকলি বিহু, বহাগী উৎসৱ উদ্‌যাপন দেখা যায়।

চ'তে গৈয়ে গৈয়ে বহাগে পালেহি
ফুলিলে ভেবেলী লতা
কৈ থাকো মানে ওৰকে নপৰে
ৰঙালী বিহুৰে কথা।

বসন্তৰ আগমনৰ লগে লগে পাত সৰি লঠঙা হোৱা ৰৈও সেউজীয়া আৱৰণ সলাই কুলি-কেতেকীৰ মাতত ক আদৰিবলৈ প্ৰস্তুত হয়। প্ৰকৃতিয়ে নকৈ সাজি-কাচি ক আদৰাতে মছগুল হৈ থাকে। চিৰাল ফাট মেলা পথাৰ পানী পাই সেউজীয়া ঘাঁহ-বনেৰে সু-শোভিত হৈ উঠে। ন পৰশা পৰিৱেশত চ'ত আৰু বহাগ মাহৰ সংক্ৰান্তিৰ মি পালন কৰিব লওঁ হেঁপাহৰ ৰঙালী বিহু।

পূৰ্বে ভগৱন্ত বৃন্দাবনত
যোল্লশ গোপিনীক পাই
যোল্লশ গোপিনীক নচুৱাই বগুৱাই
আমালৈ বিহু থৈ যায়।

দ্বাপৰ যুগত শ্ৰীকৃষ্ণই বৃন্দাবনত গোপীসকলৰ লগত লীলা কৰিছিল, সেইনৃত্যৰ আঁত ধৰিয়েই এতিয়াৰ বিহুনৃত্য বা বুলি বিহুগীতবোৰে দোহাৰে। পূৰ্বৰে পৰা লোককৃষ্টিৰ গীত বিহুনৃত্যবোৰ পৰম্পৰাগতভাৱে চলি আহিছে যদিও লি অৱশ্যে কোনো কোনো ক্ষেত্ৰত বিকৃত ৰূপ লৈছে। ভলক্ষণ নহয় বুলিয়ে আমাৰ ধাৰণা।

আগতে ৰঙালী বিহু বুলিলে গাঁৱৰ ডেকা-গাভৰুবোৰে আঁহতৰ তলত বা ৰাজহুৱা স্থানত প্ৰায় এমাহ আগৰে ৰ আখৰা কৰিছিল। যিবোৰ দৃশ্য বৰ্তমানে দেখা পোৱা দুই-তিনি দশক আগতে গাঁৱৰ অভিভাৱকসকলে ছোৱালীবোৰক বিহু নাচিবলৈ অনুমতি দিয়া নাছিল। ফলত ল'ৰাবোৰকে নাচনী সজাই বিহু মাৰিছিল। দ্বিতীয় বিহুৰ দিনাৰ পৰা মানুহৰ ঘৰে ঘৰে গৈ দিনৰ পৰা আৰম্ভ কৰি নিশা দুপৰলৈকে বিহু বা হুঁচৰি মাৰিছিল। ঘৰৰ গৃহস্থসকলেও নঙলাৰ জপনা খুলি আশীৰ্বাদ ল'বলৈ ৰৈ আছিল।

এতিয়া সেই পৰিৱেশ গাৱঁত কাচিৎহে দেখা পোৱা যায়। তেনে বিহু-হুঁচৰিবোৰ নগৰ-চহৰ কিম্বা মফচলীয় অঞ্চলবোৰতো চোতালৰ পৰা মঞ্চত উঠিলগৈ। য'ত সেই পুৰণি ৰসাল মাদকতা নাই। বিহুৰ বিভিন্ন প্ৰতিযোগিতাবোৰ ৰাতিৰ জিক্‌মিক পোহৰত গছৰ ডাল পুতি সম্পূৰ্ণ কৃত্ৰিমতাৰে ভৰা এখনি নতুন জগতত পতা যেন অনুভৱ হয়। য'ত জ্যেষ্ঠসকলৰ আশীৰ্বাদ তথা মৰম-চেনেহৰ গোন্ধ নাথাকে। প্ৰতিযোগিতাৰ ধামখুমীয়াত গাৱঁৰ মৰম-চেনেহ ভৰা মাদকতাবোৰ যেন চহৰীয়া পণ্য সামাগ্ৰীৰ তুলাচনীত দুদোল্যমান।

আগৰ দিনৰ বিহুগীতবোৰ শুনিলে দেহ-মনবোৰ কিবা এক অজান পুলকত নাচি উঠিছিল। প্ৰয়াত খগেন মহন্তৰ গীত এফাঁকিয়ে তাকেই দোহাৰে।

চকলা টেঙাটি অকলে নাখাবি
আমাকো এচকল দিবি
বিহু মাৰিবলৈ অকলে নেযাবি
আমাকো লগতে নিবি।

আজিকালি সামাজিক মাধ্যমত কিছুমান লোকক দেখা যায় কঁকাল বা ডিঙিত ঢোল আঁৰি বজাই আছে। অথচ শৰীৰত কোনো বিহুৱা পোচাক নাই। ক'ৰবাত দেখিব বিহুৱা ডেকাই মূৰত গামোচাখন মাৰি বিহু নাচিছে, য'ত দেহৰ তলভাগত পেন্ট আৰু স্পৰ্টিং। এনেক্ষেত্ৰত আমাৰ কৃষ্টিটোক অপমান কৰাটো বুজোৱা নাইনে?

বিহু যিহেতু আমাৰ কৃষিভিত্তিক অনুষ্ঠান, সেয়ে ইয়াৰ মতে কৃষিকৰ্ম জড়িত হৈ পৰে। দোমাহীৰ দিনা পালন কৰা 'গৰুবিহু' আজিকালি নৱ-প্ৰজন্মই নগৰ চহৰত দেখিবলৈতো নাপায়েই গাঁৱলীয়া অঞ্চলতো প্ৰায় বিলুপ্ত হ'ব ধৰিছে। কাৰণ বিজ্ঞানৰ যান্ত্ৰিকতাৰ দৌৰত খেতি কৰ্মত ট্ৰেক্টৰসমূহে ঠাই লোৱাৰ পাছত প্ৰায়বোৰ ঘৰতে গৰু-গাই নোহোৱা হৈ গৈছে। ফলত 'গৰুবিহু'-ৰ লগত সংলগ্ন কাৰ্যবোৰৰ বিষয়ে নাজানে অথবা চাক্ষুস অভিজ্ঞতাৰ অভাৱ ঘটিছে।

বিহু বুলিলে দুই-তিনিদিন আগৰে পৰা ঢেঁকীত পিঠাগুৰি খুন্দি পিঠা-লাডু বনোৱাৰ যি ব্যস্ততা আছিল, সেয়া যেন লাহে লাহে লোপ পাব ধৰিছে। ইয়াৰ কাৰণ হিচাপে ক'বলৈ গ'লে পৰিয়ালবোৰ একক পৰিয়াল হোৱাৰ কৰ্মব্যস্ততা অথবা আজিকালি অতি সহজতে কষ্ট নকৰাকৈ দোকান বা ৰেষ্টুৰেন্টত

পোৰা পেকেটৰ ৰেডিমেড খাদ্য।

বিহুৱান ৰঙালী বিহুৰ আন এক আপুৰুগীয়া সম্পদ। মহিলা কিম্বা বোৱাৰীসকলে এমাহমান আগৰে পৰা ঘৰৰ জ্যেষ্ঠসকলক বা আপোনজনক দিবৰ বাবে তাঁতত বৈ অৰ্পন কৰা বিহুৱানখনত যি আত্মসন্তুষ্টিৰ ভাৱ থাকে এই ক্ৰয় কৰা গামোছাত নাথাকে।

আন এটা বিশেষ কৰ্ম হৈছে গৰু বিহুৰ দিনা প্ৰত্যেক ঘৰ মানুহৰ পদূলিমুখত দিয়া 'জাগ'। সন্ধিয়া সময়ত গৰুবোৰ নতুন পঘাৰে গোহালিক বন্ধাৰ পিছত; জাৱৰ-জোথৰ, আদিৰে গোহালিৰ কাষতে নঙলাত জাগ দিছিল। ইয়াৰ উ মহ খেদা। ইয়াৰ সতে এটা পৰম্পৰাও জড়িত হৈ আছে। সে বিছনীৰে জাগত বা দিয়াৰ পিছতহে মানুহে বছৰটোৰ বা বা গৰমৰ কাৰণে হাতত বিছনী তুলি লৈছিল। কিন্তু আজি মানুহে এই পৰম্পৰা ধৰি ৰাখিব পৰা নাই। অৱশ্যে ইয়াৰ ম কোনো কোনোৱে পৰম্পৰা মানি চলি আছে।

লেখকৰ ভ্ৰাম্যভাষ ঃ ৯৫৩১১১৪

## অষ্টাদশ সংখ্যা চিত্ৰলেখাৰ বৰঙণি দাতাৰ তালিকা

| | | | |
|---|---|---|---|
| ১। | আলতাপ হুছেইন আহমেদ | - | ৫০০.০০ টকা |
| ২। | প্ৰণতি দাস | - | ২০০.০০ টকা |
| ৩। | বিজুলী দেৱী | - | ২০০.০০ টকা |
| ৪। | শুভ বিভাষ বিশ্বাস | - | ২০০.০০ টকা |
| ৫। | বিশ্বজিৎ গোস্বামী | - | ২০০০.০০ টকা |
| ৬। | বিৰিঞ্চি বৰা | - | ১০০০.০০ টকা |
| ৭। | কণিকা বৰকাকতি | - | ৫০০.০০ টকা |
| ৮। | সুভাষ চৌধুৰী | - | ৫০০.০০ টকা |
| ৯। | ডাঃ কানুলাল দাস | - | ৫০০.০০ টকা |
| ১০। | আমিনুৰ ৰহমান | - | ৫০০.০০ টকা |
| ১১। | অবিনাশ শীল | - | ৫০০.০০ টকা |
| ১২। | বাবুল শীল | - | ৫০০.০০ টকা |
| ১৩। | ড০ মুজাম্মিল হক | - | ৫০০.০০ টকা |
| ১৪। | মুকুল নাথ | - | ৩০০.০০ টকা |
| ১৫। | গীতাঞ্জলি নিয়গী | - | ৩০০.০০ টকা |
| ১৬। | মানৱ দাস | - | ৫০০.০০ টকা |
| ১৭। | দীপজ্যোতি চহৰীয়া | - | ৫০০.০০ টকা |
| ১৮। | প্ৰাণজিৎ চক্ৰবৰ্ত্তী | - | ৫০০.০০ টকা |

**সপ্তদশ সংখ্যা চিত্ৰলেখাৰ আয়-ব্যয়ৰ হিচাপ**

| | | |
|---|---|---|
| মুঠ ছপা ব্যয় | - | ১২০০০.০০ টকা |
| মুঠ সংগ্ৰহীত ধন | - | ৯৩০০.০০ টকা |
| | মুঠ ঘাটি- | ২৭০০.০০ টকা |

# বিহুগীতত লোক বিশ্বাস

হৰিনাৰায়ণ কলিতা (তামুলপুৰ)

সংস্কৃতিৰ বাহকৰ এটা সুঁতি লোকগীত। এই গীতে জীৱনৰ মনৰ কথা প্ৰকাশ কৰে। বিহুগীতবোৰো তাৰ ম নহয়। এই বিহুগীতবোৰতো দৈনন্দিন কৰ্মজীৱনৰ নানা ন্দৰ ভাৱে প্ৰতিফলিত হয়। য'ত লোকমনৰ বিশ্বাস, আচাৰ ও ঠাই পোৱা দেখা যায়। বিহুগীতবোৰত লোকবিশ্বাসৰ লভাৱে ধৰ্মীয় বিশ্বাসৰ উপৰি পৰম্পৰাগত ভাৱে ত চলি অহা আচাৰ-বিশ্বাসেও স্থান লাভ কৰি আহিছে।

চহালোকৰ প্ৰায়ভাগে ভগৱান বিশ্বাসী। তেওঁলোকে না শুভকৰ্ম কৰাৰ আগত 'দেৱ-দেৱী'ক স্মৰণ বা পূজা অন্যতম কৰণীয় কৰ্মৰূপে লয়। যাৰ আভাস বিহুগীততো যায়। বিহুগীতত বিহুৱা ডেকাই বিহু নাচিবলৈ লোৱাৰ ৰ্বত দেৱী সৰস্বতীক প্ৰণাম কৰাটোত তাৰে আভাস ন। সৰস্বতী বিদ্যাৰ দেৱী। সেয়েহে বিহুৱা ডেকাই দেৱীৰ বিশ্বাস ৰাখিছে, যাতে বিহুগাই থকাৰ সময়চোৱা বে অতিবাহিত কৰিব পাৰে -

"প্ৰথমে প্ৰণামো দেৱী সৰস্বতী
দ্বিতীয় প্ৰণামো হৰি
তৃতীয় প্ৰণামো গাৱঁৰ বুঢ়া বেথা
ধৰি যাওঁ নামৰে গুৰি।"

ইয়াৰ উপৰি মানৱ সমাজে নিজৰ মনোবাঞ্ছা পূৰণৰ াৰু কৰ্মসিদ্ধিৰ বাবে ভগৱানক স্মৰণ কৰাটো আন এক বিশ্বাসৰে নিদৰ্শন। ইয়াৰ নিদৰ্শন বিহুগীতত পোৱা যায় ৰ - "আইনো সৰস্বতী কৰিছো কাকুতি
মনৰ আশা কৰিবা দুৰ;
বিৰহৰ বননি বিনাই যাওঁ বননিত
কলিজা কৰি যাওঁ জুৰ।"

উল্লেখ কৰিব পাৰি যে মনৰ আশা পূৰণৰ বাবে আৰু ফল লাভৰ বাবে হিন্দু শাক্তধৰ্মী সমাজত দেৱীলৈ ম'হ, আদি বলিৰ বাবে আগবঢ়াই দিয়া দেখা যায়। যিটো এক বিশ্বাস বা ধৰ্মীয় বিশ্বাসৰ অন্তৰ্গত বুলি ক'ব পাৰি। তত প্ৰেমিক বিহুৱাই প্ৰেমিকাক পাবৰ বাবে দেৱীলৈ ক'লা আগবঢ়োৱাৰ চিত্ৰ অতি সুন্দৰভাৱে চিত্ৰিত হৈছে -

"দেৱীলৈ বান্ধি যাওঁ ক'লাকৈ ছাগলী
দেৱতালৈ টোপোলা বান্ধো,
তোমাক নেপাওঁ বুলি মনত ঐ চিতনি
ৰাতি পাটীত পৰি কান্দো।

মৃত্যুৰ পিছত মানুহে স্বৰ্গলৈ যায় বুলি লোকমনে কৰে। জীৱিত কালত পুণ্য-কাম কৰিলেহে স্বৰ্গত স্থান ৰে বুলি লোকবিশ্বাস প্ৰচলিত হৈ আহিছে। সেয়েহে মানুহে জীৱন-কালত দান দিয়াৰ দৰে পূণ্যৰ কাম কৰিব লাগে বুলি বিহুগীততো উল্লেখ আছে, এনেদৰে -

"এথানি হোৱাতকৈ গৰু ম'হে খচাতকৈ
ভকতক কৰিবা দান,
আমাক দান কৰিলে জীৱই গতি পাব
পাবগৈ বৈকুণ্ঠত স্থান।"

মানুহে স্মৰণাতীত কালৰে পৰা প্ৰকৃতিক পূজা কৰি আহিছে। প্ৰকৃতিৰ অন্তৰ্গত কিছুমান শক্তিক প্ৰত্যক্ষ কৰি পূজা আগবঢ়াইছিল সূৰ্য্য, বায়ু, বৰুণ, অগ্নি, ইন্দ্ৰ, পৰ্বত-পাহাৰ, গছ-গছনি, নদ-নদী আদিক নিজস্ব বিশ্বাস অনুসৰি তেওঁলোকে পূজা কৰিছিল। বৰ্তমান সমাজ ব্যৱস্থাতো এনেদৰে প্ৰাকৃতিক পৰিৱেশ, ধৰ্মীয় বিশ্বাস, সাংস্কৃতিক ৰীতি-নীতি অনুযায়ী জনগোষ্ঠীসমূহৰ উপাস্য দেৱ-দেৱী নিৰ্দ্দিষ্ট হৈ পৰিছে আৰু সেই মতে পূজা দি আহিছে। বিহুগীতত 'মেঘ দেৱতা'-ৰূপে মেঘক স্মৰণ কৰি বৰষুণ নিদিবলৈ কৰা প্ৰাৰ্থনাই লোকবিশ্বাসৰ আভাস দিয়ে এনেদৰে - "হেৰা মেঘ দেৱতা বৰষুণ নিদিবা
ৰাতি নুপুৱায় মানে,
ধনৰে ঘৰলৈ যাবলৈ ওলাইছোঁ
নেদেখা ঈশ্বৰে জানে।"

বিহুগীতসমূহ লোকবিশ্বাসৰ এক অনন্য ভঁড়াল। লোকসমাজত যুৱক-যুৱতীৰ বিয়াৰ বাবে বামুণ-গণকৰ ওচৰলৈ গৈ শুভদিন চোৱাটো এক লোকবিশ্বাসৰে উদাহৰণ, যাৰ বৰ্ণনা বিহুগীতত পোৱা যায় -


"নৈ কাষৰীয়া পকা জলকীয়া
তললৈ মেলিলে শিয়া,
বামুনক চোৱালো গণকক চোৱালো
হ'ব মোৰ ব'হাগত বিয়া।"

ইয়াৰ উপৰি বিবাহৰ বাবে উপযুক্ত ল'ৰা-ছোৱালীৰ ৰাশি যোৰা (ৰাহি-যোৰা) চোৱাটো আন এক লোকবিশ্বাসৰ উদাহৰণ। বিহুগীততো ইয়াৰ সুন্দৰ সামাজিক চিত্ৰ পোৱা যায় এনেদৰে - "তুমি আমিয়ে উমলি আছিলো
হাতত কাৰফাই ধেনু,
তোমাৰ মোৰে চোৱায় ৰাহি যোৰা
মাৰে বাপেৰে হেনো।"

এইদৰে বিচাৰ কৰিলে দেখা যায় যে, বিহুগীতবোৰে সমাজ জীৱনৰ অৰ্থনৈতিক, সামাজিক ৰীতি-নীতি আদিৰ চিত্ৰক সুন্দৰ ভাৱে তুলি ধৰাৰ মাজতে শ্ৰমজীৱী গাৱঁলীয়া সমাজত চিৰপ্ৰৱাহমান হৈ বৈ থকা নানা লোকবিশ্বাস, ধৰ্মীয় বিশ্বাস, আচাৰ নীতিকো সুন্দৰভাৱে চিত্ৰিত কৰিছে। যিয়ে লোকসাহিত্যৰ ক্ষেত্ৰখনত বিহুগীতত উচ্চ আসনত অলংকৃত কৰাত অৰিহনা যোগাইছে।

------

লেখকৰ ভ্ৰাম্যভাষ - ৮৪৮৬৯০৮৫৩৭




## মুখ্য সম্পাদকৰ কলমত —

### আকৌ ওলাল চিত্ৰলেখা

আকৌ ফুলিল আকৌ ফুলিল
কপৌ ফুলৰ থোপা ..

... আকৌ ওলাল চিত্ৰলেখা। বিগত দুটা বছৰে কোৰ'না অতিমাৰীয়ে নিশকতীয়া কৰা আমাৰ সমাজখন দুৰৱস্থা দেখি চিত্ৰলেখাই দুখতে ওলাব খোজা নাছিল। এইবেলি সেই পৰিৱেশৰ অৱসান হোৱাত চিত্ৰলেখা ওল আহিছে লাজ লাজকৈ। বিলাসীপাৰা মহকুমা ৰাজহুৱা গ্ৰন্থাগাৰৰ পাঠক আৰু লেখাৰু সকলেই চিত্ৰলেখাৰ প্ৰধা পৃষ্ঠপোষক। তেওঁলোকেই দহোবন কাটি কৰি লিখি আৰ গাঁঠিৰ ধনো আগবঢ়াই চিত্ৰলেখাক জীয়াই ৰাখিছে। চিত্ৰ তেওঁলোকৰ সৃষ্টিৰ কঠিয়াতলী। সেইবাবে তেওঁলোকৰ লেখাৰ মানতকৈ চিত্ৰলেখাই তেওঁলোকৰ প্ৰাণৰ তাড়না অধিক গুৰুত্ব দিয়ে। চিত্ৰলেখাৰ পাতত ভূমুকি মৰা কেবাগৰাকী লেখক-লেখিকাই অসমৰ পত্ৰ-পত্ৰিকাৰ সৰবৰহী লেখক হৈ পৰাতো আমাৰ বাবে গৌৰৱ। এটা পুথিভঁৰালে যে পাঠকৰ লগতে লেখকো জন্ম দিব পাৰে উদাহৰণ চিত্ৰলেখা। কোৰ'নাকালীন বছৰ দুটাক বাদ দি ২০০৮চনৰে পৰা চিত্ৰলেখা নিয়মীয়াকৈ প্ৰকাশ পাই আ সময়ে সময়ে চিত্ৰলেখাই ৰূপ সলাইছে ঋতুৱে প্ৰকৃতি স কৰাৰ দৰে। কিন্তু চিত্ৰলেখাৰ যি আবেদন আৰু উদ্দেশ্য একেই আছে। নতুন লেখক-লেখিকাক আগবঢ়াই আনি জিলাত সাহিত্যৰ পথাৰখন সজীৱ কৰি ৰখাৰ বাবে চিত্ৰলেখাই দুখ-কষ্ট সহ্য কৰিও ওলাই আছে। চিত্ৰলেখা ইমান দিনে জীয়াই ৰাখি সজাই পৰাই ৰখাসকলক আমি আন্তৰিক কৃতজ্ঞতা নিবেদন কৰিছোঁ। লেখক-লেখিকা, বৰঙনি দাতা, মুদ্ৰাকৰ, প্ৰচ্ছদ তথা চিত্ৰশিল্পী আৰু সাৰ্বে পাঠক সমাজলৈ আমি চিত্ৰলেখাৰ হৈ আন্তৰিক শলাগৰ আগবঢ়ালোঁ আৰু আগলৈও তেওঁলোকে চিত্ৰলেখাক ম প্ৰাণে সহযোগ কৰিব যাব বুলি আশা কৰিলোঁ। সকলো বসন্তৰ ওলগ জনাই —

মুখ্য সম্পাদক
চিত্ৰলেখা

# OM NAMA SHIBAYA MEDICAL

**Bilasipara, J.P. Road, Purani Bazar,**
**Dist.- Dhubri (Assam)**
**(Near Dr. Sankar Paul's Clinic & Prsss Club)**

আমাৰ ইয়াত থকা বিশেষজ্ঞ বিভাগ সমূহ হ'ল -

* Child Specialist
* MD. Diabetologist
* Women Gynecologist
* Ophthalmologists Surgeon
* General Practitioner or Physician (MD & MBBS)

আমাৰ ইয়াত আগবঢ়োৱা সেৱাবোৰ হ'ল -

* Allopathic Medicine
* Veterinary Medicine
* All types of Blood Test
* Urine Test
* Child Food
* Same Day Test Report Available.

বিশেষ দ্ৰষ্টব্য -


* সকলো মেডিচিনতে ১০% ৰেহই
* সকলো পৰীক্ষা-নিৰীক্ষাত ২০% ৰেহাই
* BPL কাৰ্ড স্বত্বাধিকাৰীক পৰীক্ষা-নিৰীক্ষাত ৫০% ৰেহাই

**Contact No. : 8638080216/ 7002234802**

নতুন বছৰৰ শুভেচ্ছাৰে -


# নিউ ভবানী বুক ষ্টল

ইয়াত স্কুল কলেজৰ সকলো ধৰণৰ কিতাপ আৰু যাবতীয় প্ৰয়োজনীয় সামগ্ৰী পোৱা যায়।



জে.পি. ৰোড, বিলাসীপাৰা, অসম

মোবাইল নং - ৯৪৩৫১২৫৬৯৫



ৰাইজলৈ নতুন বছৰৰ শুভেচ্ছাৰে

# নয়নতাৰা হোমিও চেম্বাৰ

## ডাঃ বিকাশ চন্দ্ৰ সৰকাৰ

ডি.এম.বি.এস. (কোলকাতা)

এন. এচ. ৰোড, বিলাসীপাৰা,

জিলা - ধুবুৰী (অসম) পিন - ৭৮৩৩৪৮

অতি যতন আৰু স্নেহেৰে শিশু আৰ

সকলোকে চিকিৎসা কৰা হয়।

শিশু জাতিৰ ভৱিষ্যত - শিশুৰ যত্ন লওক - মাতৃ দুগ্ধৰ বিকল্প ন

চিকিৎসাৰ সময় ঃ পুৱা ৯.৩০ ৰ পৰা ৰাতি ৮ বজালৈ

প্ৰতি বৃহস্পতিবাৰে বন্ধ থাকিব

**Mobile No. : 9954504618 / 03667-295081**

ৰাইজলৈ নতুন বছৰৰ শুভেচ্ছাৰে

# প্ৰভাকৰ ভট্টাচাৰ্য

## (জীৱন বীমা এজেন্ট)

ভাৰতীয় জীৱন বীমা সেৱাৰ বাবে যোগাযোগ কৰ

প্ৰভাকৰ ভট্টাচাৰ্য, হাকামা, বিলাসীপাৰা,

মোবাইল নং - ৯৯৫৪০৩০২৮৮

# AL-SHIFA DIAGNOSTICS

# আল-শিফা ডায়েগনষ্টিক

জে.পি.ৰোড, বিলাসীপাৰা (পুৰণি বজাৰ)

**Contact No. 7002356471 / 8638315249**




আমাৰ ইয়াত থকা সুবিধা সমূহ

- ফাৰ্মাচী
- লেবৰেটৰী
- ফিজিও থেৰাপী
- ডিজিটেল এক্স-ৰে
- ডিজিটেল ই.চি.জি
- যিকোনো সময়ত চিকিৎসকৰ পৰামৰ্শ




আপোনাৰ পৰামৰ্শ আৰু সহযোগিতা আমাৰ কাৰণে গুৰুত্বপূৰ্ণ।